# আলহী ঘৰৰ যাত্ৰী

## উপন্যাস

শ্ৰী কৈলাশ চন্দ্ৰ গোস্বামী

মূল্য দুটকা :: সত্ৰপুথি ভঁৰাল : ধলৰ সত্ৰ

Please handle the book carefully

# আলহী ঘৰৰ যাত্ৰী

## কাল্পনিক উপন্যাস

শ্ৰীকৈলাস চন্দ্ৰ গোস্বামী

STATE CENTRAL LIBRARY
যোৰহাট, অসম
Call No.

কিতাপ পোৱাৰ ঠিকনা
সত্ৰপুথি ভঁৰাল
পোঃ ধলৰ সত্ৰ

প্ৰকাশক—

শ্ৰীনৱনাথ গোস্বামী

সত্ৰ-পুথি ভঁৰালৰহৈ

মূল্য ছটকা মাত্ৰ।

প্ৰিণ্টাৰ—

প্ৰকাশ চন্দ্ৰ চৰকাৰ

কাত্যায়নী মেছিন প্ৰেছ

৩৯।১ শিবনাৰায়ন দাস লেন

কলিকতা—৬

# লিখকৰ কৱলগীয়া—

সকৰে পৰা এটা হেঁপাহ আছিল সাহিত্য সেৱা কৰিবৰ। কিন্তু কাম কৰিবলৈ যেনেকৈ ভৱা হয় ঠিক তেনেদৰে কৰি তুলিবলৈ টান হয়—মোৰ অৱস্থাও সেয়ে হল। ১৯৪৪ চনত প্ৰৱেশিকা পৰীক্ষা দিয়াৰ পিছত আজৰি সময় কনত আঁকি বাকি থাকোতেই এই উপন্যাস খনিৰ জন্ম হৈছিল। তেতিয়া দাদা শ্ৰীযুত দধি মহন্ত বি, এ দেৱক পুথি খনি দেখুৱাত তেখেতে কিছু ভুল সংশোধন কৰিবলৈ আঙুলিয়াই দিলে। সেই ভুলপিনি সংশোধন কৰি পুথি খনি পুনৰ খ্যাতনামা লিখক আৰু মোৰ শিক্ষক আব্দুল মালিকক দেখুৱালো। তেখেতে পঢ়ি চাই কিতাপ খনি ছাপা কৰিবলৈ কলে—কিন্তু সাহ নহল। জানোছা সুধী সমাজত ইয়াৰ আদৰ নহয় জানোছা সমালোচকৰ চোকা সমালোচনাত বন্ধুবৰ্গৰ আগত মুখ উলিয়াব নোৱাৰা হওঁ। তথাপি কিতাপখনি প্ৰকাশ কৰিবৰ হেঁপাহ এটি অন্তৰত লুকাই আছিল, আৰু মালিকৰ কথাবাৰে তাক দৃঢ়তৰ কৰি তুলিছিল। সেইবাবেই এতিয়া সকলো ভয় ভ্ৰান্তিক একনীয়া কৰি কিতাপ খনি প্ৰকাশ কৰা হল এই ভাবেৰে যদি ই সমাজত আদৰ পাই তেন্তে আৰু এখনি লিখিবলৈ হেঁপাহ হব। আৰু যদিহে নাপায় সাহিত্য সেৱা কৰাৰ আশা বাদ দিম। গতিকে এতিয়া কিতাপ খনি কেনে হৈছে তাৰ বিচাৰৰ ভাৰ পঢ়ুৱৈ সমাজৰ ওচৰত। তথাপি লিখকৰ প্ৰথম প্ৰয়াস হিচাবে সকলো দোষ মাৰ্জনা কৰিবৰ বাবে পঢ়ুৱৈ সমাজৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা জনালো। ইতি—

লিখক—

STATE C
Call N...

## এক

গাৱঁৰ ঘৰটোৰ সন্মুখত এখন ধুনীয়া ভাৰাতীয়া মটৰ গাড়ী আহি উপস্থিত হ'লহি। তাৰ বাবেই উৎকণ্ঠিত হৈ থকা ঘৰৰ বুঢ়াবুঢ়ীয়ে বাহিৰ ওলাই আহি ৰমেশক দেখি দুয়ো আনন্দিত হ'ল। ৰমেশে মা, দেউতা বুলি দুয়োৰে ভৰি চুই সেৱা কৰিলে। ভাৰাতীয়া গাড়ী চালক জনে ৰমেশৰ লগত অনা কিতাপ পত্ৰ আৰু আন বস্তুবিলাক নমাই দিয়াত ৰমেশে তাৰ হাতত দহোটা টকা দি বিদাই দিলে। ওচৰতে থকা চকী এখনতে বহি পৰি ৰমেশে দেউতাকক সুধিলে "দেউতা আমাৰ গাড়ীখন নপঠিয়ালে কিয়? মই ষ্টেচনত নামি গাড়ী আহিব বুলি খাপ দি ৰৈ আছিলো।"

"তোৰ চিঠি পাইছো এই অল্পপৰ আগতে। চিঠি পাই দেখো যে ৰেল আহিবৰ সময় অতীত হৈয়েই গল, গতিকে মাৰে ক'লে আৰু বোলে সি কিবা এটা উপায়েৰে আহিবই পাই, এতিয়ানো গাড়ী পঠিয়াই কি লাভ।"

"এৰা অ' ময়ে কলো বোলো সি যেনে তেনে ভাৰা-চাৰা কৰি আহিবই পাই," ওচৰতে ৰৈ থকা মাকে বাপেকৰ কথাষাৰৰ লগতে কৈ দিয়ে।

"কিবা দিগদাৰত পৰিছিলি নেকি?" দেউতাকে সুধিলে।

"বিশেষ একো দিগদাৰ হোৱা নায়। মাত্ৰ টকা দহটা এনেয়ে ভৰিব লগা হল। টেক্সী বোৰে৷ ইমান বদমাছ সিহঁতে অলপমান চল পালেই বহুত দাম কৰে।"

"তই যে ইমান খিনালি পাই।" একেথৰে পিতেকৰ মুখলৈ চাই থকা মাকে হুথাতেই কৈ পেলাই।

"এঃ ৰেলত যিমানহে কষ্ট নিখিনাইনো কেনেকৈ?" বাপুটিয়ে দি থৈ যোৱা চাহ কাপ খায় খায় ৰমেশে কয়। "মানুহৰ থেলা হেঁচা কত যে গণ্ডগোল। পুৰহি তুটাবজাত শিয়ালদহত উঠিছো কালিৰ দিনটো ৰেলতেই আজি এয়া।"

"ফাৰ্ষ্ট ক্লাচত অহা হলেই দেখো ইমান কষ্ট হবলৈ নাপাই" পুতেকৰ কথা শুনি দেউতাক ৰাজেন বৰুৱাই কয়।

"সংসাৰৰ অত মানুহ ধোন "থাৰ্ড ক্লাচ"তেই আহে আমিনো আৰু আহিব নোৱাৰিম নে? অলপ কষ্ট হয় সেই বুলি ইমানবোৰ টকা কোনে ৰেল কোম্পানীক দিয়ে?"

"ৰমেশ তই বৰ কিৰপিন হবি অ" ৰমেশৰ কথাষাৰৰ উত্তৰত মাকে কয়।

"তোমালোকে পয়ছা খৰছ কৰিলে হবলা ভাল পোৱা? বাৰু মা! সেইবোৰ কথা বাদ দিয়া মোৰ বৰ ভোক লাগিছে। কিবা কিবি এটা খাবলৈ দিয়া।"

"হেৰ গা পা ধো ছোন। খাবলৈনো কি নাইকিয়া হৈছে?"

"তুমি বাৰু লৈ আহাছোন গা পা ধোৱা পিছ কথা। মুখ হাত ধুবলৈ অলপ পানী আৰু চাবোন দিবলৈ কোৱা মাখোন।"

"তহতি আৰু মেলেছ হলি পাই। তই পৰাচিত নহলে মই পাকঘৰ সোমবলৈ দিব নোৱাৰো। এতিয়া খা বাৰু।"

"বাৰু নোসোমাও তোমাৰ পাক ঘৰত।"

ৰমেশে হাত মুখ ভালকৈ ধুই মূৰটো ফনীয়াই পেলাই। মাকে ভিতৰৰ পৰা লৈ অহা চাহ আৰু জলপান বুলনিৰ তেবুল খনতে দিয়ে। ৰমেশে খাবলৈ আৰম্ভ কৰে।

"পৰীক্ষা কেনেকুৱা হল অ' ৰমেশ" খাই থাকোতেই দেউতাকে খবৰ লয়।

"ভালেই হৈছে 'ফাৰ্ষ্ট ক্লাচ' পোৱা হব সম্ভৱ। এই বেলি পিচে এম, এৰ পেপাৰ বোৰ বৰ ভাল পেপাৰ নহয়।"

"বাৰু দে যি কোনো এটা ক্লাচ লৈ খালি ডিগ্ৰিটো লৈ থৰ পাৰিলেই হয়, কোন ক্লাচৰ এম এ নো সোধে কোনে?"

"এঃ ফাৰ্ষ্ট ক্লাচ পালে মনটোতে ভাল লাগে নহয়।" ৰমেশে জলপান আৰু চাহ শেষ কৰে। এনেতে এজন মানুহ ভিতৰ সোমাই আহে। দেউতাকে তেওঁৰ লগত কথা আৰম্ভ কৰে। ৰমেশ ভিতৰলৈ সোমাই যায়।

"এওঁনো কোন? দেউতা! মইধোন চিনিপোৱা নায়।" মানুহ জনে ৰমেশৰ দেউতাকক সোধে!

"ই মোৰেই লৰা। কলিকতাত আছিল গৈ এম, এ পঢ়ি। এতিয়া পৰীক্ষা চৰিক্ষা দি ঘৰলৈ ঘূৰিছে।"

"এয়া ৰমেশ বোপানেকি?" মানুহ জনে আচৰিত হৈ সুধিলে।

"ওঁ ৰমেশেই।" দেউতাকে ক'লে।

"আঐ দেহি চাইথাকোতেই বৰটি হল। সিদিনা আমি কোলাত লৈ ফুৰা লৰা এই কেইটি।"

"এৰা আজি কালি লৰা আৰু চাইথাকোতেই ডাঙৰ হৈ যায়।"

"অ' মণিৰাম তামোল লৈ আহছোন আলহী আহিছে।" বুলি ৰাজেন বৰুৱাই ভিতৰলৈ চাই মাত লগালে। মণিৰামে অলপ পিছতেই কেই খন মান তামোল দি গলহি। আলহীয়েও তামোল এখন খাই আন আন কথা বাৰ্ত্তা হৈ বিদায় ল'লে।

ৰমেশ পোনে পোনেই মাকৰ কোঠাটোলৈ সোমাই গৈ সি পিন্ধি অহা কাপোৰবোৰ দাৰ দালৰ কাষতে মাটিত পেলাই দিলে। ডাঙৰ আইনা খনৰ সৈতে থকা তেবুল খনৰ কাষলৈ গৈ মুখ খন এনেয়ে এবাৰ চাই তাৰ আউল বাউল হৈ থকা চুলি কোচা এবাৰ ফনিয়ালে।

"অ মা!" ৰমেশে মাত দিলে। মাকে গামোছা এখন হাতত লৈ সোমাই আহিল

"বাইদেউ হঁতৰ ঘৰৰ কিবা কিবি চিঠি পত্ৰ পাইছানে নাই?" ৰমেশে সুধিলে।

"জানো—কালিনে পুৰহি দেউতাৰে এখন পাইছে হবলা

গামোছা খন ৰমেশৰ কান্ধলৈ দলিমাৰি দি মাকে ক'লে "গা ধোগৈছোন যা।"

"ও' যাওঁ বৰ ভাগৰ লাগিছে" মূৰটো মোহাৰি মোহাৰি ৰমেশে ক'লে।

"লাগিবটো আৰু! ইমান খন দেশ দিনে নিশাই বেলত আহিছ। গাটো ধুই ভাত দুটা মান খাইদেহি যা তেহে ভাল লাগিব। খাই বই উঠি অকন মান শুবি।" মাতৃত্বৰ মৰমৰ ৰহনসানি ৰমেশৰ মাকে কথা কেইষাৰ কয়।

"যাওঁ—ভাত হল জানো?" ৰমেশে সুধিলে

এই হব এতিয়া তই গা ধুই আহিলেই হব, মণিৰামে পানী গা ধোৱে ঘৰতে আনি থৈছে পুখুৰীলৈ যাবগৈ নালাগে।"

"বাৰু" বুলি, সলাগি ৰমেশে হাতত চেন্দেলজোৰ লৈ শুদা গাটো উলিয়াই কোঠাৰ পৰা ওলাই গল।

মাকে ৰমেশৰ শুদা উদং গাটোলৈ এবাৰ চালে—বেছ শকট হৈ পৰিছে ৰমেশটো। তাৰ বিয়াবাৰু এখনৰ সোনকালে জোগাৰ কৰিবলগীয়া হল। আজি বাপেকক কবহে লাগিব। তেও বোৱাৰী পাব, ৰমেশৰ ঘৈণীয়েকে ওচৰতে বহি মাকক ইটো সিটো কাম কৰি সহায় কৰি দিব। ৰমেশৰ লৰা ছোৱালী হব। কিমান মৰম হব তেওঁৰ নাতিনিয়েকলৈ, ৰমেশৰ মনতেই বা কিমান আনন্দ নালাগিব---ভবিষ্যত এখন সোণৰ সংসাৰ কৰি ৰমেশৰ মাকে কথাবোৰ ভাবি যায়।

"অ' মা! ৰমেশে গা ধোৱা ঘৰৰ পৰা ওলাই গামোছা খনেকেই গাত মেৰিয়াই পিন্ধি চুৰিয়া এখন দিবৰ কাৰণে মাকক মাতিলে। পিতেকক দেখিয়েই কথাটো বুজিব পাৰি মাকে চুৰীয়া এখন তেওঁৰ গালৈ দলিমাৰি দি ক'লে "তইনো বাৰু ইমান লাজ নাইকিয়া হব পাৰনে? গামোছা খনকে পিন্ধি ওলাই আহিছ।"

"মই তেওঁ তোমাৰ হে পিতেৰ" ৰমেশে চুৰিয়াখন থাপমাৰি ধৰি হাঁহি এটা মাৰি আকৌ চুৰিয়া সলাবলৈ গা ধোৱা ঘৰলৈ যাওঁতে কৈ গল, তাৰ উত্তৰ হিছাবে মাকে মাতৃ সুলভ এটি হাঁহি মাৰিলে।

ভাত খাই উঠি ৰমেশে পুৰণি 'আৱাহন' এখন উলিয়াই বিছনাতে এনেয়ে অলপ বাগৰ দিলে। তেওঁৰ অন্তৰত চিৰদিনৰ কাৰণে এৰি থৈ অহা কলিকতাৰ ওখওখ সুন্দৰ আট্টালিকাবোৰ ইডেন গাৰ্ডেনৰ নানা ধৰণৰ সাজপাৰেৰে শোশোভিত হৈ অহা হেজাৰ বিজাৰ ডেকা গাভৰুবোৰ আৰু আন আন ঠাইৰ শোভা সৌন্দৰ্য্যবোৰ জিলিকি উঠিল।

## দুই

কাতিমহীয়া বেলি কাটিকুটা কৰোতেই পাৰ হয় যদিও আৰতীয়ে ববলৈ লোৱা ডাঙৰ গোঁসাই কাপোৰখনত কেইটামান ফুলৰ কাঠি তুলিবলৈ বুলি তাঁত শালত বহিল। কেইটামান কাঠি বাছি এটোৱাৰ অলপৰ পিছতেই গাওঁবুঢ়ানী আহি আৰতীৰ তাঁত খনৰ ওচৰ চাপি সুধিলে "আইদেৱে হবলা গোঁসাই কাপোৰ লগাইছা ?"

"এৰা খুৰিটি গোঁসাই কাপোৰখন লগোৱা আজি কেইবাদিনো হ'ল। আমাৰ সত্ৰৰ নামঘৰলৈ বুলি কাপোৰ ডোখৰ লগাইছো ধোন ববলৈ আজিৰিকে নোপোৱা হলো, কাতিমহীয়া বেলি ইফাল সিফাল কৰোতেই পাৰ হয়েই।" আৰতীয়ে তামোল এখন দিবলৈ উঠি অহাৰ লগে লগে গাওঁবুঢ়ানীক কয়।

"এৰা আমাৰ সিজনীয়েও আশী সূতাৰ চেলেং তিনিখন লগাইছিল, ববলৈ আজৰিকে পোৱা নায়। ইফালে লৰায়েই কান্দিব সিফালে ইটোৱে মাতিব সিটোৱে মাতিব—"

"কোনে বোৱাৰীয়েৰে নেকি ?" গাওঁবুঢ়ানীয়ে কথাষাৰ কবলৈ নৌপাওঁতেই আৰতীৰ মাক ভিতৰৰ পৰা ওলাই আহি ক'লে।

"অঁ সেইজনীৰ কথাকে কৈছো। বোলো কামো নাই আজৰিও নায়, আইহে। আশী সূতাৰ চেলেং তিনিখন লগাই-ছিলে আজি কুৰি দিন মান হ'ল সি আৰু ওলাব জনা নায়।"

"খুৰিটি নবৌ আমাৰ ঘৰলৈ আহিম বুলিছিলে নহয় নাহিল কেলেই ? আমাৰফালে ধোন আজিকালি আৰু আহিবলৈকে এৰিলে।" বহিবলৈ পিৰা এখন চোতালতে পাৰি দি আৰতীয়ে সোধে গাওঁবুঢ়ানীক।

"এ' আই কৈছো নহয় সময়েই নাই দেখোন।"

"ইহ্ থোৱা থোৱা দেওহে সিদিনা ৰূপহীহঁতৰ ঘৰৰ পৰা যাবহি পাৰিলৈ আমাৰ ইয়ালৈহে সময় নোলাই।" আৰতীয়ে ঠোঁট এচাৰি কথাষাৰ ক'লে।

"সময় নাপালে নাহিলে, সেইটোনো কি কথা! তইবাৰু তামোল খাবলৈ আনগৈছোন যা। বাইটিয়েৰলৈ চাহপানীয়ো এটোপা কৰ। ইমান দিনৰ মূৰত আহিছে।" মাকে আৰতীক ক'লে।

"ওঁ যাওঁ" বুলি সলাগী তামোল আনিবলৈ আৰতী ভিতৰ সোমাল।

আৰতীৰ অনুপস্থিতিত গাওঁ বুঢ়ানীয়ে সুধিলে "ছোৱালী জনীৰ জানো কৰবাত থিক থাক হৈছে ?"

"এ নাই হোৱা আইহে। সেইকাৰণেহে বোলো কৰবাত দাই জগৰ লাগি আছে কিজানি গোঁসাই কাপোৰ এদোখৰকে তাইৰ হতুৱায়েই বোৱাই সত্ৰলৈকে পঠিয়াই দিও। কৰবাত কিজানি কিবা এটা হয়েই বা।"

"কেলেইনো নহয় আইহে এইটো জানো এটা কম চিন্তা। মোৰ সেই সৰু জনী ছোৱালী দিবলৈ যে কিমান যতন নকৰিলো ! কতক ধৰিলো কতক ভাগিল তাৰ পিছতধোন সেয়া ওচৰতে ওলাল।"

তামোলৰ বটাটো লৈ আহি আৰতীয়ে বিয়াৰ আলোচনা বুলি অনুমান কৰিব পাৰি বেছি পৰ নৰৈ তামোলৰ বটাটো গাওঁবুঢ়ানীৰ ফালে আগবঢ়াই দি ক'লে "খুৰিটি তামোল খোৱা— বহাছোন দেই মই চাহপানী এটোপা বেগেতে কৰো।"

"নালাগে আই ! কেলেইনো চাহপানী খন কৰিব লাগিছে হোঁ, তামোল এখনকে খাওঁ হব !" গাওঁবুঢ়ানীয়ে ক'লে।

"তুমি বহাছোন বাৰু বেগেতে হব" বুলি কৈ আৰতী চাহ-পানী কৰিবলৈ ভিতৰ সোমাল।

গাওঁবুঢ়ানীয়ে তামোল এখন ধপাত সহ খাই পিক এসোপা পেলাই পাগুলিবলৈ ধৰিলে। আৰতীৰ মাকেও গাওঁবুঢ়ানীয়ে আগবঢ়াই দিয়া বটাটোৰ পৰা তামোল এখন খাই ক'লে—

"বুইছেনে গাওঁবুঢ়ানী মোৰ আৰু লাহে লাহে পেটলৈ ভাত

নোযোৱা হৈছে, দিনে নিশাই সেই একেটা চিন্তা কেনেকৈনো ছোৱালী জনীক এটা সু-পাত্ৰত গতাব পাৰো।"

"কেলেইনো নহয় আই! দিয়া চিচ্ যেনে তেনে আৰু দি দিয়াৰহে কথা, সেই বুলি নিজৰ পেটৰ পোৱালীটোক বোকাই বালীয়ে আথানি আবানি কৰি পেলাইনো কেনেকৈ? বিচাৰ খোচাৰ কৰক। ঈশ্বৰে আৰু কৰবাত জোৰা এটা নিমিলিওৱা কৰি পঠিয়াইছেনে?"

দুটা বাটিত দুবাটি চাহপানী আৰু দুখন কলপাতত অলপ অলপ গুৰ আনি আৰতীয়ে ঠাইখন মছি বাটি দুটা গাওঁবুঢ়ানী আৰু মাকৰ ফালে আগবঢ়াই দিলে। চাহপানীৰ বাটিটো ডাঙি ধৰাৰ লগতে গাওঁবুঢ়ানীয়ে সুধিলে "কেলেইধোন আজি এহেঁতৰ বাপেকক দেখা নায়।"

"এ' তেখেত কালিয়েই গ'ল মৰাণলৈ কিবা এটা কামত। কালিলৈ গধূলী মানকৈহে যদি আহি পাইহি।" আৰতীৰ মাকে ক'লে।

বটাটোত আৰু এটা তামোলপান আনি দি আৰতী আকৌ তাঁতৰ পাটত বহিলগৈ।

কাতিমাহৰ ছুটি দিনটো পাৰহে গল। ৰাঙলী বেলিটোৱে পশ্চিমৰ দিগন্তত শেষ বাৰলৈ দেখা দি জগত খনৰ পৰা পোহৰটো টানিলৈ গুছি গ'ল। আৰতীৰ ভায়েক হীমধৰে গৰু কেইটা দিনৰ দিনটো চৰাই থাকি ভাগৰত লাল কাল হৈ আহি গধূলি বাটৰ পৰাই বায়েকক মাতিলে। গোহালীত গৰু কেইটা

বান্ধিথবলৈ আৰতী ভিতৰৰ পৰা ওলাই আহিল। হীমধৰ ভিতৰলৈ সোমাই গল।

সন্ধ্যা লাগিল। গোঁসাই ঘৰত বন্তি জলাবৰ সময় হল, দূৰণীৰ বাজহুৱা নামঘৰত বজোৱা দবাৰ গহীন শব্দই গোটেই গাওঁ ভেদি গ'ল। আৰতীয়ে লৰালৰিকৈ ভিতৰ সোমাই গৈ লোটা এটাত পানী এলোটা আনি হাত ভৰি ধুলে, ভায়েককো ধুৱালে আৰু আন কালৰ দৰেই কেৰাচিন তেলৰ সৰু চাকিটো জ্বলাই বন্তিজ্বলাবলৈ বুলি তেওঁলোকৰ সৰু নাম ঘৰটিত সোমাল। নামঘৰৰ চাকিটিত তেল শলাকানি দি জ্বলাই আৰতীয়ে সেৱা এটি কৰি আৰম্ভ কৰিলে,

"কিমতে ভকতি কৰিবো তোমাত হৰি এ
মই মূঢ়মতি নাজানো তাৰ উপায় ৰাম ৰাম।
মহাবলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ
আমাৰ মনক তেজিয়া দূৰ নযায় ৰাম ৰাম
তোমাৰ মায়ায়ে মন মুহি আছে হৰি এ
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নপাওঁ ৰাম ৰাম।"

আকৌ পুনৰ সেৱা এটি কৰি আৰতী নামঘৰৰ বাহিৰ ওলাই আহিল। চাৰিওফালে নিমাত নিস্তব্ধ। মাত্ৰ সন্ধিয়াৰ আগ জাননী দিয়া দুই এটা কুকুৰাৰ মাত লঙ্কাপুৰ ক'ত বুলি শুনা যায়। আৰতীয়ে এবাৰ ধূনীয়া আকাশ খনলৈ চালে। সপ্তমীৰ জোনটোৱে তেতিয়া আৰতীৰ মূৰৰ ওপৰত থাকি তাৰ ঢেলা পোহৰটো পৃথিৱীখনলৈ পেলাই দিছে। লাহে লাহে তাই ভিতৰ

সোমাই গ'ল। পাকঘৰলৈ ভুমুকি মাৰি দেখিলে মাকে ভাত ৰন্ধাৰ সকলোবোৰ যো-যা কৰিছে। গতিকে অকনো সময় নষ্ট নকৰি কপাহ কটা যঁতৰটো উলিয়াই আনি কপাহ কটাত লাগিল।

"ককাইটি আছানেহে ঘৰত।" কোনোবাই মাতিলে। আৰতীয়ে মাতটো চিনি পালে।

"পিতাই নাই আহা দদাইটি!" বুলি আৰতীয়ে কপাহ কাটিবলৈ এৰি বহিবলৈ ধাৰি এখন পাৰি দিলে।

"অ বৌ! দদাইটি আহিছে অ" বুলি মাকক কথাষাৰ জনাই আৰতীয়ে খাবলৈ তামোল আনি দি আকৌ কপাহ কাটিবলৈ বহিল।

ভিতৰৰ পৰা আৰতীৰ মাক ওলাই আহি "বহিবলৈ দিছনে?" বুলি সোধাত আৰতীয়ে "ওঁ" বুলি সলাগি উত্তৰ দিলে।

"তামোল পাইছানে?" বুলি মাকে সোধাৰ পিছত আৰতীয়ে বহাৰ পৰাই সুধিলে।

"দদাইটি আজিনো কি মন কৰি আহিলা?"

"তহঁতৰ ঘৰলৈ আজি বহুত দিন অহানায় সেইবাবেই বোলো খা-খবৰ এটা লৈ আহো বুলি আহিলো, ককাইটিনো কোনফালে গ'ল।"

"কালিয়েই কোনোবা ফালে গ'ল। কাইলৈহে আহিব হব পায়।"

"তেনে বহি থাকিনো কি কৰিম যাঁৱেই" বুলি আলহী উঠি

বিদায় ললে, আলহী উঠি গ'ল। আৰতীয়ে সূতা কটাতেই চকু ৰাখি হিমধৰক সুধিলে।

"হিম কিতাপ লৈছনে ?"

ভাগৰত আহি হিমই কিতাপৰ ওচৰত বহোঁতেই টোপনী গ'ল। হথাৎ বায়েকক মাত শুনি সাৰ পাই খক্ মক্ কৈ কিতাপ খন মেলি বহি ক'লে "ওঁ লৈছো।"

তাৰ কথাবাৰৰ পৰাই আৰতীয়ে আচল ঘটনাটো বুজিব পাৰি মাথো এবাৰ হাঁহিলে।

"আৰতী ঠাই অঁতাই দেহি অ' ভাত খাবৰ হল।" মাকৰ আদেশ শুনি সূতা কটা থৈ আৰতী ভিতৰলৈ উঠি গল।

## তিনি

ঘৰটো ভাগিছিগি উৰঁলি গৈছে। বেৰবোৰত মাটিৰ নামে সঁচ নাই। বাহিৰৰ পৰাই ভিতৰৰ সকলোবোৰ বস্তু দেখা পাই, তাতেই জ্বলি থকা জুইৰ অঙ্গঠা কেইটাৰ ওচৰত খুব কুঁজা বুঢ়ীজনী আহি ফটা এৰিয়া কাপোৰ এখন মূৰে গায়ে লৈ বহিল। কাপোৰখন বোধহয় লোৱা দিনা খনৰ পৰাই ধোৱা হোৱা নাছিল। এনেতে আদহীয়া মানুহটো ভিতৰ সোমাই আহি সুধিলে, "বৌ ভাত ৰান্ধিছনে ?"

মূৰে গাই কাপোৰ লৈ থকা আলৰ বুঢ়ীজনীয়ে ক'লে "কাৰ মূৰটোৰেনো ভাত ৰান্ধো ? চাউল এটা নায়, মাহ এমুঠি নায়।

দিনৰ দিনটো কানি খাই খাই কৰবাত ঘূৰি ফুৰিবিগৈ। ঘৰত খাবলৈ নাই, লৰা ছোৱালী হালে ভোকত কলমলাব লাগিছে। এহাল লৰা ছোৱালীৰ বাপেকী হলি এজনী তিকুতা মাৰিলি তেওঁৰ তোৰ আৰু গিয়ান নহল। যি কৰ আৰু কৰি থাক। মইনো কিমান কম? কণা বিধতাই মোৰ চকু দুটো মুতুৱা হলেই ভাল আছিল—তেওঁ এই সংসাৰ খনৰ পৰা আঁতৰত থাকিলোহেঁতেন। তাকো বনি কণাই নেদেখা হল। জ্বলা জুইনো আৰু কিমান ফুৱাবা।”

“কেলেই গোলাপ চন্দ কেঞাৰ তালৈ গৈনো মোৰ কথাকৈ চাউল পাত অলপ নানিলিগৈ কেলেই। টানে আপদে সেই বাবুৱে মোক সহায় কৰিয়েই আছে, এতিয়াও চাউল এমুঠি নিদিলে হেঁতেন নে আৰু?”

“হেৰ আমাৰ দিন কেইটা কেঞাৰ ভৰিত ধৰি চাউল ননাকৈয়ে পাৰ হৈ যাব লগা হ’ল আৰু। বাপেৰ সেইটোৱে ইমানবোৰ ধন ঘটিলে তথাপি কেঞাৰ লগত এবাৰ বেপাৰ নকৰিলে। বাপেৰ মৰা আজি পোন্ধৰ বছৰহে হৈছে তই ইমানবোৰ সা সম্পত্তি লোকচান কৰিলি—সোপাকে কানিয়াৰ মেলত উৰাই দিলি এতিয়া বাকী ৰৈছেগৈ পেৰাত থকা ঘৈনীয়েৰৰ গহনা কেপাত, খোৱা কাঁহিবাটি। কেইজোৰ আৰু ইত মাটি একঠাৰ ভেটিটো, তাৰো খাজনা দিবলৈ আছে। যোৱা বছৰৰ খাজনা দিয়াই নায়, এইবাৰ আৰু মৌজাদাৰে সুখেৰে এৰিবনে?”

"থ তোৰ বকলা খন।" চেনিৰামে মাকক দাবি দি উঠে "থাকে মানে খাম নহলে মাগি খাম। ঈশ্বৰে ফৰিংটোলৈকো কচু এদাল দিছে আমাক আৰু মুখুৱা কৈ ৰাখিবনে? ৰবি বাৰু মই কেঞাঁঘৰৰ পৰা আহো---চাউল পাত অলপ আনো তই জুই কুৰা ধৰ।"

পিতেক ওলাই গল। বুঢ়ীৰ শুকান অন্তৰ খনৰ পৰা শুকান চকুহুটাইদি কেইটোপালমান চকুলো সৰি পৰিল। সি কিন্তু শুকান নহয়। কাপোৰ তিয়াব পৰা শক্তি সেই কেইটোপাল চকুৰ পানীৰ গাত তেতিয়াও বৰ্ত্তমান—সেইবাবেই বুঢ়ীৰ মলিয়ন দগধা এড়িয়া কাপোৰ খনৰ আগটো সিহঁতে তিয়াই দিব পাৰিলে। বুঢ়ীয়ে এবাৰ মনত পেলালে তেওঁৰ গিৰিয়েককৈ এবাৰ বোৱাৰীয়েকলৈ, তাৰ ফলত আৰু কেইটোপাল মান চকুলো ওলাই আহি এড়িয়া কাপোৰৰ আগত সোমাই ৰ'ল।

"বৌ চা এই দু সেৰ চাউল আধা সেৰ আলুগুটি এপোৱা মাহ" বুঢ়ীৰ আগত দি চেনিৰামে ক'লে, "তই এতিয়া ভাত ৰান্ধগৈ যা।"

কানিৰ টেমাটো আৰু হোকাটো ধোৱা চাঙৰ ওপৰত তুলি থৈ চেনিৰাম জুইকুৰাৰ ওচৰতে বহি পৰিল, তাৰ শৰীৰ অৱস মুখত ক'লা ক'লা ডাগ। কানিয়ে তাৰ শৰীৰত থকা তেজবোৰ তোপা তোপাকৈ দিনে দিনে শুহি নি নাইকিয়া কৰি নিছে।

বুঢ়ীয়ে বস্তু কেইটালৈ কুঁজা-কুঁজ কৈয়েই ভিতৰ সোমাই গল, মাইকী মানুহে যেন ভাত ৰন্ধা এটা ধৰাবন্ধা নিয়ম। মাইকী

মানুহ থাকিলে যেন মতা মানুহে ভাত ৰন্ধা মহা পাপ আৰু সেই পাপৰ পৰাই যেন ৰক্ষা কৰিবলৈ বুঢ়ীয়ে সেই অৱস্থাৰেই ভাত ৰান্ধিবলৈ আসল সোমাইছে।

"অ কেৰ! ইয়াৰ বৰবাটিটো কলৈ গ'ল অ'।" পাকঘৰত অলপ আগতে থৈ যোৱা পুৰণি কলীয়া বৰ বাটিটো বিচাৰি নাপাই আশলৰ পৰাই বুঢ়ীয়ে নাতিনীয়েকক সোধে।

"মই কেনেকৈ কম?" চোৰ চাঙত শুই থকা নাতিনায়েকে বুঢ়ীৰ প্ৰশ্নৰ উত্তৰ দিয়ে। জুহালৰ ওচৰত বহি থকা চেনিৰামৰ অন্তৰত কিবা এটাই যেন খুন্দামাৰে। সি একো নামাতে কানিৰ তেমাটো উলিয়াই আনিবৰ কাৰণে এবাৰ ভাবে, তাৰ বৰ অৱশ লাগে। তথাপি টেমাটো আনিবৰ কাৰণে সি থিয় হয়। কানি খোৱা হোঁকাটো আৰু টেমাটো সি ওপৰৰ পৰা নমাই আনে। কানি আৰু বেছি নায়। টেমাটো খুলি সি দেখিলে, "কালিলৈ ৰাতিপুৱালৈকে কথমিপ জুৰিব। দিনটোৰ কাৰণে ক'ত কেনেকৈ জোগাৰ কৰা হব" সি ভাবিলে। "ঈশ্বৰৰ বস্তু খাইছো, আমি ঈশ্বৰৰ ভক্ত ঈশ্বৰে হেনেও মিলাব গতিকে আজি নভৰাই ভাল।"

টেমাৰ পৰা কানি অকনমান উলিয়াই সি তাৰ হোকাটোতে লগালে। চোৰ চাঙত থকা সৰু পিতেকটো এনেয়ে জুহালৰ কাষলৈ নামি আহিল। মুখৰ তিতা মাৰিবলৈ ওচৰতে থোৱা কলটোত আৰু কুঁহিয়াৰ কণৰ ওপৰত সি এবাৰ চকু ফুৰালে, তাৰ জিভাৰ পানী ওলাল।

"পিতাই কলটো খাওঁ নে?" ভয় আৰু লোভৰ মাজেদি সৰু লৰাটোৱে বাপেকক সোধে।"

"চালা বন্দি কুকুৰ মই তিতা মাৰিবলৈ অনা ক'লটোতহে তাৰ চকু পৰিল। মুঠিলিনে ইয়াৰ পৰা ভালে ভালে", ধম্‌কি দিয়ে বাপেকে।

"তেনে কুঁহিয়াৰ অকনমানকে দে।" অলপ আঁতৰি গৈ মুখৰ লোভ সামৰিব নোৱাৰি লৰাটোৱে আকৌ ক'লে।

"একে মাৰে মাৰিম বাপেৰে নগলিনে ইয়াৰ পৰা। দিনৰ দিনটো পং পডাই ফুৰ, কল কুঁহিয়াৰ একন বিচাৰি খাব নোৱাৰ। এতিয়া বুঢ়া বাপেৰে খাবলৈ লোৱা বস্তু কণ দেখি তহঁতৰ মুখৰ পানী সাৰিছে।"

এটা নিৰাশাৰ হুমুনীয়া পেলাই লৰাটো তাৰ পৰা আতৰি যায়।

বুঢ়ীমাকে পুতেকৰ কথাষাৰ পাকঘৰৰ পৰাই শুনে। কেইটোপালমান অজানিত চকুলোৱে বুঢ়ীৰ গাল ছুখন তিয়াই যায়। একো কব নোৱাৰে, হয়তো বুঢ়ীয়ে ইচ্ছা কৰিয়েই নকয়, কাৰণ তেওঁ জানে ক'লে লাভ নায়।

"হে ঈশ্বৰ! মোকনো আৰু কি খাবলৈ জীয়াই ৰাখিছা?" এটা হুমুনীয়াৰ মাজেদি বুঢ়ীৰ কথা কেইষাৰ বাহিৰ হয়।

"অ' আইতা আমাৰ নো বৰ বাটিটো কলৈ গ'ল হয়।" বুঢ়ীৰ বৰটো নাতিনীয়েকে শোৱাৰ পৰা উঠি এটোপা পানী খাবলৈ বিচাৰি নাপায় সোধে।

"জানো বোপাই তইঁতি ক'ত এৰিছগৈ মইনো কেনেকৈ কওঁ!"

বাহিৰত বহি কানিৰ হোপাটো মাৰি চেনিৰামে হয়তো ভাবিলে বাটিটোৰ যহতেই আজি এমুঠি ভাত পোৱা হব।

ভাত বাঢ়ি বুঢ়ীয়ে খাবলৈ মাতিলে এটাইকেইটাকে, পুতেক ইঁতৰ লগতে চেনিৰামেও খাবলৈ বহিল। বুঢ়ীয়ে আৰু বাটিটো বিচাৰি নাপালে।

"বৌ বৰবাটিটোৰ যহতেই তুসাজ ভাত মিলিছে তইনো আকৌ তাক ইমানকৈ বিছাৰিছ কিয়? বৰ ভাল বাবুজন। বাটিটো পায়েই মোক ইমান বোৰ চাউল দাইল দিলে নহয়।" ভাত কেইগড়ামান খাই চেনিৰামে কয়।

বুঢ়ীয়ে কথাটো বুজিলে। কানি এৰি কামবন এখন কৰি তুপইচা আৰ্জিবৰ কাৰণে মাকে তাক অনেক বুজালে। মাত্ৰ এটা মত, তাৰ কোনোমতেই বদলি নহয়। লৰা কেইটাই খাই বৈ উঠি গ'ল। বুঢ়ীয়ে এমুঠিমান ভাত লৈ খাবলৈ বহিল কিন্তু নোৱাৰিলে।

ভাত খাই উঠি জুহালৰ কাষত বহি চেনিৰামে ৰাগ তানিলে,

"অ' কৃষ্ণ ৰূপে দৈৱকীত ভৈলা অৱতাৰ
শঙ্খ, চক্ৰ, গদা, পদ্ম কৰত তোমাৰ।
ৰোহিণীত ভৈলা হলি ৰামে অৱতাৰ
দিবিদৰ প্ৰাণ লৈলা মুচ্‌টিৰ প্ৰহাৰ।"

খোৱা কাঁহি বাটি কেইটা আওসালি থৈ বুঢ়ী আহি বিছনাত

পৰিল। জুহলাৰ কাষতে বহি চেনিৰামে ভাবিলে কালিলৈ ৰোজকাৰ ফেৰা কেনেকৈ মিলোৱা হয়। এনেতে তাৰ মনত পৰিল মাকে কোৱা ঘৈণীয়েকৰ অলঙ্কাৰ কেপদলৈ। ঘৈণীয়েকৰ ডিঙিত জিলিকি থকা সুন্দৰ গেজেৰাটো আৰু টকীয়া মুখৰ থুৰীয়া জোৰ তাৰ চকুত জিলিকি উঠিল। "ইয়াৰেই কিবা এটা দিহাকৰা হক। মানুহ নাই যেতিয়া বস্তুনো কোনে পিন্ধিবলৈ লাগিছে? লৰাহঁত ডাঙৰ হলে হেনেও ঘটি মেলি লব।" সি মনেতে ভাবিলে। মাকে গহনা কেপদ ক'ত থয় তাকো তাৰ বেছ মতেই জনা আছিল।

ৰাতি লাহে লাহে গহীন হৈ উঠিল।

কুমটিৰ চিঁ চিঁ মাত। দূৰত ভুকা কুকুৰ বোৰৰ ভুক ভুক শব্দ, তাৰ মাজে মাজে দুই এটা নিশাচৰ চৰাইৰ মাতৰ বাহিৰে গোটেই জগত নিস্তব্ধ। বেৰত আউজী থকাৰ পৰা সি লাহে লাহে পোন হৈ বহিল। লাহে লাহে থিয় হৈ তাৰ কানি টেমা আৰু হোকাটো ধোৱা চাঙৰ ওপৰত তুলি থলে। নিস্তব্ধ জগতত নিস্তব্ধ ভাৱে কৰা কামবোৰে তাৰ মনত আৰু নিস্তব্ধতা জগাই দিলে। সি যেন শৰীৰত বল পালে অন্তৰত চেতনা পালে। এখোজ দুখোজ কৰি সি মাক শোৱা কাঠালিটোৰ ফালে আগ বাঢ়ি গ'ল। বাহিৰৰ পৰা বেৰৰ জলঙ্গাইদি অহা জোনৰ পোহৰত কুঁজা বুঢ়ী মাকৰ বুকত শুই থকা লৰাদুটি তাৰ চকুত জিলিকি উঠিল।

থক খাই সি অলপ ৰ'ল। ওপৰলৈ চাই কিবা কিবিবোৰ

অলপ ভাবিলে। তাৰ গাটো অলপ গৰম উঠাৰ লগে লগে ঘামি উঠিল। সি কিবা এটা আস্বস্তিং বোধকৰি বাহিৰলৈ ওলাই গল। দুৱাৰ খন মেলি বাহিৰলৈ ওলাই জোনটোৰ ফালে চাই সি দেখিলে তাহাতৰ বাৰিত থকা ওখ আমজোপাৰ আঁৰত জোনটো লুকাই পৰিছে। বাহিৰত বোৱা কাতি মহীয়াৰ শীতল বতাহ জাকে আম জোপাৰ পাতবোৰ লৰাই থৈ যোৱাৰ লগে লগেই তাৰ গাটোটো লাগি গল। তাৰ অলপ জাৰ লাগিল। সি আকৌ হাতৰ সাৰে ভৰিত সাৰে ভিতৰ সোমাই গ'ল। বাহিৰত ক'তো অকনো সময় খৰছ নকৰি অতি সন্তৰ্পণে সি চোৰ ছাংখনৰ ভিতৰ সোমাল। মাকৰ শিতানতে থকা সৰু টিণ্ডৰ বাকচটো খুব লাহে লাহে ডাঙি বাহিৰ ওলাই আহিল। চোৰ ছাং খনৰ পৰা নামি মাকৰ টোপনিত লালকাল হৈ থকা মুখ খনিলৈ আকৌ এবাৰ চালে—সেই শেতা মুখ খনি।

বাকচটো খুলি তাৰ ভিতৰত থকা গহনা কেইটা সি উলিয়ালে। গেজেৰাটোৰ তলত আঁৰি থোৱা মণিবোৰ জোনৰ পোহৰত চিক্‌মিক্ কৰি নাচি উঠিল। এটাইবোৰে গহনা উলিয়াই এখন ফটাকানিত সি বান্ধিলে, মাকৰ কাপোৰ কানিবোৰ আকৌ থিক আগদৰেই ৰাখি সি টিনৰ বাকচটো নি মাকৰ শিতানৰ মূৰত আগৰ দৰেই ৰাখি আহি শুই পৰিল।

ৰাতি পুৱাল।

# তিনি

চেনিৰামে সোনকালেই উঠি কৰবালৈ আঁতৰি গল হৰ পাই কেঞ্ৰাঁৰ গোলাললৈ গহনা কেপাট বন্ধক দি কেইটকা মান আনিবলৈ। মাক উঠিল। আনকালৰদৰেই জুইকুৰা ধৰি ধপাত এচিলিম লগাই খাই তামোল এখন খুন্দি খালে। পূবৰ অৰুণ আহি গোটেই পৃথিৱীতে সোণালী কিৰণ পেলাই দিলে। বুঢ়ী-জনী বাহিৰলৈ উঠি আহিল।

"ঘৰত চেনিৰাম আছানে?" এটা মৌজদাৰৰ টেকেলা আৰু ছুটা চিপাহী সোমাই আহি মাত দিলে। বুঢ়ীয়ে সিহঁতক দেখিলে কিন্তু নামাতিলে। একান পতীয়া হৈ বুঢ়ী কেনিবা আঁতৰি গ'ল। সিহঁতে চেনিৰামলৈ খাপ লৈ বহি থাকিল।

অলপৰ পিছত বুঢ়ী ঘূৰিল। সিহঁতক ঘৰৰ আগত বহিথকা দেখি সুধিলে "বোপাইহঁত কাক বিছাৰিছ?"

"আমি ৰজাৰ টেকেলা। চেনিৰামে আজি দুবছৰ খাজনা দিয়া নায়। সেইবাবে আমি ক্ৰোক কৰিবলৈ আহিছো।" টেকেলাটোৱে ক'লে।

"হেৰ বোপাইহঁত মতা মানুহটো ঘৰত নায়েই। মই মাইকী মানুহ জনীয়ে লৰা ছুটা বুকত বান্ধি পৰি আছো। সি আহক তেতিয়া যি কৰ কৰিবিহিহঁক, তহঁতি যাগৈ অ' বোপাই! মোক মৰিয়াই নামাৰিবিহঁত।"

"সেইবোৰ আমি কি-জানো? এমাহৰ আগতেই আমি 'নটিশ' দি গৈছোহি, পুৰহি এমাহ, পুৰ হৈ গ'ল। নিয়মমতে আমি কালিয়েই আহিব লাগিছিল, ভালক বুলি কালিৰ দিনটো বাট চালো। খাজনা নিদিলাগৈ। আমি এতিয়া সেইবোৰ নাজানো।

যদি পাৰা টকা দিয়া নহলে গহনা গন্থা কাঁহি-বাটি কি আছে উলিয়াই দিয়া। নিদিলে আমাৰ গাত দাই নাই হলে, আমি এতিয়া ভিতৰ সোমাম।”

“হেৰ বোপাইহঁত তহঁতৰ ভৰিত ধৰি মাতিছো। মোৰ নো কিটো আছে কিটো দিম। খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, থাকিবলৈ এদোখৰি ছালি নাই। যি পৈতৃক সম্পত্তি কাহী বাটি দুটুকুৰা মান আছিল, তাকো জহনীটোৱে বেছি কিনি খায় অন্ত কৰিলে।” কান্দি কান্দি বুঢ়ীয়ে দুৱাৰ খনত ভেটা দি বহি পৰে।

“তেনেহলে গহনা পাতি কি আছে তাকে দিয়া!” টেকেলাটোৱে কয়।

বুঢ়ীৰ বুকু খনত যেন কিবা এটাই হেছি ধৰে। বোৱাৰীয়েকৰ কাণত জিলিকি থকা কেৰু জোৰ আৰু ডিঙিত জিলিকি থকা গেজেৰাটো বুঢ়ীৰ আগত ভাহি উঠে। সেই কেইটা ক'ত কেনেকৈ টিঙৰ বাকচটোত পৰি আছে সেই কথাও বুঢ়ীয়ে জানে। তথাপি বুঢ়ীয়ে তাক লুকুৱাবৰ যত্ন কৰি ক'লে “বোপাইহঁত মোৰনো কি গহনাবোৰ আছে তহঁতক দিবলৈ। তহঁতক মই কাকুতি কৰি মাতিছো হেৰ তহঁতি আতৰি যা।”

“তেনেহলে আমাৰ ভিতৰহে সোমোৱা হক।” টেকেলাটোৱে কনিষ্টবল দুটালৈ চাই ক'লে।

“অঃ” বুলি সলাগি চিপাহী এটাই তাৰ জেপ আদিত থকা সকলোবোৰ বস্তু উলিয়াই বুঢ়ীৰ কাষত থিয় হৈ ক'লে “হেৰা

বুঢ়ী। তুমি কান্দি থাকিলে গা মুজুৰাই। মোৰ জেপত কিবা কিবি আছেনেকি চোৱা। নহলে মই ভিতৰ সোমাম এতিয়া।”

বুঢ়ীয়ে মাথো বেছিকৈ কান্দিলে। লগতে বুঢ়ীৰ নাতিনীয়েক ছুটায়ো কান্দিবলৈ ধৰিলে। বুঢ়ীৰ শোক নকমা দেখি চিপাহীটো এনেয়ে সোমাবলৈ সাজু হ'ল।

এনেতে এজন চাহাবৰ দৰে পোষাক পিন্ধা মানুহ বুঢ়ীৰ ঘৰৰ ফালে সোমাই আহিল। তেওঁ আছিল এজন বাটৰুৱা। বুঢ়ীজনীৰ কান্দোনৰ লগতে লৰা ছুটাৰো কান্দোন শুনি আলিবাটতেই চাইকেল খনৰ ওপৰতেই উঠি খন্তেক ঠিয় হৈ এই ফালে চাই ৰ'ল। চিপাহী কেইটাৰ কাণ্ডকাৰখানা বোৰ দেখি কথাটোনো কি এবাৰ চাবৰ কাৰণে ভিতৰ সোমাই আহিল। চিপাহী ছুটাই বুঢ়ীৰ লগত হেটা ওপৰা কৰাত মত্ত আৰু আনহাতে লৰা ছুটাৰ সৈতে বুঢ়ীমাক কান্দিব লাগিছে। মানুহজনে পিছফালৰ পৰা চাইকেলৰ বেল বজালে। চিপাহী কেইটাই ঘূৰী চালে বুঢ়ী আৰু লৰা ছুটাৰ কান্দোন খন্তেকৰ বাবে মাৰ গ'ল।

মানুহ জনে সুধিলে “কি হৈছে।”

চেলাম এটা দি অপৰিচিত হাকিম জনক টেকেলাটোৱে ক'লে “দেউতা! এই বুঢ়ীৰ ছুবছৰৰ খাজনা বাকী আছে। সিদিনা আজি এমাহৰ আগতে আমি নটিছ জাৰি কৰি গলো। তথাপি খাজনা নিদিয়াগৈ বাবে হাকিমে আমাক ক্ৰোক কৰিবৰ কাৰণে হুকুম দিছে?”

"ক্ৰোকী পৰোৱানা কোনখন চাওঁ।" মানুহজনে সুধিলে।

কাগজখন উলিয়াই মানুহজনক দি টেকেলাই ক'লে "এইখন।"

"বুঢ়ীৰ আৰু কোনো নাইনেকি?" কাগজখন পঢ়ি মানুহজনে সুধিলে।

"দেউতা বেটিৰ লৰা এটি আছে। সি হ'ল কানীয়া। তাৰ বাপেক থাকোতে আমাৰ জয় জয় ময় ময় অৱস্থা আছিল। গেৰেলাৰ ঘৰ বুলিলেনো দেউতা আগেয়ে কোনে নাজানিছিল, লৰাটোৱে কানি খাবলৈ ধৰি দিনে দিনে এপদ এপদ কৈ বস্তুবোৰ বেছি এতিয়া আনহে নালাগে ভেটিটোও ৰখা টান হলগৈ। সি কৰবাত গৈ কানি খোৱাত মত্ত হৈ আছে গৈ আৰু ইফালে ইহঁতে ক্ৰোক কৰিবলৈ আহি মোৰ ঘৰৰ ভিতৰ সোমাবলৈ আহিছে। মইনো দেউতা এতিয়া কি কৰো?" বুলি বুঢ়ীজনীয়ে কান্দিবলৈ ধৰিলে।

"কান্দিলে কি হব বাই! নাকান্দিবা, ৰজাৰ খাজনাটো দিব লাগিবই।"

"ৰমেশে আগেয়ে শুনিছিল গেৰেলাৰ কথা, তাৰ মনত আছে কেনেকৈ গেৰেলাই সিহঁতৰ কাৰণে পকা পকা ভাল আম আৰু মধুৰীয়াম নি দিছিল গৈ। মানুহৰ পৰিৱৰ্ত্তনৰ কথাবোৰ ভাবি তাৰ খুব বেয়া লাগিল। ৰমেশ গৈছিল এনেয়ে গাৱঁৰ মাজে ফুৰি গাৱঁলীয়া জীৱনবোৰ চাবৰ কাৰণে। কিন্তু সি আহি পৰিলহি এটা দোমোজাৰ মাজত। কানিয়েই অসমক খালে সি এবাৰ

মনতে ভাবিলে। কিন্তু তাৰ প্ৰতিকাৰ কৰাৰ উপাই একো বিচাৰি নাপালে। মাত্ৰ ভাবিলে "শিক্ষাহীন মানুহৰ জীৱন এনেকুৱাই হয়।"

"খাজনা কিমান হে।" টেকেলাটোক ৰমেশে সুধিলে।

"দেউতা খাজনা যোৱাবছৰৰ আঢ়ৈ টকা, এই বছৰৰ আঢ়ৈ টকা, মিলন তিনিটকা, আৰু টেকেলা অনাৰ খৰছ তিনি টকা সৰ্ব্বমোট এঘাৰ টকা।"

"টেকেলা অনা খৰছটো কেলেই খাজনা দিওতাই ভৰিব লাগিব কিয় ?" ৰমেশে সুধিলে।

"দেউতা সিহঁতে খাজনা নিদিয়াৰ বাবেহে টেকেল৷ আনিব লগাত পৰে।"

"অ' হয়নেকি ?" ৰমেশ কিবা এটা ভাবিলে, তাৰ পিছত জেপৰ পৰা দহটকাৰ নোট এখন উলিয়াই টেকেলাটোৰ হাতত দি ক'লে "ৰছিদ দিয়া।"

কোনোমাত নমতাকৈয়ে টেকেলাটোৱে ৰছিদ এখন লিখি ৰমেশৰ হাতত দিলে।

"তোমালোকে টকা পালা নহয় ?"

"হয়।"

"তেন্তে যোৱা এতিয়া" ৰমেশে ক'লে। কোনো কথা নোকোৱাকৈয়ে টেকেলাটোৱে আৰু চিপাহী দুটাই ৰমেশক চেলাম এটা দি তাৰ পৰা আঁতৰিল।

ইমান দেৰি কি হৈছিল বুঢ়ীয়ে একো গমেই ধৰিব পৰা

নাছিল। দীঘল ওৰণীৰ খনৰ তলত মাত্ৰ বুঢ়ীয়ে উচুপি আছিল

"এইখন খাজনা দিয়া ৰছিদ বাই লোৱা" ৰছিদখন ৰমেশে বুঢ়ীৰ ফালে আগবঢ়াই দিলে।

"দেউতাই কি কৈছে?"

"তোমালোকৰ দুবছৰৰ খাজনাটো মই দিছো। এয়া লোৱা।"

বুঢ়ীয়ে আচৰিত হৈ ওৰণীখনৰ তলৰ পৰা মুখখন উলিয়াই ৰমেশক এবাৰ চালে। খাজনা দিয়া ৰছিদখন ৰমেশৰ হাতত জিলিকি আছে। ৰমেশৰ প্ৰতি কি কৰা উচিত বুঢ়ীয়ে একো বিচাৰি নাপালে। লৰা কেইটায়ো কিবা এটা ভাৱত বিভোৰ হৈ ৰমেশৰ মুখলৈ একেবাহে চাই ৰল।

"এয়া ৰছিদ লোৱা—মই যাওঁ।" খন্তেক পৰ অপেক্ষা কৰি ৰমেশে ৰছিদখন বুঢ়ীৰ ওচৰত দি যাবলৈ সাজু হল।

"দেউতা বেটিক দয়া কৰি খন্তেক ৰক।" বুলি ভিতৰলৈ উঠি গল। ৰমেশ বাহিৰতে থিয় দি থাকিল। লৰাকেইটাই ৰমেশৰ ক'লা চিকচিকিয়া চাইকেলখনলৈ চাই হাঁহিলে।

"তোমাৰ মাম কি?" লৰা এটাক ৰমেশে সুধিলে। গাটো তিনি ভেঙ্গুচা কৰি লাজৰ হাঁহি এটা মাৰি সি উত্তৰ দিলে "কেৰ"। আৰু তোমাৰ? সিয়ো থিক সেইদৰেই উত্তৰ দিলে "গেৰ।" "স্কুলত পঢ়িছানে?" ৰমেশে সুধিলে।

"হয়—নাই পঢ়া" হালেই উত্তৰ দিলে, ।স যেন এটা গৌৰৱৰ হে কথা।

কুঁজাবুঢ়ী জনীয়ে কুঁজাকুঁজ কৈয়েই মূৰৰ শিতানত থকা টিঙৰ পেৰাটো উলিয়াই আনি ৰমেশক ক'লে "দেউতা ইয়াতে বস্তু এটা আছে—আমাৰ সেই হতশ্ৰী হঁতি জনীৰ, ই মোৰ হাতত নিৰাপদ নহয়। আপোনাৰ হাতত দি পঠিয়াও, আপুনি যেয়ে নহক ভবিষ্যত লৰা হালক চকুমেলি চাব। বস্তু বিচৰাৰ লগে লগে বুঢ়ীয়ে আকৌ ক'লে "দেউতা! আপোনাক মই চিনি পাইছো। আঐ দেহি দেউতাকৰ গঢ় গোটেইটোকে কাঢ়ি ললে।"

কথাষাৰে ৰমেশৰ মুখত হাঁহি বিৰিঙালে।

হথাতেই বুঢ়ীৰ বুকুখন ছিৰিং কৰি উঠিল।

"দেউতা ইয়াতে থৈছিলো নহয়? বুঢ়ীক যেন আকৌ শোকে খুন্দামাৰি ধৰিলে। বুঢ়ীয়ে আকৌ ভালকৈ বিচাৰি নাপায় কান্দি কান্দি ক'লে "দেউতা হতশ্ৰী হোৱাই মোক আকৌ বুকত এই কামোৰ মাৰিলে। কালি গধূলী শোওঁতে বস্তুটো আছে, বন্দি জহনী যোৱাই ৰাতিৰ ভিতৰতে সৰকালে হবপাই" বুলি বুঢ়ীয়ে আকৌ উচুপি উচুপি কান্দিবলৈ ধৰিলে।

"কি বাই।" ৰমেশে সুধিলে।

"দেউতা কিনো কম। বোৱাৰীজনীৰ গেজেৰা এটাই কেৰু এজোৰে আছিল। বন্দি নাওঙ্কমুৱাই তাৰো মুদা মাৰিলে।" বুঢ়ীয়ে হুক্ হুক্ কৰি মাথো কান্দিলে। ৰমেশে বুঢ়ীক বুজাবৰ

একো উপাই নাপাই "বাই নাকান্দিবা" বুলি আকৌ চাইকেলত উঠি গুচি গল।

## চাৰি

কানিৰ দোকানত উপস্থিত হৈ চেনিৰামে "ৰামলাল" মহলদাৰক মাতিলে। গেৰেও গেথেও কৰি ৰামলাল উঠি আহিল।

"দেউতা! নমস্কাৰ" চেনিৰামে হাঁহি এটি মাৰি ক'লে। মহলদাৰে হাঁহিতেই বুজিব পাৰিলে কিবা এটা ভাল বস্তু আহিছে।

"ক্যা হোৱা।" অলপ গহীন হৈ ৰামলালে সুধিলে।

"কি হোৱেগা দেউতা! কোনোমতে দুটা জিনিছ আনাহে। যদি দেউতাই দয়া কৰেগা মই জী যায়েগা।"

"ক্যা জিনিছ?" গোফ পকাই ৰামলালে সুধিলে।

কাপোৰৰ তলৰ পৰা ইফালে সিফালে চাই চেনিৰামে থুৰিয়া জোৰে গেজেৰাটোৱে উলিয়াই ৰামলালৰ হাতত দিলে।

"খুব ধুনীয়া বস্তু। কতা খাৰখোৱা অসমীয়া তই ইয়াৰ মোল মুবুজিলি।" ৰামলাল মহলদাৰে মনতে ভাবিলে। তথাপি দৰদাম কৰিবৰ বাবে সুধিলে এনেয়ে।

"কেত্তনা দাম লাগেগা?"

"দেউতা। মই জিনিছটো নাই বেছেগা। খালি দেউতাকা পাছমে বন্ধক ৰাখেগা। যব হামৰা নছিব আহেগা তব হাম লই যায়েগা," চেনিৰামে ক'লে।

"কেতনা ৰূপীয়ামে বন্ধক ৰাখেগা।"

ভগা হিন্দিৰে চেনিৰামে উত্তৰ দিলে "তিনিকুৰি ৰূপ দিয়ক। ইয়াক বেছিলে অন্ততঃ দুশ টকা দিব। গতিকে এতিয়া বাবুৰ হাতত থক। মোৰ বস্তু বাবুৰ হাতত থকা যি মোৰ হাতত থকাও সি। আমি কিবা এদিনিয়া মানুহনে ?"

"তেনেহলে মই ৰাখিব নোৱাৰো তুমি আন ঠাইত থোৱাগৈ।" মহলদাৰে হিন্দিত কলে। চেনিৰামে ভগা হিন্দিত আৰু মহলদাৰে হিন্দিত কথাবোৰ কৈ যায়।

দেউতাই নো কিমান দিব খোজে ?"

"মই কিমান দিম আৰু অতি বেছি ডেৰকুৰি।"

হঠাতেই ৰমেশ গৈ তাত উপস্থিত হয়। তেওঁৰ ইচ্ছা কানিয়াবোৰৰ নো কেনেধৰণৰ অৱস্থা তাক এবাৰ চাবৰ। মহলদাৰে ৰমেশক দেখামাত্ৰকে গহনা দুটা তাৰ ছোলাৰ তলত লুকুৱাবৰ যত্ন কৰে। চেনিৰামে কেৰমেচা-কেৰমেচি কৰি ইফালে সিফালে এনেয়ে চায়। জীৰ্ণ শীৰ্ণ কানিয়াটোৰ প্ৰতি চকুদিওঁতেই ৰমেশৰ চকুত সেই গেজেৰা আৰু থুৰীয়া জোৰ ধৰা পৰে। তেওঁৰ মনত সন্দেহ উপস্থিত হয় কিজানি ই বুঢ়ীৰ পুতেক বুলিয়েই।

"তোমাৰ নাম কি" অলপ ওচৰলৈ গৈ ৰমেশে সুধিলে।

"মোৰ নাম চেনিৰাম" কানিয়াটোৱে উত্তৰ দিয়ে। সেই চলতে মহলদাৰ ভিতৰলৈ উঠি যাবৰ বাবে যত্নকৰা দেখি ৰমেশে তেওঁলৈ চাই ক'লে "খন্তেক বহাছোন।" মহলদাৰটোৱে ঢপঢপাই উঠা বুকুখন অলপ শাঁত পেলাবৰ কাৰণে দীঘলকৈ এটা গৰম উশাহ লৈ বহি পৰিল। তাৰ কান দুখন ৰঙা পৰিল।

"তুমি যে এতিয়া বস্তু এটা লুকুৱাবৰ যত্ন কৰিছিলা সেইটো কি বস্তু আছিল হে মহলদাৰ" ৰমেশে সুধিলে।

"নাই বা-বু—। এটা মোৰ নিজা মাল আছিল।" থোকা থোকি মাতেৰে সি ক'লে।

"তোমাৰ মাল—ইয়াৰ আগত উলিয়াইছিলা কিয় ?"

"ই কিনিব খুজিছিল।"

"কি মাল আছিল চাওঁ।"

"এটা গেঞ্জেৰা আৰু এজোৰ থুৰীয়া" কানিয়াটোৱে ক'লে খুব ভয়েৰে।

"চাওঁ মালটো উলিওৱাছোন।"

অগত্যা বাধ্যহৈ মহলদাৰটোৱে তাৰ 'ফতহু' চোলাটোৰ তলৰ পৰা বস্তু দুটা উলিয়াই দিয়ে। সুন্দৰ বস্তু দুটা—কানিৰ অভাৱত তাক বিক্ৰী কৰিবলৈ আনিছে। ৰমেশে বস্তু দুটা হাততলৈ খন্তেক চালে।

"তুমি জানো কিনিবলৈ টকা আনিছা।" কথাটো কি বুজিব পৰা বাবেও ৰমেশে সুধিলে চেনিৰামক।

"অনা নাই দেউতা। যদি ভাল দেখো নিয়াৰ বন্দৱস্ত কৰিম পিছত।"

"বুজিছো—বস্তুকেইটা মই কিনিলম। তোমালোক দুয়ো আহাছোন মোৰ লগতে।" ৰমেশে কানিয়াটোক আৰু মহলদাৰক ক'লে। সিহঁত দুয়োটাই ইটোৰ চকুলৈ সিটোৱে এবাৰ চালে।

"বাবু! মই এতিয়া দোকান এৰি থৈ যাব নোৱাৰিম।" মহলদাৰে ক'লে।

"তেন্তে মই মাল ছুটা লৈ যাওঁ .যি দাম হয় দি যামহি, অলপ পিছতে।"

"আপোনাক আমি চিনি নাপাওঁ গতিকে দি পঠোৱা টান।"

ৰমেশে সিহঁতক বাধ্য কৰালে আহিবলৈ।

অসম আজি দুখীয়া। কিহৰ বাবে দুখীয়া? এতোলা কানিৰ লগত আজি একোটা অসমীয়া মানুহ মৰিশালিত পৰিণত হৈছে। তাৰ সম্পত্তি গৈছে ধন গৈছে আৰু লগে লগে তাৰ মান ইজ্জত সকলো নাইকিয়া হৈছে। এই বিদেশীবোৰে এটোপা এটোপা কৈ অসমীয়াৰ তেজ.সুহি সুহি খাই সিহঁতৰ পেট মূৰ ডাঙৰ কৰিছে। ৰমেশে কথাবোৰ মনতে ভাৱে। আৰু কিছুমান অন্ত নোহোৱা ভাৱে ৰমেশৰ মূৰত খেলি মেলি লগাই। ৰমেশে হঠাতেই বুঢ়ীজনীৰ ঘৰৰ জপালখন মেলি সোমাই যায়।

"দেউতা ক'ত সোমাইছে?" মহলদাৰটোয়ে ৰমেশক সোধে।"

"আঁহা এইটোৱেই মোৰ ঘৰ।" ৰমেশ সোমাই যায়, সিহঁতেও কিবা এটা সঙ্কোচ ভাৱেৰে সোমাই যায়।

"বাই" বাহিৰত থাকি ৰমেশে মাত দিলে।

কেকোজেকো কৈ বুঢ়ী ওলাই আহিল। বুঢ়ীৰ চকুৰলো তেতিয়াও মাৰ যোৱা নাছিল। এটা হুমুনীয়াৰে সৈতে বুঢ়ীয়ে দুৱাৰ মুখলৈ ওলাই আহি মাতিলে "ঐ—দেউতা।"

"এইটো তোমাৰ পুতেৰ হয়নে? ইয়াৰ নামবোলে চেনিৰাম।"

"হয়!" বুলি সলাগি "অ' বন্দি বৰ জহনীত যোৱা, তই মোৰ মূৰটো কেলেই ছোবালি" বুলি পিতেকক গালি পাৰিবলৈ ধৰোতেই ৰমেশে ক'লে।

"বাই এয়া তোমাৰ গহনাবোৰ হয়নে?"

অলপ ভালকৈ চকু ফুৰাই বুঢ়ীয়ে ক'লে "দেউতা ঐ কেলেইনো নহয়, উস্ ৰাম ক'তনোপালেগৈ।"

"মহলদাৰ!"

"বাবু!"

"তুমি এই মানুহজনীৰ এইহেন একোটা মাল কিয় আধা-মূলীয়াকৈ লবৰ যত্ন কৰিছিলা? তোমালোকে কানি বেছি অসমীয়াক খায়ো হেপাহ নপলাই অসমীয়াৰ তেজ, হাৰ, মগজু সকলোবোৰ হুহি হুহি খাবৰ উপক্ৰম কৰিছা নহয়?"

"বাবু! মই কি কৰিম? সি নি দিছে মই নো আৰু নলৈ পাৰোনে?"

"তুমি তাক টকা দিলানেকি?"

"হয়! বাবু দিছো"

"কিমান দিছা?"

"দুই কুৰি।"

"হেৰি মহলদাৰ! আপুনি মিছা কথা কিয় কৈছে? আপুনি মোক কেতিয়া টকা দিছে? মই আপুনি দুয়ো একেলগে

আহিছো নহয়—মোৰ হাতত টকা কোনা দেখুৱাই দিয়কছোন ?” চেনিৰামে খঙৰ সুৰত মহলদাৰক কয়।

“ঐ বেছি কথা নাইকবি। মই এতিয়া তোক দুই কুৰি টকা দিয়া নায় ?” মহলদাৰে চেনিৰামক কয়।

“তেনেকুৱা মিছা কথা কবলৈ নাহিবাহে মহলদাৰ। মই তোমাৰ গাত ধৰি শপট খাইছো, তোমাৰ আঁৰ হবলৈকে মই তোমাৰ পৰা টকা লোৱা নায়।”

“বেছি কথা নকবা। নাই মোক টকা দিয়া নাই মোক গহন দুদাল দি দিয়া।”

“দেউতা ! মই টকা এটাও লোৱা নায়, চকচোন এইটোৱে কেনেকৈ চেক্ চেক্ কৰে ধৰিছে।” চেনিৰামে ৰমেশক গোচৰ দিয়ে। ৰমেশে সকলোবোৰ কথা জানে। মহলদাৰৰ বৰ কথা শুনি তাৰ খং উঠে আৰু আনহাতে অসমীয়াৰ সৰল শপতত বিশ্বাস দেখি মনত এটা হাঁহিৰ ৰেখা বিৰিঙ্গি উঠে। বুঢ়ীয়ে মূৰে কপালে হাত দি অতি বেজাৰ মনেৰে সিহঁতৰ বাক বিতন্দাবোৰ শুনে।”

“তুমি ইয়াৰ পৰা কিবা ৰছিদ লৈছিলানে টকা দিয়াৰ বাবে ?” ৰমেশে মহলদাৰক সুধিলে।

“বাবু ! মোৰ চিনাকি মানুহ। সদায়েই মুখৰ কথাতেই টকা অনা নিয়া কৰি থাকে। এতিয়ানো আকৌ কিহৰ ৰছিদ লম।”

“তুমি জনা উচিত আছিল। আজি আইনৰ যুগ। তুমি ৰছিদ নোলোৱাকৈ ইয়াক টকা কিয় দিছিলা ? যদিও দিছিলা এতিয়া সেই টকা তুমি আৰু নোপোৱা।”

হয় দেউতা। মই টকা লোৱা নাই। লৈ পেলাই তাৰ আগত কিয় মিছাসাৰ মাতি পাতক আৰ্জি লওঁ। মই দেউতা আপোনাৰ গাৰ আঁৰ হবলৈকে বউৰ মূৰ খাবলৈকে আৰু এই লৰা ছোৱালী কেইটাৰ···

"ধেৎ নাপায়।" কিবা এটা যেন অপকাৰ আছে ভাবি ৰমেশে তাক দাবি দিয়ে। চেণিৰাম মনেমনে থাকে।

"তেনেহলে বাবু। মোৰ টকা না—পাম।"

"নোপোৱা।" ৰমেশে মহলদাৰক ক'লে।

"বাৰু। তই মোৰ তাৰ পৰা কানি আনিবলৈ যাবি ৰ। মই তোক দেখিম বাৰু। মই-বাবু যাওঁ। দোকান বন্ধ আছে।"

"যোৱাৰ আগতে তুমি শুনা" ৰমেশে মহলদাৰক ক'লে, "তুমি ইয়াক টকা দিয়া নাছিলা সেই কথা মই বেছকৈ বুজিছো। মই গৈ পোৱাৰ আগলৈকে তোমালোকে দৰ দাম কৰাতেই আছিলা। টকা সঁচাকৈয়ে ইয়াক দিয়া হলে তোমাৰ টকা নেহেৰালে হেতেন। তুমি মিছা কৈছা গতিকে টকা নোপোৱা। তুমি অসমত জন্মিছা অসমতেই থাকি তোমাৰ জীৱন পোহপাল কৰিছা আৰু সেই অসমীয়াকেই মাৰি কাটি তোমালোকে খাবৰ উপক্ৰম কৰিছা। তোমালোকে তোমালোকৰ সাধ্য অনুসৰী যত্নকৰি অসমীয়াক ঠগীব খোজা। কিন্তু সেইটো কৰা তোমালোকৰ ভুল। অসমীয়াবোৰ চহকী হলেহে তুমিও চহকী হোৱাৰ আশা। লোকক মাৰি ঘটা ধন চিৰস্থায়ী নহয়।

গতিকে তুমি যোৱা আজিৰ পৰা কোনো অসমীয়াক এনে ব্যৱহাৰ নকৰিবা বুজিছা ?”

“হয় বাবু—চেলাম” মহলাদাৰটো তাৰপৰা আঁতৰ হয়।

“মই দেউতা ইয়াৰ পৰা সঁ চাকৈয়ে এটা কণাপায়ো লোৱ নাই।”

“বাৰু বুজিছো—” “বাই এয়া তোমাৰ গহনা লোৱা।” “চেণিবাম তুমি কালিলৈ পাবা বা আজিয়েই পাবা আমাৰ ঘৰৰ পৰা এবাৰ আহিবা তোমাৰ লগত মোৰ বিশেষ কথা আছে. মই যাওঁ এতিয়া।”

বিদায়লৈ ৰমেশে যাব খোজোতেই বুঢ়ীয়ে মাতিলে “দেউতা !”

“কি কবা বাই !” ৰমেশ থমকি ৰ’ল।

“ৰমেশৰ ভৰিত ধৰি বুঢ়ীয়ে সেৱা এটি কৰিবৰ কাৰণে আগ বাঢ়ি গল “ছিঃ ছিঃ নাপাই” বুলি ৰমেশ আতৰি বুঢ়ীক তুলি ধৰি কলে “কি কব খুইছা কোৱা বাই।”

“কিটোনো কম—আপুনি ভাগ্যৰ বলত আহি মোৰ গহনা কেইপাট ঘুৰাই আনি দিলে। কিন্তু এইবোৰ মোৰ হাতত থাকিলে আৰু নাথাকে। গতিকে এখেতেই লৈ গৈ ৰাখক। সময়ত বেটি জীয়াই থাকিলে খুজি আনিম। নতুবা লৰা কেইটা ডাঙৰ হলে আনিবগৈ। এই নাওঁ মুমুৰাটোৰ হাতত কিন্তু কেতিয়াও নিদিব।”

বুঢ়ীৰ গহনা কেই পাত হাতত লৈ ৰমেশে কিবা এটা কথা

খন্তেকৰ কাৰণে ভাবিলে। "বাৰু" বুলি তাৰ পিছত বস্তু কেইটা জেপত ভৰাই ৰমেশ চাইকেলত উঠিল। চেণিবামে তলমুৰ কৰি থকাৰ পৰা মূৰটো ডাঙি এটা হুমুনীয়া পেলাই ৰমেশৰ ফালে এবাৰ চালে। বুঢ়ীয়ে এনেয়ে কৈ গল "এওঁ মোৰ কোনো বা কালৰ পো আছিল।" বুঢ়ী ভিতৰ সোমাল চেণিৰামে কাণিৰ হোকাটো বেৰতে আউজাই থৈ মনটো মাৰি চোতালতে বহি পৰিল।

## চাৰি

"বাইদেউ! ঘৰত আছানে?"

আৰতীয়ে শুই উঠি কামবন কৰি এটাই গাটো ধুই চাহ-পানী টোপাৰ তলতজুই কুৰা দি থাকোতেই ৰূপহী আহি মাত দিলেহি। মাতটোতেই বুজিব পাৰি আৰতীয়ে ক'লে "আছো আঁহা ভিতৰলৈকে।"

"মই আকৌ তুমি শুয়েই উঠা নাইকিয়া বুলিহে ভাবিছিলো" ভিতৰ সোমাই যোৱাৰ লগেলগে আৰতীয়ে ৰূপহীকে কয়।

"থোৱা দেওহে আমি কিবা নগৰীয়া ছোৱালীনে? কি বোলে চাকৰ নাকৰ বোৰ আছে সকলোবোৰ কাম বন কৰি মুখৰ আগত এগাল বাঢ়ি দিব থাম।"

ৰূপহীক বহিবলৈ পীৰা এখন জুহালৰ কাষতেই পাৰি দিয়াৰ লগেলগে আৰতীয়ে কয়।

"আমি আকৌ তেনে খন সুখৰ ভাত নাখালেহে পাৰিছে আইহে।" হাঁহি এটা মাৰি পীড়া খনত ৰূপহী বহাৰ লগতেই কথাষাৰৰ উত্তৰ দিয়ে।

"তোমাৰ বোলে বিয়া পাতিছা" হাঁহি এটা মাৰি আৰতীয়ে সোধে ৰূপহীক।

"ইহ্ কোনেবা ক'লে এওঁক।" লাজ আৰু আনন্দৰ হাঁহি এটা মাৰি ৰূপহীয়ে সোধে।

"উ আই শুনিছো দেখি হে কৈছো।"

"মিছা কথা"—"হয় হয় মিছা কথা—মোৰ আগত ভুৰ দি জানো সাৰিব পাৰিবা? মোক সোধাছোন গোটেই গাওঁত কি কি হৈছে মই কৈ দিব পাৰোনে নোৱাৰো ছোৱা?" গৰ্ব্বকৰাৰ দৰে আৰতীয়ে কয়।

"বাৰু কি কি হৈছে কোৱা?"

"কালি ৰাতিপুৱা কেহ মনৰ ঘৈনীয়েকে ল'ৰা এটা পাইছে. মকৰাৰ 'বহাগী' বোলা ছোৱালী জনী শান্তি হৈছে—আৰু কত কি?"

"আৰু কি?"

"আৰু কি আৰু তোমাক বিয়া দিবলৈ খাটোৱালৰ পৰা কবিৰাম সাতোলাই জোৰ কৈ ধৰিছে।"

"ইহ্ এই জনী—তোমাক বাৰু কেহ মনৰ ঘৈনীয়েকে লৰা এটা পালে বুলি কোনে ক'লে?"

"চৰায়ে— " দুয়ো মাথো হাঁহে।

"আৰতী" পিতাক গা ধুই আহি মাতে।

"পিতাই গৈছো—" "তুমি অকনমান বহাছোন দেই পিতায়ে মাতিছে মই গৈ আহো বুলি আৰতী উঠি যায়, ৰূপহীয়ে পানী তলৰ জুই দাল বঢ়াই দি এনেয়ে কিবা এটা মনে মনে গুন্ গুন্ কৰি গায়। আলপৰ পিছতেই আৰতী ঘুৰি আহি গানটো শুনি কয়, "আনন্দত ইমাননো অধীৰ হৈ পৰিছা কিয় ?"

"এনে লাজ নাই কিয়া এইজনী" হাঁহি মুৱা খং এটাৰে ৰূপহীয়ে আৰতীক দাবি দিয়ে।

"মই পিতাইক চাহ এটোপা দি আহো তুমি বহা" বুলি আৰতীয়ে চাহ বাকোতেই ৰূপহীয়ে সোধে "খুৰীনো কলৈ গ'ল ?"

"ভৰিহাত ধুবলৈ যাব পায়।" আৰতীয়ে কয়।

চাহ জলপান পিতাকক দি আহি আৰতীয়ে মাকলৈ খন্তেক অপেক্ষা কৰোতেই মাক আহি পাই সোধে "আৰতী ৰূপহীক চাহপানী এটোপা দিছনে ?"

"তই আহ আকৌ একেলগে খাওঁ।"

"তইঁতে খা—মোৰ গা ধোৱা দেৰি হব।"

"এৰা আমি খাওঁ কালি ফুলটো মোৰ আধাৰছা হৈ থাকিল নহয়।" বুলি ৰূপহীয়ে কোৱাৰ লগতে চাহ জলপান যোগাৰ কৰি দুয়ো খাই উঠি যায়।

"এয়া ছোৱা—চাৰি ঘৰ তুলিবা এঘৰ পেলাবা আকৌ চাৰি ঘৰ তুলিবা চাৰি ঘৰ পেলাবা" আৰতী ওচৰতে বহি

ফুল এটো বাছিবৰ কাৰণে ৰূপহীক শিকাই আৰু ভুল লগা ঠাই বোৰত শুধৰাই দিয়ে। এনেতে গাৱঁৰ মালতীয়ে হাতত ছুদাল সলা আৰু উলৰ মোজা এজোৰ আধা গঁঠা কৰি লৈ আহি আৰতীৰ ওচৰত উপস্থিত হয়হি।

"তুমি আৰু কম নহয় দেওহে—ৰাতি পুৱাবলৈ পালেহে তাত খন তৰিলাই, এয়ো কম নহয়—ৰূপহী কালি তই ইয়াতে থাকিলিনে কি অ'?"

"ইহ্ তেওঁহে যেনিবা নেমেলে—এতিয়া লোকক মেলা দেখি হিংসাটো ছোৱা।"

"হিংসা কৰা নাই আইহে ভাল দেখিহে কৈছো। এই এইজনী নামাত কেলেই?" মালতীৰ প্ৰশ্নৰ কোনো উত্তৰকে নিদিয়া দেখি ৰূপহীৰ গাত ঘোকোট এটা মাৰি মালতীয়ে সোধে।

"ৰ-চোন ৰ—নাই থকা।" খুব একান্তমনেৰে ফুল এটা বছাত মগ্ন থাকি মালতীৰ প্ৰশ্নটোৰ উত্তৰ চমুৱাই দিয়ে ৰূপহীয়ে।

"এই জনীৰ মুখৰ মাত এষাৰ পাবলৈকে টান পাইহে" গোজোৰা এটা মাৰি মালতীয়ে কয়।

"অ' আই হবটো—ৰূপহীয়ে লোকে যি ৰূপহ ডেকাক স্বামী পাইছে তুমি হবলা তেনে নকৰিলা হেতেন।" আৰতীয়ে খেমেলীয়া ভাৱে কথাটো কয়।

"অ' হয়নেকি ? তুমিলো আকৌ ক'ত গম পালা—এবা ভালেটোহে—আজিৰ ৰূপহী আগৰ ৰূপহী নহয়—"

"তোমালোক এনে বেয়া দেৱ। এনে খন কৰিলে মই আৰু গুছিহে যামগৈ। এই বাইটি জনী এনে লাজ নাইকিয়া হয়—!"

তিনিও হাঁহে।

'অ' মোৰ মোজাজোৰৰ ধোন গোৰোহাটো ভাঙিব পৰা নাই, তুমি শিকাই দিয়ামতে বাকীবোৰ হল এতিয়া গোৰোহাটো ভাঙিবলৈ পাহৰিলো," মালতীয়ে হাতত লৈ অহা মোজাপাত আৰু উলটো আৰতীৰ ফালে আগবঢ়াই দিয়ে।

"পাৰিবা অলপ কথা আছে। অলপ ভালকৈ মন দিলেই পাৰিবা, মই ভাঙ্গি যাওঁ বাৰু তুমি চাই যোৱা।"

চটাই ধাৰী এখন আনি আৰতী আৰু মালতী একেখন ধাৰিতে দুয়ো ওচৰা ওচৰি হৈ বহিপৰে। আৰতীয়ে মোজা পাতৰ গোৰোহাটো ভাঙ্গি যায় মালতীয়ে চাই থাকে।

"তুমি সকলো কামতে বৰচাৰ দেওহে।" কামটো হৈ এটালত মালতীয়ে আৰতীক কয়।

"কিটোনো চাৰ ? দুই এটা কাম তাহানিয়েই শিকিছিলো। এতিয়া সে:য় অলপ কামত আহিছে। আমাৰ হাকিমনী হঁতে যি সুন্দৰ সুন্দৰ কাম কৰে সেই বোৰৰ মাজত আমিনো কোন কুটা ?"

"এঃ সেই বোৰৰ কথা বাদ দিয়া।"

"অ আৰতী—কোমল ধান দুটামান বহাব লাগিছিল নহয়। ধানদোৱাৰ দিনত দাৱনীক খুৱাব লাগিব জলপান একোটা। নহলে নোখোৱা নোবোৱাকৈ পকাৰ'দ পিঠিত পেলাই সিহঁতি কিমান কাম কৰিব!"

"অঁ বহাওঁ—।"

"আৰু ধোন এমাহ আছেই ধান দোৱালৈ তোমাৰ ধান এতিয়াই বহাবৰ হলনে?" তাঁতৰ পৰা মূৰটো দাঙি ৰূপহীয়ে সোধে।

"আৰতী কিবা আমাৰ নিচিনা ছোৱালীনে? লোকে আগৰ কাম আগতেই কৰি থয়।" মালতীয়ে কয়।

আৰতীয়ে মালতীৰ কথাষাৰলৈ মন নকৰি ৰূপহীক লক্ষ্য কৰি কয়—

"আঘোনত ধোন তোমাৰ বিয়াতেই ব্যস্ত থাকিব লাগিব। এতিয়াৰ পৰাই যদি তালৈ সাজু হৈ নাথাকো তেন্তে কেনেকৈ হব?"

"ওঁতো তুমি ঠিক ধৰিলা" মালতীয়ে উজান দিয়ে।

"তোমালোকে আৰু তাকেহে চিনি পোৱা।" খং মূৰাকৈ ৰূপহীয়ে কয়।

"উ আই—বেয়া পালানেকি?" মালতীয়ে সোধে ৰূপহীক।

"থোৱা দেওহে বেয়া পাব সেয়া আমাক দেখুৱাইছেহে—

আমি লাজ নাইকিয়া বুলি কওঁ বুলি ভাবি।" আকৌ তিনি জনীৰ মাজত হাঁহিৰ এটা ৰোল উঠে।

"ৰবা দেও মই ধান কেইটা বহাই থৈ আহো বুলি আৰতী ভিতৰলৈ উঠি লৰমাৰে। মালতী আৰু ৰূপহী দুয়ো দুয়োৰ কামত ব্যস্ত।

বেলি দুপৰ হল। মালতী আৰু ৰূপহীয়ে আৰতীৰ পৰা বিদায় লৈ ঘৰৰ ফালে খোজ ললে। আৰতীয়ে চোতালত নগা ধাৰি কেইটামান পাৰি ধান বোৰ পাতলকৈ মেলি দিয়ে।

## পাঁচ

অঘোনৰ মাজ ভাগ।

সোনবৰণীয়া ধাননী পথাৰখন বহুত দূৰলৈকে জিলিকি থাকে, মাজে মাজে কুজা হৈ ধানদোৱা দাৱনীবোৰ, কান্ধত ভাৰ বৈ লৈ যোৱা ডাঙৰীবোৰৰ মৌসনা মাত। হাঁহি খিকিন্দালিৰ মাজেদি দাৱনীবোৰে পথাৰত ধান দায়। বহুত দূৰৰপৰা কোনোবা ডেকাৰ এটি বিহু গীত উটি আহে—

"চাইনো চাই থাকিলে হাবিয়াস নপলাই।
নাখালে নুগুছে ভোক।
যেন সৰি যাব বালি হাটৰ বেঙ্গেনা -
দলিয়াই দি যাবা মোক"

"ধানৰ কাচিৰ কৰচ কৰচধান কটা শব্দটো খন্তেকৰ বাবে বন্ধ হৈ যায়। সকলোৱে গীতটো এবাৰ কাণ পাতি শুনে 'বেছ ধূনীয়া মাতটি' কোনোবা এগৰাকীয়ে তাৰ

মাজৰ পৰা মত প্ৰকাশ কৰে। ওচৰত থকা এজনী গাভৰুৱে কৈ উঠে কিয় আমি গাব নোৱাৰোনে কি? ধৰ অ' কলিমতী আমিও এটা সিঁতক গাই শুনাও”

“আমাৰে ধাননি দেখিবলৈ শুৱনী
চৰাই পৰি পৰি খায়
আমাৰে চেনাইটি দেখিবলৈ শুৱনা,
ডাঙৰী কঢ়িয়াই যায়।

“এইৰ মাতটোও বৰ মিঠা” বগীয়ে কলিমতী হঁতৰ গীতটো শুনি কয়।

“নামত কলীমতী, তাঁত আৰু হাতৰ কামত আৰতী”। এই দুজনীক আৰু আৰু কোনেপায়।” ধান দোৱা মুঠিটো থিয় কৈ বান্ধি লগৰে এজনী বোৱাৰীয়ে কয়।

“মই ৰবাবটেঙ্গা এটা কাঁটো গৈ দেই—মোৰ হলে বৰ পিয়াহ লাগিছেদেওহে” মালীয়ে কথাষাৰ কোৱাৰ লগে লগে অলপমান আঁতৰি আহি তাই টেঙ্গা এটা কাটিবলৈ ধৰে। এটাই কেইজনী গোটখাই টেঙ্গা খাবলৈ বহে অলপ পিছতেই কেহমনে অলপ আতৰেদি এভাৰ ডাঙৰী কঢ়িয়াই নিয়ে।

“অ ককাইটি!” কেহ মনক দেখি মালতীয়ে মাতে।

“কি হ'ল অ” কান্ধখন সলোৱাৰ লগতে অলপ বৈ কেহমনে সোধে।

‘নবৌ ধান দাবলৈ আহিছেনে নাই অহা অ'? মালতীয়ে সোধে।

“কেলেই?—আহিছে।”

"এনেয়েহে সুধিলো বোলোবা ঘৈনীয়েৰে লৰা পাই দিয়া-দেখি ধান দাবলৈ নপঠিয়ায়।"

"তই আগলৈ লৰাপালে তোৰ গিৰিয়েৰে তোক ধান দাবলৈ নপঠিওৱাকৈ ৰাখিব পাৰে আমি আকৌ কেনেকৈ পাৰিম পাই।"

"ধেৎ জহনীটো—"মালতীৰ কথাষাৰত এটাই কেওঁজনীয়ে হাঁহে।

"তেনেহলেনো কেলেই সুধিছ? বুলি কেহমনে আকৌ যাবলৈ ধৰে।

"অ, শলীয়াৰ ঘৈনীয়েক জনী বোলে বৰহেনো এলাইবাত্ন তিৰোতা তইঁতি কোনোবা চাবলৈ গৈছিলিনে কি অ" তামোল এখন পকতীয়াই পকতীয়াই ৰঙ্গাইৰ মাকে সোধে।

"যেয়ে যেনেকুৱা হ'ল লাগিলে আমাৰনো চাৱলৈ কি দৰ্কাৰ লগিছে—এনেয়ে গৈছিলো সিদিনা—মোৰ লগত কথা-বাৰ্ত্তা ধোন ভালেই হৈছে" মালতীয়ে কয়।

"ওঃ অকল আৰু মুখ খনি হলেই হবনে? শুনিছো বোলে তাঁতত পানকটা এটাকে বাছি খাব নোৱাৰে।" ৰঙ্গাইৰ মাকৰ কথাতে হয় ভৰদি আনএজনীয়ে কয়।

লাহে লাহে পশ্চিমৰ দিগ দিগন্তত বেলিটো মাৰ যাবৰ উপক্ৰম কৰে। সৰু সৰু লৰা বিলাকে চেঁচোৰ খানিবলৈ আৰু লেচেৰী বুটলিবলৈ এৰিদি নিজৰ নিজৰ গৰুবোৰ চম্ভালী লয়। দাৱনীইঁতেও কথাৰ মহলাৰ লগতে কৰিথকা কামটো কৰিবলৈ এৰিদি মুৰত ডাওৰী একোটা লৈ ঘৰলৈ বুলি ধাননিৰ

পৰা ওলাই আছে। দিনৰ দিনটো বদত থাকি সিহঁতৰ মুখবোৰ শুকাই গৈছে চকুবোৰ নিস্তেজ হৈ গৈছে—গা ধেলেং পেলেং লাগি গৈছে তথাপি কিবা এটা আনন্দত সিহঁতৰ মনবোৰ উথলি উঠে।

গৰখীয়া বোৰে কুমলীয়া বাহঁৰ সাজিলোৱা "ধেনতুলুক" বোৰ বজাই বজাই গৰুবোৰৰ পাছত থাকি চিঞৰি কয় ঐ ৰঙ্গা বা-টে বা-টে ঘূৰি আহ্। গৰু বিলাকৰো যেন খুব ভাগৰ লাগিছে। পিছত অহা গৰখীয়া বোৰ যেন মিলিটৰীৰ "কেপটেইন" আৰু গৰুবোৰ গোৰা চিপাহী। কোনো উভতি নকৰা কৈয়ে গৰু বোৰ ঘৰৰ ফালে আগ বাঢ়ে। সিহঁতৰ খোজত উৰি অহা ধুলিবোৰ কৰবাৰ পৰা শাৰীপাতি অহা ওপৰৰ ধোঁৱা বোৰৰ লগতমিলি যায়।

## ছয়

ৰমেশৰ এতিয়া কৰ্ত্তব্যহীন জীৱন। কোনো কাম নাই ভাৱনা নায় মাক বাপেকৰ মাজত থাকি ফূৰ্ত্তিৰেই খাই বৈ থাকে। কেতিয়াবা মনগলে গ্ৰামফন কেতিয়াবা ৰেডিঅ'ৰ লগতেই কেতিয়াবা আকৌ কিতাপৰ মাজতেই ৰমেশে মনটো দি ৰাখে। সেইদৰেই ৰমেশৰ দিন বোৰ কাটি যায়।

কলেজত থকাৰ দিনৰ পৰাই ৰমেশৰ অভ্যাস আছিল খুব পুৱাতে এপাক ফুৰা, ঘৰৰ মানুহ নৌ উঠোতেই কাহিলি কাহিলি পোহৰতে ৰমেশ শোৱাৰ পৰা উঠে। সেইদিনাও

সেই অভ্যাস মতেই ৰমেশ শোৱাৰ পৰা উঠিল। চটি জুতা জোৰ পিন্ধি গামোছাখন দাঁৰ দালৰ পৰা আনি কান্ধত পেলাই লৈ তেবুলত সজাই থোৱা দাতঘঁহা বুৰুজটোত অলপ 'পেষ্ট' সানিলৈ মুখত ভৰাই ওলাই আহিল, সদাই একেটা বাটেদি কিমান যাব? এটা নতুন বাটৰ সন্ধানত ৰমেশে খন্তেক পৰ ভাবিলে। সৰুতে দেখা অলপ আঁতৰতে থকা সৰু নৈখনিৰ কথা মনত পৰি সি সেই ফালেকে আগ বাঢ়িল, গাঁৱৰ একা বেকা বাট বোৰৰ মাজে মাজে গৈ ৰমেশে একা বেকা নৈ খনিৰ কাষত গৈ উপস্থিত হলগৈ, ৰাতিপুৱাৰ এছাটি মলয়া বতাহ কৰবাৰ পৰা উটি অহাৰ লগে লগে ৰমেশক স্পৰ্শ কৰি গল। নৈ খনৰ মাজত একেছাটি মলয়ায়েই একোটি সৰু ঢৌ তুলি দিলে। কিবা এটা অনন্দত ৰমেশৰ মনটো এনেয়ে ভাল লাগি উঠিল। ৰঙ্গ বিৰঙ্গৰ চৰাই বিলাকৰ সানমিহলি হৈ অহা মাত বিলাকে ৰমেশৰ অন্তৰত এটা নতুন ভাবৰ সৃষ্টি কৰিদিলে। ছবিৰ প্ৰতিকৃতিৰ সেই প্ৰাকৃতিৰ অবাৰিত সৌন্দৰ্য্যবোৰ আৰু অলপ সময়ৰ বাবে উপভোগ কৰিবৰ বাবে নৈৰকাষতে থকা গছ এজোপাতে আঁউজী ৰমেশ বহি পৰে। কাষৰ বনতুদালমান এনেয়ে চিঙ্গি চিঙ্গি ঢৌ বোৰৰ মাজত মাজে মাজে পেলাই দি ৰমেশে ৰঙ্গ চাই, দাঁত কেইটা ঘঁহি ঘহি ৰমেশ খন্তেক বহি থাকিল এনেয়ে।

দূৰণীৰ একা বেকাঁ বাটটোলৈ ৰমেশে এনেয়ে এবাৰ চাই পঠিয়াই—ঘুৰিপকি বাটটো আহি নৈত লগিছেহি। জনহীন পথটো ৰমেশৰ চকুত এনেয়ে সুন্দৰ হৈ

জিলিকি উঠে। চকুজোৰ বাটটোৰ পৰা ঘূৰাই আনি ৰমেশে আকৌ চাই সকনৈ খনলৈ, আগত কোনোবা এঠাইত মাছ ধৰিবৰ কাৰণে মাৰিথোৱা ভেটা এটাৰ পৰা হো-হো কৰা শব্দ তাৰ কাণত পৰে। কিছুমান ফেন ৰমেশৰ আগেদিয়েই নৈ খনত উটি যায়।

এটা সৰু মিহি কাহ-কোনোবাই মাৰে দূৰনিত। ৰমেশে কাহটোৰ ফালে চাই পঠিয়াই। এজনী ছোৱালী, হাতত কিবা এটা ডাঙিলৈ আগবাঢ়ি আহে-বোধহয় নৈলৈকে ৰমেশে নেদেখা ভাওজুৰি আকৌ বহিপৰে। কিছুমান দুষ্টামিৰ ভাবে ৰমেশক বেৰি ধৰিবৰ উপক্ৰম কৰে। সি কিন্তু সেইবোৰ সহজেই আঁতৰাই পেলাই। শুনো নুশুনো কৈ অহা গীতৰ সুৰটিয়ে ৰমেশৰ কাণ স্পৰ্শ কৰে। প্ৰথমে গোৱা ফাকিটো বুজিব নোৱাৰাকৈয়ে বতাহৰ লগত মিলি যায়। ওচৰ চাপি অহা ছোৱালীটিৰ লগে লগে গীতটিও স্পষ্ট হৈ আহে।

পুহাইল ৰজনী উঠা যদুমণি
চৌদিকে পোহৰ হল।
বনৰে হৰিনা বনতে লুকালে
পশু দিশাদিশি গল।
যশোদা ডাকিলে উঠা ৰামকলীয়া
বিলম্ব কৰিছা কেনে
উঠা শীঘ্ৰ কৰি ধেনু চৰ'বলৈ
দাদা বলোভদ্ৰৰ সঙ্গে।

সুন্দৰ সুৰত মিহি মাতটোৰে গোৱা সুন্দৰ গীতটোৰে ৰমেশৰ অন্তৰত ভাৱৰ খলকণি তোলে। লয়লাস গতিৰে অহা ছোৱালীটীৰ মুখত সৌন্দৰ্য্য ভাৱত সৌন্দৰ্য্য আনকি খোজতো সৌন্দৰ্য্য দেখা পোৱাৰ লগে লগে বিহা খনেৰে ঢাকি থোৱা উঠি অহা বুকুৰ সৌন্দৰ্য্যও ৰমেশে দেখা পায়। "সঁচাকৈয়ে এই কাৰণেই ছোৱালী বোৰ গৌৰান্বিত আৰু সেই বাবেই সিহঁতে যেন স্বৰ্গটুকি পাই আৰু তাতেই উফন্দি উঠি ভৱিৰ ঠেলিদিব খোজে পুৰষক" পুৰণি কলোজৰ কথা এটা মনত পৰি ৰমেশে মনতে ভাৱে।

"বৰঘৰ গুৱণী জীয়াৰী ছোৱালী
উলিয়াই দিবলৈ টান
গাৱেঁ ঐ গুৱণী সৰু নৈয়ে খনী
আহে ভৰবাৰিষা বান।"

কিবা কিবি ভাবৰ মাজেদি পুৰণি বিহুগীতৰ এফাকি ৰমেশে সোঁৱৰে।

ইমান বাতিপুৱাই এই ধুনীয়া সুন্দৰ গাভৰু জনী নৈৰ ঘাটলৈ বাৰু অকলে কিয়?" ভবাৰ লগতে পুৰুষৰ প্ৰাকৃতিক ভাৱটোৱে তাঁৰ অন্তৰ ঠাই লব খোজে সি পাহৰি যায় যে নগৰ আৰু গাঁও দুটা বস্তু। গাৱঁৰ সম্পদ নগৰত নাই আৰু নগৰীয়াই ভালো নাপাই আৰু ঠিক সেইদৰে নগৰৰ সম্পদ গাঁৱত নায় আৰু গাৱলীয়াই ভালো নাপাই। সেই কথা ৰমেশে মনত পেলাবলৈ এবাৰো সুবিধা নাপালে। ছোৱালী জনী নৈৰ কাষলৈ লাহে লাহে নামি গল, ৰমেশে অকণো শব্দ নকৰাকৈ ছোৱালী জনীৰ কাম বোৰৰ প্ৰতি লক্ষ্য কৰিল।

নদীৰ কাষতে কাঁহি বাটি বোৰ নমাই থৈ ঘঁহি পিহি সুন্দৰকৈ ধোৱাৰ পিছত গাৰ ৰিহাখন খুলি মেখেলাখন বুকৰ ওপৰত বন্ধা দেখা পালে ৰমেশে, সুন্দৰ বগা বুকুখনৰ ওপৰত জিলিকি থকা বিবিটোৱে সৈতে বুকুখনি আৰু সুন্দৰ হৈ জিলিকি উঠে। ৰমেশে কিবা এটা ভাৱত তন্ময় হৈ সেইফালে এবাৰ চালে, তাৰ গাত তাড়িত প্ৰৱাহৰ দৰে কিবা এটা বৈ গল ইমূৰ পৰা সিমূৰলৈকে। ৰমেশে এবাৰ ভাবিলে হয়তো ছোৱালী জনীৰ অজানতাৰ সুবিধা লৈ এনেদৰে সৌন্দৰ্য্য উপভোগ কৰাটো তাৰ ন্যায় সঙ্গত হোৱা নাই। বিবেকৰ অনেক সুবুদ্ধিয়ে তাৰ অন্তৰত খেলি মেলি লগালে কিন্তু তথাপি সেই সৌন্দৰ্য্য উপভোগৰ সোনালী সুযোগ এৰি দিবৰ মন সি কোনমতেই কৰিব নোৱাৰিলে, "সুন্দৰ বগা শকত কলাফুল জোৰ .....।" কিবাকিবি বোৰ ৰমেশে এবাৰ ভাবিব খোজে।

লাহে লাহে ছোৱালী জনী নৈৰ পানীলৈ নামি গল। পানাত বুৰমাৰিব খোজাৰ আগতে এনেয়ে তাই এবাৰ ইফালে সিফালে চালে; তাইৰ চকুজোৰ তাইৰ অজানিতে ৰমেশৰ ওপৰত পৰিল কোনোবা পৰিচিত বুলি তাই একেথৰে এবাৰ চালে। ৰমেশৰ মুখখন তাইৰ চকুত ধৰা পৰিল—কিন্তু কোন মানুহ চিনিব নোৱাৰিলে, কিবা এটা অজানিত আশঙ্কা আৰু ভয়ত অকনমানি কলিজাটি কঁপি উঠিল, তাইখপকৰে পাৰলৈ উঠি আহি ৰিহাখন আকৌ গাত মেৰিয়াই ললে। এজন অচিনাকি যুৱকে এজনী যৌৱন পূৰ্ণ গাভৰুক এখনীয়া বস্ত্ৰত দেখাৰ ৰাবে তাইৰ অন্তৰত

আৰু ছিমান লাজ আৰু ভাবৰ ঢৌ উঠি গাটো কঁপি উঠিল, তথাপি তাই বাধ্যহৈ নৈ লৈ নামি গৈ অতি যত্নেৰে গাটো ধুই গহীন ভাৱে পাৰলৈ উঠি আহি কাষত কাঁহি বাটি জাপলৈ লাহে লাহে আঁতৰি গল।

ছোৱালী জনীৰ চকুত ৰমেশ ধৰা পৰাত তাৰ অন্তৰতো কিবা এটা ভাৱৰ ঢৌ খেলাই গল, তাৰ কাষৰ পৰা আঁতৰি যোৱা সুন্দৰ ছোৱালী জনীলৈ ৰমেশে এবাৰ চাই পঠিয়ালে। তায়ো হয়তো ঘূৰি চাইছিল সেই মানুহটো তাত আছেনে নাই চাবৰ কাৰণে, হথাতেই তাইৰ চকুহুটা ৰমেশৰ চকুত আকৌ পৰাত আৰু বেছিকৈ লাজ লাগি তাই অলপ বেগা বেগীকৈ তাৰ পৰা আঁতৰিল, ৰমেশৰ চকুৰ আগৰ সুন্দৰ জীৱন্ত ছবিটি চাই থাকোতেই বেকাঁ বাটৰ আঁৰত লুকাই পৰিল। এনেয়ে অহা দীঘল হমুনীয়া এটা কাঢ়ি ৰমেশে লাহে ঘৰৰ ফালে খোজ দিলে। পূবৰ পৰা উঠি বেলিৰ সোনালী পোহৰটোৱে আকাশ খন বোলাই পেলালে।

কিবা কিবি কাম আৰু ভাৱৰ মাজেদি দিনটো পাৰহৈ বছৰৰ বুকত মিলি পৰিল। ৰাতি পুৱাই পুৱাই অহাৰআগতেই ৰমেশ বিছনাৰ পৰা উঠি বহিল, আগৰ দৰেই মুখত দাত ঘঁহা বুৰুজটো লৈ লাহে লাহে ঘৰৰ পৰা ওলাই গল আগদিনাৰ ঠাই লৈ বুলিয়েই। ৰাতি কৰবাত সোমাই থকা ভাববোৰ এটা এটাকৈ আহি ৰমেশক আগুৰি ধৰিলে। কলেজত পঢ়া ছোৱালী বোৰলৈ তাৰ মনত পৰিল। প্ৰেম সাগৰত উঠি ভাহি কলো

জপৌ কৰি ফুৰা ভাব! সুন্দৰ মাত সুন্দৰ গীতৰ লহৰ, ইহঁতে গীত গাবলৈ অৰ্গেন হাৰমনিয়মৰ আৱশ্যক নাই, প্ৰকৃতিয়ে নিজেই সিহঁতৰ গানৰ সুৰ বান্ধে। গানৰ ছেৱে ছেৱে বাদ্য বজাই।" নৈৰ খনৰ কাষত ৰমেশ হথাতেই ওলাই পৰে। ঠিক আগদিনাৰ দৰেই জনহীন কেকোৰা বেকোৰা পথটোলৈ দেখালৈকে ৰমেশে চাই পঠীয়াই কিছু দূৰত এটি ছোৱালী আকৌ অহাদেখে। এইবাৰ আকৌ ছোৱালী জনীক ৰমেশে দেখা দিবৰ মন নকৰি তাই নেদেখাকৈ গছ এজোপৰে আঁৰত লুকাই পৰে।

গহীন গম্ভীৰ ভাৱে অন্তৰত এটি লাজ ভয় আৰু সন্দেহ সম্মিলিত ভাব লৈ লাহে লাহে তাই নৈৰ কাষলৈ নামি আহে, সন্দিহান ভাৱৰ মাজেদি তাই আগদিনা ৰমেশেক দেখা ঠাই খনলৈ এবাৰ চাই কিন্তু কাকোৱেই দেখা নাপায়, ঢল পুৱাৰ ৰূপালী পোহৰটো পৰি মাথো ডাঙৰ গছ কেইজোপা জিলিকি উঠে।

কাঁহি বাটিবোৰ আগৰ দৰেই লাহে ধীৰে ধুই পেলাই লাহেকৈ পানীত নামিলগৈ। আনকালৰ দৰে তাই ৰিহাখন আজিও সোলোকাই থবৰ ইছো কৰিছিল কিন্তু কিবা এটা ভাবি নথলে, পানীত পৰা এচলু তুলি মুখত লৈ কুল কুলিয়াই অলপদূৰলৈ পেলাই দিয়ে। তাৰ পিছত গা ধুবলৈ নৈ লৈ লাহে লাহে নামি যাওঁতেই হথাতেই ডাঙৰ পিছল এটা খাই " বৌ-মৰিলো ঔ বুলি এটা চিঞৰ মাৰি দিয়ে, গছৰ আঁৰত লুকাই থকা ৰমেশে বাধ্য হৈ জাপমাৰি নৈৰ কাষ পালেগৈ, ছোৱালীজনীয়ে কালিৰ মানুহজনেই

বুলি ৰমেশক চিনি পাই লাজ দুগুণে বৃদ্ধি হ'ল, লাজত ৰঙ্গাজঙ্গা পৰি মুখেৰে একো নামাতি তাই পানীৰ মাজতেই খন্তেক ঠিয় হৈ ৰল। ৰমেশেও কিবা এটা ভাবিব নোৱাৰা লাজত পৰি মূৰ দোৱাই খন্তেক ৰল। দুয়োৰে শৰীৰত যৌৱনৰ তাড়িত সোঁত আহ যাহ কৰিলে, খন্তেক বৈ ৰমেশ অলপ আগবাঢ়ি গৈ সুধিলে "বৰ পিছল খালে দুখ পালেনেকি ? বাৰুকৈ যে নপৰিলে সেয়ে ধন্য।"

অচিন যুৱকৰ অচিন সম্বোধনত ছোৱালী জনীৰ শৰীৰত তপত তেজৰ এটা গৰম সোঁত বৈ গল। ৰিহাৰ আচলটো মোহাৰি মোহাৰি বৈ থাকি তাই কিবা এটা কওঁ বুলি ভাবিলে, মুখৰ পৰা ওলাই আহিব খোজা কথা সাৰো লুকাই যাবৰ উপক্ৰম হ'ল। উত্তৰ নিদিয়াটো অভদ্ৰতা হব ভাবি জোৰকৰি মাৰো নামাৰোকৈ মৰা মিচিকিয়া হাঁহি এটাৰ মাজেদি অথচ খুব গহীন হৈ কলে

"দুখ নাই পোৱা মাত্ৰ পিছলহে খালো, ঠাই খন বৰ পিছল।"

মুখৰ হাঁহি আৰু কথাৰ ভঙ্গিমাই ছোৱালীজনীৰ সৌন্দৰ্য্য বঢ়াই তুলিলে। আৰু কেইষাৰ মান কিবাকিবি কথা সুধিবৰ ৰমেশৰ একান্ত ইচ্ছা থকা স্বত্তেও নোৱাৰিলে, কিবা এট ভাবে তেওঁৰ কথাবোৰ হেঁচি ধৰিলে। ছোৱালী জনী বেছি পৰ নবৈ লাহে লাহে অতি সন্তৰ্পনে গা ধুই কাষত কাহিবাটি বোৰলৈ লাহে লাহে অহা বাটে গুচি গল, ৰমেশে একেথৰে তাইৰ ফালে চালে, মাজে মাজে চাই যোৱা হৰিনীৰ দৃষ্টিৰ শৰত ৰমেশৰ হিয়া থৌকি বাথৌ হৈ পৰিল।

তাই আঁতৰ হ'ল ৰমেশ লাহে লাহে নৈৰ কাষলৈ নামি গৈ মুখ হাতবোৰ ধুই উঠি আহোতেই হঠাৎ কিবা এটা উজ্বল বস্তু তাৰ চকুত পৰিল, সি ওচৰলৈ গৈ বস্তুটো তুলি চাই দেখে যে এটা সৰু থুৰীয়া পানীৰ খুব কাষতে পৰি আছে। হয়তো ছোৱালী জনীৰেই থুৰীয়া ৰমেশে ভাবিলে, হাতত থুৰীয়াটো লৈ ৰমেশে ছোৱালী জনী যোৱাৰ ফালে এবাৰ চালে কিন্তু তাই তেতিয়া বহুত দূৰৰ গছৰ আঁৰত লুকাই পৰিছে। ৰমেশে থুৰীয়াটো তাৰ কামিজৰ জেপত থকা হাঁচটি খনেৰে ভালকৈ বান্ধি জেপত ভৰাই থলে তাৰ পিছত লাহে লাহে নৈৰ পৰা ওপৰলৈ উঠি ঘৰৰ ফালে আগ বাঢ়িল ।

## সাত

আবেলি পৰত ৰমেশে বিচনাৰ পৰা উঠি চাহটোপা খালে। কাপোৰ কানিবোৰ পিন্ধি উৰি কোনোবা এফালে ফুৰিবলৈ যোৱা হক বুলি মনতে দিক নিৰ্ণয় কৰি ভাবিলে, বাগীছাৰ ফালৰ পৰাই এটা পাক মাৰি অহা যক। সৰুতে বাগীছালৈ যোৱা তাৰ পৰা বাগীছালৈ তিনিমাইল মান হব গতিকে চাইকেল খনত উঠি ৰমেশ বাহিৰ ওলাই গল।

ডাঙৰ কলঘৰটোৰ দীঘল ধোঁৱা ওলোৱা নলিটো ৰমেশে অলপ দূৰৰ পৰাই দেখিলে, তাৰ পিছত আহল বহল বাগীছা এখন তুখন তাৰ চকুত পৰে। বাগীছাৰ মাজৰ সৰু বাট টোৱেদি কিবা ভাবি ভাবি সি আগুৱাই যায়। "এয়ে আমাৰ বাগীছ।

এয়া কল ঘৰ। ইমান ডাঙৰ কল ঘৰটো আমাৰ নিজাসম্পত্তি ইয়াত কাৰো হাত নাই” কিবা এটা গৰ্ব্ববোধ হয় তাৰ অন্তৰত। আবেলিৰ কামৰ পৰা ঘুৰা বুলিবোৰ, লানী পাতি ইজনীৰ পিছত সিজনী এটা জুমত আহিছে, মাজে মাজে চৰদাৰ চকিদাৰ বোৰ ৰঙ্গা ৰঙ্গা পাগমাৰি আৰু পিছত আহিছে মটা কুলিবোৰ, হাঁহি ধেমালীৰ মাজেদি নানা কথা পাতি সিহঁতে আগ্বাঢ়ি যায়।

“এইবোৰ আমাৰেই কুলি, প্ৰায় পাঁচ হেজাৰ কুলিয়ে বাগানত আমাৰ তলত কামকৰে, এই অফিছটো-ইয়াত থকা সুন্দৰ সুন্দৰ কাপোৰ পিন্ধা বাবু বিলাক—সিহঁত কুলি বোৰৰ ওপৰত কিন্তু আমাৰ তলত, মন গলে আমি আজি সিহঁতক খেদি দিব পাৰো। কিবা কিবিবোৰ ভাবি ভাবি ৰমেশ আগবাঢ়ি আহি অফিচটোৰ মুখত চাইকেলৰ পৰা নামে। এজন বাবু আগবাঢ়ি আহে—বোধহয় কেৰাণী।

“কাক বিচাৰিছে ?” কেৰাণীয়ে কাণত কলমটো থৈ সোধে।

“কাকো বিচৰা নাই এনেয়ে মাথো চাইছো। কুলি লাইনটো কিমান দূৰত ?

“সৌৱা—আহিছে কৰপৰা ?

হাঁহি এটি মাৰি ৰমেশে ক’লে “কিয় ভয় লাগিছেনেকি কিবা কৰো বুলি ? ৰাৰু তাত থকা চৰ্দাৰ এটাৰ নাম্ মোক দিয়কছোন।”

“কি কৰিব আপুনি চৰ্দাৰটোৰ নাম লৈ ?” অলপ ভয়কৰি সোধে কেৰাণীয়ে মোক আপুনি চিনি নাপায়। মই ইয়াৰেই মানুহ, কিবা এটা কথা সুধিবৰ কাৰণে চৰ্দাৰ এটা দৰ্কাৰ।

"ৰঙ্গায়াই আমাৰ মুৰ্ব্বী চৰ্দাৰ, তাক ইয়ালৈকে মতাই দিমনেকি ?"

"নালাগে ময়ে যাওঁ" বুলি ৰঙ্গায়াৰ ঘৰটোৰ নিচান সুধি লৈ ৰমেশ আগ বাঢ়ে অলপ আঁতৰত থকা শাৰী শাৰী কুলি লাইনৰ ফালে।

ৰমেশ আঁতৰিল, কেৰাণী মহৰী বোৰৰ মাজত আটঙ্কৰ সৃষ্টি হল, কোনোৱে কয় এওঁ বৰ হাকিমৰ পিতেক, কোনোৱে কয় হবই নোৱাৰে, তাতোকৈ বেছি ভয় হল কুলি লাইনৰ খবৰ কৰাত। অলপ ভয়ে ভয়ে কেৰাণীয়ে কিবা কিবা ভাবি ততালিকে এখন চিঠি লিখিলে বাগীছাৰ গিৰিহঁত—ৰমেশৰ দেউতাকলৈ। চিঠিখন ততালিকে কুলি এটাৰ হাতত পঠাই দিলে। ৰমেশৰ দেউতাকে চিঠিখন খুলিলে, ভাবিলে এতিয়া ৰমেশ ওলাই গৈছে সিয়েই কিজানি। তথাপিটো সন্দেহ নমৰিল। মতৰত উঠি তেওঁ ততালিকে অফিছৰ ফালে ৰাওনা হল।

ৰঙ্গায়া চৰ্দাৰে উলিয়াই দিয়া মুঢ়া এটাৰ ওপৰত ৰমেশ খন্তেক বহি তাৰ লগত তাৰ ঘৰৰ বিষয়ে সিহঁতৰ লগত কাম কৰা কুলিবোৰৰ বিষয়ে দুই এষাৰ কথা পাতিছে, অলপ দূৰত মটৰৰ হৰ্ণ শুনা গ'ল বোধহয় অফিছত।

"বৰচাহাব আহিব পাই দেউতা।" ৰমেশক ৰঙ্গায়াই ক'লে, "কোন বৰচাহব 'অ' " হাঁহি এটামাৰি ৰমেশে সুধিলে তাক

"বাগীছাৰ গিৰিহঁত-বাবু" ৰঙ্গায়াই ক'লে।

কেৰাণীৰ সৈতে মটৰখন আহি ৰঙ্গায়াৰ ঘৰৰ আগত বৈ গল, অকণ মান নিৰিহ ৰঙ্গায়াৰ গাটো কঁপি উঠিল। "দেউতা এতিয়া কি কৰো ?" ৰঙ্গায়াই ৰমেশক কঁপি কঁপি শুধিলে।

"তই মনে মনে থাকছোন।"

ৰমেশৰ দেউতাক মটৰৰ পৰা নামি হাতত বেত দাললৈ কোনো ফালে নোছোৱাকৈ আগবাঢ়ি আহিল। ৰমেশে একো নুবুজিলে যদিও চাঁহিলে, কেৰাণী জনে ভয় আৰু সন্দেহে মাজেদি ইফালে সিফালে চাই ৰমেশৰ অলপ আতৰত থাকোতেই ক'লে — "সৌৱা"

খপকৰে মূৰডাঙি চাই বৰুৱাই কৈ উঠিল "ৰমেশ"

"হয় দেউতা" মূঢ়াটোৰ পৰা ৰমেশ উঠি দেউতাকৰ ফালে আগবাঢ়ি আহিল, দেউতাকে খুব হাঁহি হাঁহি কলে "তই এইদৰে আহি ইয়াত বহি আছহি কেলেই ?"

"কিবা কথা এটা বুজিবৰ কাৰণে ইহঁতৰ লগত কথা পাতিছো, মই সেইদৰে আহিলে ইহঁতে মোক কিবা ভাবি কথা নকবই। গতিকে এইদৰেই আহি ইয়াৰ লগত দুটামান কথা পাতিছো। ইয়াৰ পিছত কুলি লাইন কেইটা চাবলৈ যাম ইয়াকে লৈ। এই আযোশা সময়ত দেউতা আপুনি হথাতেই কেলেই" ৰমেশৰ দেউতাকে হাঁহি পেলাই আকৌ "ক'লে তোক আমাৰ বাগীছাৰ কোনেও চিনি নাপাই, আমাৰ কেৰাণী বাবুৱে কৰবাৰ বেলেগ ধৰণৰ মানুহ বুলি ভয় কৰি মোলৈ এই চিঠিখন দিয়ালে,

মই চিঠি পঢ়ি তয়ে বুলি আন্দাজ কৰিছো যদিও আহিব লগাত পৰিলো।” ৰমেশৰ হাতলৈ চিঠিখন আগবঢ়াই দিলে ৰমেশে চিঠিখন পঢ়ি মাথো অলপ গহীন ভাবে হাঁহি ক'লে “কেৰাণী বাবুৱে ঠিকেই কৰিছে।”

“তোমালোকে ইয়াক চিনি নোপোৱা হয়নেহে হাজৰীকা ?” মটৰ খনৰ ফালে আগবাঢ়ি ৰমেশৰ দেউতাকে কলে। একেলগতে শাৰী পাতি যোৱা ৰমেশৰ ফালে চাই কেৰাণীয়ে ক'লে “হয় দেউতা কোনো দিনেই দেখা নাই।”

ই মোৰ বৰ লৰা ৰমেশ। কলিকতাৰ পৰা এম, এ, দি ঘূৰি আহিবৰ আজি কেইদিন মানহে হৈছে।”

“ইচ ৰাম—নমস্কাৰ মই যে—দেউতা ক্ষেমা কৰিব।”

বিচাৰ নাইকিয়া কথা কেইটো কেৰাণীয়ে ৰমেশক ক'লে, ৰমেশে হাঁহি এটা মাৰি প্ৰতি নমস্কাৰ জনাই ক'লে “কি হাজৰীকা—বৰ ভয় খালে, কোনো কথা নাই বাৰু ?”

সকলোবোৰ মটৰত উঠিল, “ৰমেশ তই যাব জানো, ব'ল নহলে চাইকেল খন ইয়াতে থ।”

“নালাগে দেউতা আপোনালোক যক মই গৈছো পিছত.” মটৰ গুছি গল, ৰমেশে হাঁহি হাঁহি চাইকেলখনত উঠি আগবাঢ়িল আকৌ বঙ্গায়াৰ ফালে।

“বঙ্গায়া বলা সেই কুলি লাইন কেইটা চাই আহোছোন” ৰমেশে তাৰ ঘৰৰ আগত ঠিয় হৈ ক'লে।

"দেউতা এতিয়া সিহঁত মদপানী খাই মছগুল হৈ থাকিব পায়।"

"হক তথাপি যাম। তুমি আৰু মই—সিহঁতে কিবা দিগদাৰ কৰিবনে ?

"এৰা দেউতা ! কি দিগদাৰ কৰিব অলপ আমনি পাব।

ৰমেশ ৰঙ্গায়াৰ লগত কুলি লাইনটোৰ ফালে আগ বাঢ়িল।

সৰু সৰু জুপুৰী ঘৰবোৰ, চাৰিওফালে গোবৰ গেৰেকণী, দুৰ্গন্ধত ৰমেশৰ নাকটো কোচ খাই আহে, জেপৰ পৰা হাঁচটি এখন উলিয়াই সি মুখত ধৰি কয় "ৰঙ্গায়া ইহঁতৰ ঘৰত মানুহ কোন কোন আছে মাতাছান।"

কিবা এটা নামধৰি ৰঙ্গায়াই মাতে। অকণমান মাত্ৰ মলিয়ণ কাপোৰ পিন্ধা বুঢ়া এটা ওলাই আহে। তাৰ চুলিবোৰ পকি গৈছে, গাটোৰ হাৰবোৰ ডাল ডাল হৈ পৰিছে, সি ডাঙৰ মানুহ ভাবিয়েই ৰমেশক চেলাম দিলে। মূৰ দুপিয়াই চেলাম গ্ৰহণ কৰি ৰমেশে তাৰ ঘৰৰ আন আন মানুহ খিনিকো মাতি আনিবলৈ ক'লে। কুলিটোৱে তাৰ দোৱানেৰে কিবা কিবি কেষাৰ মান কোৱাত এজনী আদহীয়া মাইকী মানুহ আৰু চাৰি পাচটা মান লৰা ছোৱালী ওলাই আহি বাহিৰত থিয় হল। সিহঁতৰ ফটা চিটা কাপোৰ বোৰৰ পৰা কিবা এটা গন্ধ ওলাল। ৰমেশৰ বমি আহে যেন কৰিলে। লাহে লাহে ওচৰত থকা কুলি বোৰো দুটা এটা কৰি আহি ৰমেশক বেৰি ধৰিলে, সৰু সৰু লৰা বোৰে ৰমেশৰ ধুনীয়া চাইকেলখনলৈ চাই কিবা কিবি সিহঁতৰ

মাজতেই কয়। আধা নাঙঠা হৈ থকা মানুহ বোৰলৈ চাই ৰমেশে কিবা কিবি ভাবে, সিহঁতৰ দৰ্ম্মহা বা হাজীৰা কিমান প্ৰশ্ন কৰে। মদখাই মাতাল হৈ অহা এটা কুলীয়ে ৰমেশৰ ভৰিৰ ওচৰত মূৰটো থৈ সেৱা এটা কৰি কয়।

"হুজুৰ মাই বাপ—আমি কাম কৰি ছয় অনা পয়ছা পাওঁ আমাক মদখাবলৈ নোজোৰে। বাবু আমি ইমান কামকৰো আমাৰ দৰ্ম্মহা ইমান তাকৰ যে আমি পেট ভৰাই খাব নোৱাৰো—" সি আৰু কিবা কব খুজিছিল কোনোবা চকিদাৰ এটা আহি তাক তাৰ পৰা টানি গৈ গল।

ৰমেশে তাৰ পিছত আন এটা লাইনলৈ আগবাঢ়িল। তাতো সেই একে অৱস্থা। অস্থি চৰ্ম্ম ওলোৱা আধা নাঙঠা মলিয়ন মানুহ বোৰ। ৰমেশ আৰু আগবাঢ়ি নগল, কিবা এটা ভাৱে তাৰ অন্তৰত খুন্দিয়ালে "বঙ্গায়া যাওঁ গৈ বলা" আকৌ ঘূৰিল।

"তোমালোকৰ মানুহবোৰ কেনেকৈ জীয়াই থাকে ৰঙ্গায়া" ৰমেশে সুধিলে "বাবু -সেইদৰেই—আপুনি এতিয়া যেনেদৰে দেখিলে।"

"সিহঁতে বাৰু কি খায়? ইমান লেটেৰাকৰি থাকি সিহঁতৰ জানো বেমাৰ নহয়।"

"খাব কি? ৰাতিপুৱা একমুঠি মুৰি একবাতি চাহ। দুপৰীয় অকণমান দাইল সহ ভাত আৰু কেতিয়াবা কেতিয়াবা লাইনত কটা গাহৰীৰ মঙহ, বেমাৰ বাবু সিহঁতৰ কি হব? গেলা মঙহত পোক দিয়া মাখী বোৰৰ জানো বেমাৰ হয়? মাখীবোৰটো জীৱ,

আমাৰ মানুহো ঠিক তেনেকুৱাই গেলা মঙ্গহৰ মাখী, সিহঁতৰ বেমাৰ হয় কিয় নহব। বেমাৰ হৈ পাৰি থাকিলে জানো খাবলৈ হব? ছয় অনা পয়ছাৰ লগত জানো সিহঁতে ততলৈ পেট পেলাই পৰি থাকিব পাৰে? প্ৰতিদিনে উপাৰ্জন কৰি প্ৰতিদিনে ভাঙ্গি খাবই লাগিব। তাকে নহলেই হব লঘোন।"

"তোমালোকেৰ মানুহবোৰে মদ খাই কিয়? তাতেই ধোন সিহঁতে বহুত পয়ছা পানীত পেলাই, তাৰ পৰাটো উপকাৰ নাই। মাত্ৰ মাতাল হৈ মাৰপিত কৰে।"

" দেউতা তাতেই যে সিহঁতে সুখ পাই, দিনৰ দিনটো লোহাৰ চকৰিৰ দৰে ঘূৰি ঘূৰি সিহঁতে অকন সেৰেকা পানী খাই সিহঁতৰ মনত আনন্দ দিবৰ কাৰণে দিনৰ দিনটোৰ কামত ভাগৰ এটোপা সেৰেকা পানীয়ে মাৰি দিয়ে, গাৰ বিষ খায়। আৰু যে কত উপকাৰ সিহঁতে পাই সেই কাৰণেই খায়। নহলেনো তেজতকৈও কষ্ট কৰি ঘটা পয়ছা ছঅনাৰ অলপ সিহঁতে পানীত পেলাব খোজোন?"

"বুজিছো" এটা হুমানীয়া কাঢ়ি ৰমেশে কয়।

"ৰঙ্গায়া তুমি বহুত দূৰ আহিলা। অ তুমি অলপ পঢ়াশুনা জানানেকি?" "দেউতা আমিনো কি পঢ়াশুনা কৰা মানুহ, তথাপি মাইনৰ স্কুলৰ পঞ্চম শ্ৰেণী লৈকে পঢ়িছিলো।"

"বেছ ভাল কথা। তুমি যোৱাগৈ। মই যাওঁ নহলে ৰাতি হব।" "ভাল দেউতা" ৰমেশ গুছি যায়। আজি যেন ৰঙ্গায়াৰ ভাবটোও কিবা এটা সলনি হৈ গৈছে, মনটো মাৰি সি ঘৰলৈ

যায়, বটলটোৰ পৰা অলপ মদ বাকি খাই শুই পৰে এনেয়ে। সি চকুহুটা মুদি ৰাখে যেন টোপনীয়ে তাক হেঁচি ধৰিছে।

ৰমেশ গৈ ঘৰ পালে, চাহ এটোপা খাই খন্তেক বহি কাপোৰ কানিবোৰ সলালে। তাৰ পিছত লাহে লাহে দেউতাকৰ কাষলৈ গৈ চকী এখনত বহি বাগীছাৰ কুলিবোৰৰ অৱস্থাৰ কথা বৰ্ণনা কৰিলে, সিহঁতৰ আহাৰ সিহঁত থকা ঘৰ সিহঁতে পিন্ধা কাপোৰ আদি সকলোৰে কথা বিবৰি ক'লে, দেউতাকে ৰমেশৰ কথাবোৰ শুনিলে।

"হয় কুলি লাইন কেইটা অলপ ভাল কৰাব লাগিব।"

"দেউতা আপুনি মাত্ৰ পোন্ধৰ হাজাৰ টকা খৰছ কৰিবলৈ গাত লক। গোটেই কুলি লাইন সুন্দৰ হৈ উঠিব।" দেউতাকে কথাবোৰ খন্তেক ভাবি তাৰ পিছত কলে তইবাক "প্লেন" এটা কৰি দিবি, মই সেইমতেই কৰাম। টকা যি খৰছ পৰে পৰিব। "মই এতিয়াই এটা 'প্লেন' কৰি দিওঁ" বুলি ৰমেশ উঠি গল। অলপ পিছতে কেইটা মান লাইনৰ নক্সা আনি দিকলে "দেউতা আপুনি এইদৰেই কৰাব, পোন্ধৰ হাজাৰতকৈ বেছি টকা কেতিয়াও খৰছ নহয়। দেউতাকে সলাগি কাগজখন ভৰাই থলে ৰমেশ ভাত খাবলৈ উঠি গল।

## আঠ

দোকমোকালিতে ৰমেশে শোৱাপাটি এৰিলে। আগদিনা ৰাতিপুৱা পাই আনা সোনৰ কেৰুটো ভালকৈ জেপত ভৰাই লৈ

নৈৰ ফালে লাহে লাহে ওলাই গল। ফুলনিৰ পৰা অহা মৃদু ফুলৰ গোন্ধ এটাই ৰমেশৰ গাই মুখে স্পৰ্শ কৰিলে, একেলগে কুলি থকা গোলাপ দুপাহ চিঙি লৈ অলপ শুঙিলে। তাত লাগি থকা পাপৰি বোৰে ৰমেশৰ নাকত আগটো সাবটি ধৰিলে। নাকটো তাৰ গধুৰ গধুৰ যেন লাগিল, চুৰিয়া খনৰ আগটো ডাঙি নাকটো মোহাৰি পেলালে।

ৰমেশে ছোৱালী জনীৰ কথাবোৰ ভাবিলে তাইৰ হাঁহিৰ। লহৰ ডিঙিৰ ভঙ্গিমা লনী বাহু দুটা। কেতিয়াবা গোটেই মানুহ জনী ৰমেশৰ চকুৰ আগত জিলিকি উঠে। সৰু কেৰুটো ৰমেশে জেপৰ পৰা উলিয়াই হাতত লয়। একেথৰে কেৰুটো লৈকে চাই থাকি সি হয়তো ভাবে "কেৰুটো কিমান ভাগ্যবান সি সেই সুন্দৰী গোলাপী ৰঙৰ কোমল গালখনি স্পৰ্শ কৰিবলৈ পাইছে" কেৰুটো সি গালত লগালো। চেচা কেৰুটো তাৰ গালত লগায়েই সি কিবা এটা অনুভূতি লাভ কৰে। কেৰুটো আকৌ জেপত ভৰাই থৈ সি ভাৱে কেনেকৈ অচিন গাভৰুক কেৰুটো ঘূৰাই দিয়া ভাল হব। তাইৰ প্ৰেম ভিক্ষা কৰিনে নাই এজন ভদ্ৰলোকৰ দৰে। কেৰুটো ঘূৰাই পালে ছোৱালী জনীয়ে কি কৰিব? হয়তো তাক অশেষ ধন্যবাদ দিব আৰু লগতে তাৰ কৃতজ্ঞতা প্ৰকাশ কৰিব।"

কোমল ঘাহঁবোৰ ৰমেশৰ ভৰিৰ গছকত শুই পৰে—খন্তেকৰ পিছতেই আকৌ উঠি আছে ৰমেশ আগবাঢ়ি যায়।

সেই—"গুৰনী নদীৰ পানী ভৰা ঘাট" কিবা ভাবি খন্তেক পৰ

ৰমশে এনেয়ে এফালে চাই থাকে। মাছুলুকা এটা খপ কৰে পানীত পৰি মাছ এটা লৈ উৰামাৰে। "সংসাৰৰ হালজাল" মনতে সি ভাবে। সেই দেহৰ একে অঙ্গী ভঙ্গীৰে ছোৱালী জনী—ৰমেশ গছ এজোপাৰ আঁৰত লুকাই পৰে। ছোৱালী জনী পানীৰ কাষলৈ নামি আহে, কিবা এটা অজান গৰ্ব্বৰ হেন্দোলনীত তাইৰ চকুছুটি গছ কেইজোপাৰ ফালে লৈ যায়। অনিচ্ছাৰ সত্ত্বে তাই চাবলৈ বাধ্য হয়—একো নেদেখে, মাত্ৰ ডাঙৰ ডাঙৰ গছ দুজোপামান।

কেইটা মান কেছা গছৰ পাত ছোৱালী জনীৰ কাষেদিয়েই উটি যায়। দুটা গোলাপ ফুল এটা ডাঙৰ গজৰ পাতৰ ওপৰত উটি আহে। হাত দুটা মেলি তাই ফুল দুটা তুলি আনে। গোন্ধটো লৈ ফুলপাহ কাঁহি বাটিবোৰৰ ওপৰত তুলি থয়। তাইৰ মনত সন্দেহ হয়—আকৌ এবাৰ গছ জোপাৰ ফালে ছায়। জনহীন প্ৰান্তৰ—তাইৰ চকুৰ আগত পৰে। গাটো ধুই লাহেকৈ পাৰলৈ উঠি আহে। তিতা কাপোৰৰ আঁৰত তাইৰ আধা আধি শৰীৰটো ওলাই পৰে। ক'লা দীঘল চুলিটাৰৰ মূৰত সৰুকৈ গাঁঠি এটা দি কাঁহিবাটি বোৰ লৈ যাব খোজে এনেতে ৰমেশ গছৰ আঁৰৰ পৰা ওলাই আহি মাত দিলে।

"হেৰি থস্তেক ৰবছোন"

অপৰিচিত পৰিচিত মাতেটো শুনি তাইৰ অলপ লাজ লাগিল, অলপ বেগাবেগীট আহি ৰমেশ তাইৰ পৰা অলপ আঁতৰত ঠিয় হল। ৰমেশে তাইৰ চকুলৈ এবাৰ চালে। তাই আকৌ যাব খোজে।

"আপোনাৰ—" কিবা এটা ৰমেশে কব খোজে কিন্তু নোৱাৰে। তাই খন্তেক বৈ দিয়ে।

কালি আপোনাৰ কেৰু এটা পৰি গ'ল হব পায় "জেপৰ পৰা আধা কঁপা হাঁতটো অলপ সংযত কৰি কেৰুটো ৰমেশে উলিয়াই আগবঢ়াই দিয়ে তাইৰ ফালে। "হয়নে এইটো আপোনাৰেই। আপুনি যোৱাৰ পিছতেই পাইছো সেই কাৰণে মই আপোনাৰ কুলিয়েই ভাবিছো" থোকা থোকি হব সোজা মাতবোৰ সংযত কৰি ৰমেশে কয়।

"হয় মোৰেই—কালি ঘৰ পাই কান মন উদং লাগিলত কেৰুটো বিচাৰি নাপাই আচৰিত হলো। কেৰু এটা হেৰোৱাৰ কথা মই ঘৰত এতিয়ালৈকে কোৱাই নায়,"

তেনেহলে লৈ যক। কেৰুটো হাতৰ তলুৱাতলৈ তাই নিবৰ কাৰণে ৰমেশে হাতখন আগবঢ়াই দিলে।

নিওঁ নিনিও কৈ আগবঢ়াই নিয়া হাতখনৰ আঙ্গুলি কেইটাই ৰমেশৰ হাতখন স্পৰ্শকৰে, ৰমেশে তাইলৈ খন্তেক চাই—তায়ো চায়, তাড়িত শক্তি পাৰ হোৱাৰ মানুহৰ দৰে দুয়ো থৰ লাগি মাত্ৰ ইটোৱে সিটোক চায়।

কেৰুটো হাতত লাহেকৈ তুলিলৈ তাই যাবলৈ ওলাল। ৰমেশে কাঁহি বাটি বোৰলৈ চালে—গোলাপ দুপাহ জিলিকি আছে। তাই গুচি গল, ৰমেশো মনে মনে তাইৰ পিছে পিছে আগবাঢ়িল। দূৰৰ ঘৰটোত সি দেখিলে ছোৱালী জনীয়ে লাহে লাহে ভিতৰ সোমাই যোৱাৰ লগে লগে কিবাবোৰ ভাবিছে, সি

আৰু আগ নাবাঢ়িল, ঘৰটো চিনি থৈ সি লাহে লাহে গুছি আহিল ঘৰলৈ।

ঘৰৰ আগত বৈ থকা টেলিগ্ৰাম পিয়নটোক ৰমেশে দেখিলে। হাতত এখন টেলিগ্ৰাম লৈ সি ঠিয়দি আছে।

"কি পালা ?" ৰমেশে সুধিলে

এটা নমস্কাৰ জনাই সি ক'লে "টেলিগ্ৰাম আহিছে"

পিয়নটোৱে কাগজ এখনে পেন্সিল এদালে আগবঢ়াই দিলে। ৰমেশে চহী কৰি টেলিগ্ৰামটো খুলিলে "ফাৰ্ষ্ট ক্লাচ চেকেণ্ড" ৰমেশৰ পৰীক্ষাৰ খবৰ, তাৰ মনটো ভাল লাগিল। সি এবাৰ হাঁহিলে হয়তো ডিগ্ৰিটো লাভ কৰাৰ বাবে। মনটো আকৌ বেয়া লাগিল। ভিতৰলৈ উঠি গৈ সি দেউতাকৰ ফালে টেলিগ্ৰামটো আগবঢ়াই আঁতৰি গল। দেউতাকে লৰা লৰিকৈ টেলিগ্ৰামটো চাই অলপ হাঁহি ৰমেশৰ মাকক মাতি টেলিগ্ৰামটো দিলে।

"ফাৰ্ষ্ট ক্লাচ চেকেণ্ড" আনন্দত অধীৰ হৈ ৰমেশৰ মাকে ক'লে "ৰমেশে খবৰ পাইছেন ?"

"অঁ সিয়েইহে মোক আনি দিছেহি" দেউতাকে ক'লে।

আনন্দ আৰু প্ৰীতিৰ এটা হাঁহি মাৰি বৰুৱানী ভিতৰ সোমাই গল।

বাৰীৰ কাষৰ পুখুৰীটোৰ দলংখনতে বহি ৰমেশে কিবা খেলি মেলি ভাববোৰ বহুত পৰ ভাবিলে,

চাহটোপা খাই উঠি সি তাৰ কোঠাটোলৈ সোমাই গল।

এনেয়ে বিছনা খনতে আকৌ কাটি হ'ল, টোপনীটোৱে তাক আকৌ হেঁচি ধৰিলে।

প্ৰায় এঘাৰ বাজিল। মাকে তাক ভাত খাবলৈ জগাই দিলত কানত গামোছা খনলৈ ৰমেশে গাধোৱা ঘৰ সোমাল। গাধুই ভাত খাবলৈ ভিতৰ সোমাল। খাবৰ মন নগল। কেই গড়ামান খাই উঠি আহিল। ছোৱালী জনীৰ হাতৰ কোমল পৰশটোলৈ মনত পৰাত তাৰ অন্তৰত না না ভাবৰ সৃষ্টি হবলৈ ধৰিলে।

"অ' ৰমেশ তইধোন ভাত গড়ামাড়িয়েই উঠি আহিলি—কিয় ? পৰীক্ষাৰ ভাল খবৰ আহিছে দুটামান ভাত সৰহকৈহে খাব লাগিছিল, কি হল ভাতত ·কিবা ওলালনেকি ? নাই ৰন্ধা বেয়া হল।" তাকৰকৈ খোৱা দেখি ৰমেশৰ মাকে উধাতু খাই আহি ৰমেশক সোধে।

"একো হোৱা নাই এনেয়ে খাবৰ মন নগল" বুলি ৰমেশে মনে মনে থাকি ওপৰলৈ চাই কিবা ভাবিলে।

"নায় —গা অসুখ কৰিছে ?" মাকে আকৌ সুধিলে

"নাইকৰা—"

"তেনেহলে নাখালি কেলেই ডাক্তৰকে মতাম নেকি ?"

"ডাক্তৰকহে চিনি পোৱা। সংসাৰৰ আন খবৰকিবা তোমালোকে জানা জানো ?"

"তেনে অকনমান শুই থাক ভাল লাগিব।" বুলি কৈ মাক আঁতৰি যায়।

ৰমেশ শোৱে—দুপৰ হল আবেলি হল লাহে লাহে সন্ধ্যা লাগল—ৰাতি হ'ল। ৰাতিটো ৰমেশৰ কাৰণে নাযায় মুপুৱাই লাগল। ঘৰীটোৱে তিনটা শব্দ কৰি ৰল। ৰমেশে টোপনী

আনিবৰ বাবে খুব চেষ্টা কৰিলে—কিন্তু নাহে। তাৰ চকু দুটা মুকলি লাগে। সি উঠি বাহিৰ খোজে। মাজৰাতি অকলে অকলে বিছনা খনত বহি থাকিবলৈ তাৰ অলপ বেয়া লাগে। লাহেকৈ বাগৰ এটা মাৰি সি আৰাম কৰি আকৌ শুবৰ যত্ন কৰে, ৰাতি পুৱাবৰ সময়ত তাক টোপনী টোৱে হেছি ধৰে।

---

## ন

ডিব্ৰুগড়ৰ পৰা এজন আলহী আহি আজি দুদিন মান ৰমেশ হঁতৰ ঘৰতে আছে। আলহীৰ লগতে তেখেতৰ পৰিবাৰ। ৰমেশৰ মাক আৰু বাপেকৰে তেওঁবিলাক দুয়ো বয়সত সমানেই। "ভাত খালে—বহিছে" এনে ধৰণৰ দুই এটা কথা পতাৰ বাহিৰে ৰমেশে তেওঁ বিলাকৰ লগত হলিগলি কৰি কথা পতা নাই। পাতিবৰো কোনো আৱশ্যক হোৱা নাই। চাৰি বুঢ়া বুঢ়ী গোট খাইলৈ নানা কথা পাতে ধেমালী কৰে—তাৰ ভাগ লবলৈ ৰমেশে নিবিছাৰে।

দুপৰীয়া সেইদিনা ভাত খাই উঠি চাৰিও বুঢ়া বুঢ়ী বৈঠকখানাতে বহি কিবা কিবি কথা পাতি আছে, এনেতে ৰমেশে সেই ফালেদি কিবা এটা আনিবলৈ যোৱা দেখি আলহী বকৱাই মাত লগালে "বোপা! এইফালে আহাছোন।"

ৰমেশ কোঠাটোৰ ভিতৰলৈ সোমাই গল, চকী এখনতে ধৰি আলহী বুঢ়াৰ কথাবাৰ শুনিবৰ বাবে ঠিয় দি থাকিল।

ৰমেশ কাষলৈ অহাত মাকে ক'লে "আজি কেইবাদিনো ইয়াৰ গা ভাল নাই। ভাত পানীও খাব পৰা নাই শুকাই গৈছে।"

"গা বেয়া হবই, কলিকতাত থকা লৰা—তাতে সকলো পৰা নগৰতে ডাঙৰ দীঘল হৈছে নগৰতে খাইছে বৈছে—এতিয়া আহি গাঁৱত সোমাই আছেহি। ভাল সঙ্গ এটা নাই লগ এটা নাই—মনত অকনো ফুৰ্ত্তি লগাবৰ কোনো সুবিধা নাই। তেনেস্থলত লৰাৰ গা অসুখ হোৱাটো কোনো আচৰিত কথা নহয়।" ৰমেশৰ মাকৰ কথাবাৰ শুনি দয়াৰ ভাব ৰাখি ৰকৰাই কথাবোৰ কৈ যায়।

"মই তাক কেতিয়াবা কওঁ বোলো মোমায়েৰৰ ঘৰে চৰে ফুৰিচাকি আহগৈ, সি আকৌ মনকে নকৰে" মাকে কয়।

"বোপা! বলা ডিব্ৰুগড়ৰৰ ফালৈকে যাওঁ। সেইখনো অসমৰ কলিকতা বুলিয়েই ধৰাছোন—তাত দুদিন মান ফুৰিচাকি আহিলে মনো মুকলি লাগিব—গাও ভাল লাগিব। তুমি ডিব্ৰুগড় সকতেহে দেখা হব পায়। এতিয়া আৰু সেই ডিবুক হৈ থকা নাই। গধূলী বৈ অহা ব্ৰহ্মপুত্ৰৰ বতাহছাটি সচাকৈয়ে আৰাম দায়ক," ৰকৰাই ৰমেশক ক'লে।

কিতাপখন তেবুল এখনলৈ দলিমাৰি দি ৰমেশে ক'লে। "আজি ওঠৰ বছৰ কাল নগৰত কটালো, নগৰৰ হাৱাপানীয়ে আমাক ভালকৰি ছুতুলি বেয়াৰ ফালেহে টানিলৈ গল। আমাক নগৰীয়া হেৱাপানীয়ে সুখত থাকিবলৈ শিকালে—

কষ্টকৰি এমুঠি আৰ্জি খাবলৈ শিকাব নগৰে নাজানে। এতিয়া দুদিন মান গাৱঁত আছো। যদিওবা মোৰ চেহেৰাপানী অলপ বেয়া হৈছে তথাপি মই ইয়াত এটা অভাৱনীয় সুখ অনুভৱ কৰিছো। তেনে সুখ ডিব্ৰুগড় নালাগে কোনো নগৰেই দিব নোৱাৰে। প্ৰকৃতিৰ লীলা ভূমি গাওঁ আৰু তাতে এই গাওঁ মোৰ জন্মভূমি—খুব ভাল লাগে কথাটো ভাবিয়েই। তাতে মোৰ বিশেষ কামো আছে। কিবা কিবি সৰু সুৰা কাম দুটামান হাতত লৈছো, সেই কাম কেইটা হৈ নুঠেমানে মই কেনিও যাবলৈ ইচ্ছা কৰা নাই। তাতে আজি কেইদিনমান গাটোও ভাল নহয়। কেনিবা আতৰি গলে বেছি হয় বুলিও ভয় লাগে।"

"ঘৰত সোমাই থকাৰ বাবেইহে তোমাৰ এনে হৈছে। মুকলিৰতাহ সেৱন কৰিবলৈ গাৱৰ মাজত পোৱা নাযায়, সেই কাৰণেহে কৈছো—বোলো আমাৰ লগতে ব'লা সেইখনো তোমাৰ ঘৰ এইখনো তোমাৰ ঘৰ। যেতিয়া শৰীৰ ভাল হব তেতিয়া আকৌ গুছি আহিবা।"

"মোৰ জানিবা বেমাৰ হলেই তাতনো আকৌ ইহঁতে ভাবি মৰিব লাগে কিয়? মোৰ বেমাৰ হলে মই কষ্ট খাম ইহঁতৰ হব কি?" ৰমেশে মনতে কিবা কিবিবোৰ ভাৱে।

"আপুনি কোৱাটো সঁচা কথা তথাপি মই যাব নোৱাৰিম। সেইবাবে যেন মোক ক্ষমা কৰে।" বুলি ৰমেশে আঁতৰি যাবৰ উপক্ৰম কৰিলে।

"বোপা শুনাছোন" ভৱেশ বৰুৱাৰ পৰিবাৰ গৰাকীয়ে কিবা এটা কবৰ মনেৰে ৰমেশক আকৌ মাতিলে। অনিচ্ছাৰ ভাব থকা স্বত্ত্বেও বাধ্য হৈ ৰমেশ ঘূৰি আহিল।

"বোপা! তোমাক আমাৰ লগতে ডিব্ৰুগড়লৈ যাবলৈ বুলি দেউতাকেও ইমানকৈ ক'লে ময়ো কলো, তথাপি তুমি যাবৰ মন নকৰিলা। যি কি নহক যেতিয়াই তেতিয়াই তুমি কিন্তু আমাৰ ঘৰলৈ এপাক মাৰিবই লাগিব। তোমাৰ দেউতাৰ আৰু আমাৰ দেউতাকৰ ভিতৰত কিমান বন্ধুত্ব তুমি জানাই। গতিকে তুমি তেখেতৰ পো হোৱাৰ লগে লগে আমাৰো পো, তুমি আমাৰ ঘৰলৈ যোৱাটো তোমাৰ কৰ্ত্তব্যৰ ভিতৰৰে এটা নহয় জানো? সেই বাবেই তুমি আমাৰ ঘৰলৈ নমতা কৈয়ে যোৱা উচিত আছিল। এতিয়া অহা কুৰি তাৰিখে আমাৰ দেউতাৰ বাৰ্ষিক শ্ৰাদ্ধ গতিকে তালৈ তোমালোকৰ সকলোটিকে নিমন্ত্ৰণ কৰিলো, নগলে বৰ বেয়া পাম। তুমি যাবা বুলি হলে মই খুব আশা কৰি থাকিম।" বুলি কথাষাৰ কোৱাৰ লগে লগেই তেওঁলোক থিয় হ'ল আনকি ৰমেশে এবাৰ কথাষাৰ সলাগিবলৈকো সময় নোপোৱাকৈয়ে তাৰ পৰা আঁতৰি ৰমেশৰ কোঠাটোৰ পৰা বৰুৱানীয়ে ৰমেশৰ কলেজীয়া জীৱনৰ ফটো এখন হাতত লৈ বাহিৰ ওলাল। কথাবোৰ দেখি ৰমেশৰ খং খুবেই উঠিছিল। তথাপি ভদ্ৰতাৰ খাতিৰত খংভাৱ নেদেখুৱাই ৰমেশে ক'লে।

"ফটোখন থৈ যোৱা হলেই মই খুব ভাল পালো হেতেন।"

"এতিয়া নথও। তোমাৰ যদি একান্তই নহলে নহয় তেন্তে তুমি যাওঁতে লৈ আহিবা—বেয়া নাপাবা দেই। যাওঁ এতিয়া", কথাষাৰ কৈ সাজুহৈ থকা মটৰ খনত বহি পৰিল।

"মোৰ কাম বহুত যদিহে বিশেষ লেঠাত যাব নোৱাৰো তেন্তে বেয়া নাপায় যেন।" কবলৈ সুবিধা পাই ৰমেশে কথাষাৰ কৈ থলে।

"যাবা বোপা নিশ্চয় যাবা—মই সেইবোৰ নামানো" ভবেশ বৰুৱাই মটৰৰ ভিতৰৰ পৰাই কথা কেষাৰ ক'লে। লাহে লাহে মটৰখন কেকোৰা বাটৰ আঁৰত লুকাই পৰিল।

ৰমেশ তাৰ কোঠাটোৰ ভিতৰলৈ সোমাই গল। তাৰ আঁখি থোৱা ফটোখনৰ ঠাই দখৰ চালে, শুদা গজাল তিনটা এনেয়ে ঠিয়হৈ আছে। তাৰ ফটোখনকেই যদিওবা নিছে তথাপি তাৰ মনটো বেয়া লাগিল। ডেৰাজৰ ভিতৰৰ পৰা তাৰ চিঠি লিখা কাগজ কলম বোৰ উলিয়াই এনেয়ে কিবা কিবি বোৰ আঁকিলে।

## দহ

কেইবাটাও পোহৰ দিন আৰু আন্ধাৰ ৰাতি পাৰহৈ গৈছে। ৰমেশ আগৰ দৰেই নৈৰ ঘাটলৈ যায়। ছোৱালী জনীৰ ভাৱকথাবোৰ অলক্ষিতে থাকি গছৰ আঁৰৰ পৰা লক্ষ্য কৰে। সুন্দৰ মুখ, সুন্দৰ বগা বুকুখন, বগা ঘূৰনীয়া কোমল বাহু দুটা। কিবা এটা ভাবে ৰাক আমনি কৰেছি।

ছোৱালী জনীয়ে আগৰদৰেই কাঁহিবাটি ধোৱে কিন্তু অন্যমনস্ক ভাৱ। মাজে মাজে চাও নাচাও কৈ এবাৰ চাৰ খোজে। কিবা এটা ভাৱত তাইৰ মনটো গধুৰ হৈ উঠে, নিৰাশাৰ এটি হুমুনীয়া তাইৰ অন্তৰৰ পৰা ওলাই আহে। ৰমেশে নিজে কৰ নোৱাৰাকৈয়ে লাহে লাহে নৈৰ ফালে অতি সন্তৰ্পণে নামি গল, লাহে লাহে তেওঁ ছোৱালীটিৰ পিছ ফালে অলপ আতৰতে খন্তেক ৰল।

"দুদিনতেই মোক কিয় পগলা কৰিলা। কোন তুমি সুন্দৰ যুৱক।" ছোৱালী জীৰ মুখৰ পৰা অস্পষ্ট ভাষাৰে ওলোৱা কথাষাৰে ৰমেশৰ কানত স্পৰ্শ কৰে। তাৰ কান দুখন ৰঙা পৰি উঠে, উসাহবোৰ ছুটি হোৱা যেন লাগে। তথাপি নীৰৱতা ভঙ্গ কৰিবৰ কাৰণে ৰমেশে সৰুকৈ এটা শব্দ কৰিলে, চক্ খাই ছোৱালী জনীয়ে পিছলৈ ঘূৰি চাই

দেখে সেই যুৱক যাৰ বাবে তেওঁৰ অন্তৰত কেৰোন সোমাবলৈ সুবিধা পাইছে। তাইৰ মুখখন ৰঙা পৰি উঠিল, লাহেকৈ তলমূৰ কৰি তাই আকৌ কাঁহিবাটি বোৰ ধোৱাত ব্যস্ত হল। ৰমেশে সেইখিনিৰ পৰা লাহে লাহে আতৰি পানী ঘুঁৰলীলৈ নামি গল। গা ধোৱাৰ চলেৰে ৰমেশ পানীৰ কাষতে বহি কিবা এটা সোধো বুলি ভাবিলে। কপা কপা মাতেৰে ৰমেশে সুধি পেলালে খপ কৰে।

"আপুনি ধোন বৰ খিনালে কিবা অসুখ হৈছিলনেকি? সিদিনা আপোনাৰ চেহেৰা ভালেই দেখিছিলো।"

কথাৰ কি উত্তৰ দিয়া হব তাই এবাৰ ভাবিলে। কওঁনে নকও কৈ লাহে লাহে ক'লে।" "অসুখ একোৱেই হোৱা নাই।"

"তেন্তে ইমান খিনালে কিয়?"

"এনেয়ে"

কথা আৰম্ভ হ'ল যেতিয়া আৰু বুকু ডাঠ হল, ৰমেশে আকৌ সুধিলে "অপোনাৰ নামটি জানিব পাৰোনে?"

"জানিয়েই বা লাভ কি?"

"জানিলে আৰু লাভ কি? চিনি পাম। আগলৈ কব পাৰিম এই ছোৱালী গৰাকীৰ নাম অমুক। তেনেকৈয়ে অনেক কামত আহিব।"

এই চলতে তেওঁৰ নামটোও উলিয়াবৰ বুদ্ধি কৰি তাই ক'লে "মোৰ নাম জানিবলৈ দিয়াৰ আগতে এখেতৰ নামটো

জানিলে জানো বেয়া হয়।” অলপ লাজ ভাৱেৰে আৰতীয়ে কথাষাৰ কৈ এটোৱাৰ পিছত ভাবিলে—কি জানি বেয়া কামকে কৰিলো।

“মোৰ নাম? মোৰ নাম জানি আপুনি কি কৰিব?” হাঁহি এটা মাৰি ৰমেশে কলে।

“তেনেহলে মোৰ নামৰো আৱশ্যক নাই।” বুলি আৰতীয়ে কাঁহিবাটি বোৰ জাপিব ধৰিলে।

“মোৰ নাম নকলে যদি আপোনাৰ নামটো জনাৰ ভাগ্য আমাৰ নাই তেন্তে শুনক—মোৰ নাম ৰমেশ বৰুৱা। এতিয়া আপোনাৰ নাম জনাৰ ভাগ্য আমাৰ হবটো।”

“হয় হব—মোৰ নাম আৰতী বৰা” হাঁহি এটা মাৰি তাই ক’লে।

“বেচ সুন্দৰ নাম”।

“নিজৰটো যে মোতকৈও ধুনীয়া” বুলি মিচিকি হাঁহি এটা মাৰি আৰতীয়ে ৰমেশৰ ফালে কেৰাহীকৈ চালে।

“আপোনাৰ ঘৰ কোন খিনিত?”

“সিদিনা আপুনি যিটো দেখিছিল ”

“মই দেখিছিলো ?” আচৰিত হোৱাৰ ভাও ধৰি ৰমেশে সুধিলে।

“হয়।” আৰতীয়ে ক’লে।

“কোনে ক’লে আপোনাক?”

"চকু থকাবোৰে দেখিছেই—কব লাগিছে কোনে ?" ধেমালীৰ সুৰত আৰতীয়ে কলে।

"তেন্তে আপোনাৰ চকুত অলপ দোষ হৈছে।" ৰমেশে কথাষাৰ লুকুৱাবৰ যত্ন কৰি কয়।

"দোষ মোৰ চকুৰ নহয়—নিজৰ যেনহে লাগে।"

"ঠিক মোৰ চকুতেই দোষ।" পানী এচলুলৈ কুলকুলীয়াই পেলাই দি ৰমেশে ক'লে। ৰমেশে দোষটো নিজৰ গাত পাতিলোৱাৰ বাবে আৰতীয়ে যেন অলপমান লাজ পালে।

"এটা কথা সুধিব পাৰোনে ?" আৰতীয়ে ৰমেশক সুধিলে।

"জকল পাৰে—" ৰমেশে উত্তৰ দিলে।

"যদি জকল পাৰো তেন্তে আপোনাৰ যদি চিনাকি পালেহেতেন।"

"মোৰ ধোন চিনাকি পালেই আৰুনো কি চিনাকি দিব লাগে ?

"নামটোতেই চিনাকি পোৱা হয়নে আৰু ?"

"তেনে হলেনো আৰু কি লাগে ?"

"আপোনাৰ ঘৰৰ চিনাকি" বুলি কৈয়েই আৰতী লাহে লাহে পানীলৈ নামি গল।

'অ' কথা এটা সোধো বুলি পাহৰিলোৱেই এতিয়াই সোধো বেয়া পাবনেকি ?" ৰমেশে অনুমতি বিচাৰিলে।

"সোধক" দাঁত কেইটা ঘঁহি ঘঁহি আৰতীয়ে ক'লে।

"আপুনি পঢ়া শুনা কিমান জানে ?"

"অলপমান—কবলৈকে লাজ লাগে, কিয়নো সুধিলে ?"

"জানিবৰ ইচ্ছা কৰি সুধিলো, জানিবলৈ কিবা আপত্তি আছেনেকি ?"

"পঢ়াৰ কথানো কি কম, কোনোমতে এম, ভি পাছ কৰিলো। পঢ়িবৰ ইচ্ছা খুব আছিল কিন্তু দুৰ্ভাগ্যৱশতঃ বাবেই আৰু আগ বাঢ়িব নোৱাৰিলো, অ' আপোনাৰ চিনাকি নিদিলে নহয়।" সুবিধা পাই আৰতীয়ে আকৌ সুধিলো।

"মোৰ চিনাকি ? আপোনালোকৰ মৌজাদাৰক চিনি পাইনে বাৰু ?"

"ওঁ পাওঁ কিয় নাপাওঁ ."

"মই মৌজাদাৰৰ বৰ পুতেক, কলিকতাত পঢ়ি আছিলো গৈ। আজি কিছু দিন হল পৰীক্ষা দি ঘৰতে আছোহি। এতিয়া চিনি পালেতো।"

"হয় পালো, মোৰ দোষ ক্ষমা কৰিবনে ?" এটা বেজাৰ ভাৱ লৈ আতৰীয়ে প্ৰশ্ন কৰিলে।

"আপোনাৰ দোষ ?" ৰমেশে আচৰিত হৈ শুধিলে।

"হয় মোৰেই দোষ " বুলি আৰতীয়ে তলমূৰ কৰিলে।

"আপুনি মোক কি এনে ক্ষমা কৰিব লগা দোষ কৰিলে ?"

"মই আপোনাক চিনি নাপাওঁ, কোনোদিনে দেখা নাই সেই বাবেই আপোনাৰ উপযুক্ত ব্যৱহাৰ মই কৰিব পৰা নাই। মই "আপুনি" নামৰ অনুপযুক্ত মোৰ নিচিনা চালছিগা ভিকহুৰ

এজনী ছোৱালীক আপুনি 'তই' বাহিৰে আন সম্বোধন নকৰিব দাদা!"

"কেতিয়াও হব নোৱাৰে"—ৰমেশে আৰু কিবা দুষাৰ মান কব খুজিছিল এনেতে দূৰত মানুহৰ কথাপতা শুনা গল।

"মানুহ আহিছে। মই যাওঁ এতিয়া, যদি অপমান যেন বোধ নকৰে কালিলৈ ইয়াতে অলপ সোনকালে দেখা পালে কৃতাৰ্থ মানিম।"

আৰতী তাৰ পৰা আঁতৰি গল, লাহে লাহে ৰমেশো আঁতৰিল!

## এখাৰ

ডিব্ৰুগড়ৰ আলহী ৰমেশৰ ঘৰৰ পৰা যোৱা আজি কেইবা-দিনো হ'ল, যদিওবা আলহীয়ে ৰমেশক ডিব্ৰুগড়লৈ যেৱাৰ বিষয়ে টানি অনুৰোধ কৰিছিল তথাপি ৰমেশে তাৰ কথা অলপো ভবা নাছিল। ৰমেশে সেই বিষয়ে ভৱাটো বা তালৈ যোৱাটো কোনো আৱশ্যক যেনো বোধ কৰা নাছিল!

দুপৰীয়াৰ বেলিটো লাহে লাহে আগ বাঢ়িছে, ৰমেশে এনেয়ে কিবা কিবি কথাবোৰ ভাবি এখন পুৰণি আৱাহন ইলুটি সিলুটি কৰি চাইছে। তাতে আছিল এটা তাৰ গল্প। গল্পটো সি কলিকতাত থাকোতেই লিখা। কিমান যে যত্ন কৰি সেই গল্পটো সাজিছিল সি, গল্পটো লিখি এটোৱাৰ পিছত বহুত দেখি ভাবি তাৰ নাম দিছিল "বকৰানীৰ পোক।" ঘিন লগা নামটো। ইমান ভাল গল্পটোৰ সি নাম দিছে বকৰানীৰ পোক। সেইটো যেন সি লিখা গল্প নহয়। তাৰ যেন ইমান সুন্দৰ ভাৱে গল্প সজাই তুলিব পৰা শক্তি নাই। "সাহিত্যিক বোৰ সচাকৈয়ে ধন্য।" সিও যদি সাহিত্যিকেই হৈ উঠিব পাৰিলে হেতেন তেন্তে অজান অন্তৰৰ বুকুত সোমাই থকা ভাৱ ভাষা বোৰ উলিয়াই প্ৰকাশ কৰিব পাৰিলে হেতেন, ধুনীয়া ধুনিয়া গল্প লিখি সি তাৰ অন্তৰৰ অন্তৰতম কোনত জ্বলি থকা ভাবৰ জুইকুৰা জগতৰ চকুৰ আগত ডাঙি ধৰিব পাৰিলে হেতেন। আৰু তাৰ লিখনি পঢ়ি

জগতে হয়তো তাক সলাগিল হেতেন। তাৰ কিন্তু এতিয়া সেই শক্তি নাই। কি সৌভাগ্যৰ ফলত তাৰ সেই "বকৰানীৰ পোকে" ইমান মূল্যৱান আৱাহনৰ মাজত ঠাই পালে সেই কথা ভাবিয়েই সি অবাক। আকৌ সি ভাৰ গল্পটো এবাৰ পঢ়ে।

"বাবু চিঠি আছে"

খাকি কাপোৰৰ পোষাক পিন্ধা পিয়নটোৱে মাত দিলে। ৰমেশ বাহিৰ ওলাই গল পিয়নে কেইখন মান চিঠি উলিয়াই দি চেলাম কৰি গুছিগল। চিঠি কেইখন লৈ ৰমেশে আকৌ তাৰ কোঠাত সোমাই ওপৰৰ ঠিকনাবোৰ চায় গল। তাৰ মাজৰ সৰহ ভাগ চিঠি আছিল ৰমেশৰে। এখন অচিনাকি আখৰৰ চিঠি দেখি ৰমেশে চিঠিখন খুলিলে, তাৰ মাজত এখন ছোৱালীৰ ফটো। ধৰণে কৰণে কোনোবা বৰ ডাঙৰ মানুহৰ ঘৰৰ ছেৱালী বুলিয়েই ৰমেশে বুজিলে। মুখৰ আগত ফটোখন খন্তেক ধৰি গাৰুটোৰ ওপৰতে থৈ চিঠিখন খুলি তলৰ নামটো চাই দেখে "ভৱেন বৰুৱা, ডিব্ৰুগড়" অ' আমাৰ অতিথি, ৰমেশে মনতে ভাবিলে।

ৰমেশে চিঠিখন পঢ়িলে, তেওঁবিলাক হেনো ভালে কালেই ডিব্ৰুগড় পালেগৈ, লগতে ৰমেশৰ দেউতাকৰ সৈতে কথাবাৰ্ত্তা পাতি তেওঁ বিলাকে হেনো বহাগৰ পচিশ তাৰিখে বিয়াৰ দিনো ধাৰ্য্য কৰি থৈ গৈছে। ফটোখন তেওঁ বিলাকৰে কন্যা শ্ৰীমতী মীৰা বৰুৱাৰ। আৰু সৰ্ব্বশেষত শ্ৰাদ্ধলৈ জৰুৰী নিমন্ত্ৰন।

চিঠিখন পঢ়ি ৰমেশৰ খং উঠিল, তথাপি ঘূৰাই ঘূৰাই দুই

তিনিবাৰ মান পঢ়িলে, মীৰাৰ ফটোখন হাতত লৈ ৰমেশে মিলালে আৰতী আৰু মীৰাক।. মীৰাৰ তুলনাত আৰতী জনী যে কিমান সুন্দৰ! মুখৰ গঠন কথাৰ ভঙ্গিমা প্ৰতি কথাতেই প্ৰতি খোজতেই যেন কিবা এটা নতুন ভাবৰ নতুন প্ৰাণৰ সন্ধান বিচাৰি পায় ৰমেশে আৰতীত। আৰতী যেন অলিক গুণ সম্পন্না এটি দেৱকন্যা, মীৰা—তাইৰ গাভটোত সেই লাৱণ্যতা সেই কমনীয়তা গুণ দেখা নাযায়। ৰমেশে ভাবে চিঠি খনৰ উত্তৰ নিদিয়া টোৱেই ভাল হব। তথাপি কিবা এটা ভাৱে ৰমেশৰ অন্তৰত খুন্দিয়াই দিলে চিঠিৰ উত্তৰ দিবলৈ। চিঠি লেখা কাগজ এখন উলিয়াই লৈ ৰমেশে আৰম্ভ কৰিলে।

শ্ৰদ্ধাস্পদেষু!

হথাৎ আপোনাৰ চিঠি পাই আচৰিত নহৈ নোৱাৰিলো, আপোনালোকে মোক একো শুংস্বুত্ৰ নিদিয়াকৈ বিয়াৰ সম্পূৰ্ণ আয়োজন কৰিয়েই পেলালে, এই কাম আপোনালোকৰ পক্ষে যুক্তিযুক্ত হোৱা নাই। না না কাৰণত মই বৰ্ত্তমান বিয়া কৰাবলৈ একেবাৰে অপৰাগ-গতিকে আপোনালোকে অবাবত জঞ্জালত সোমাই নলব আৰু মোকো টানি নিনিব। আজিৰ যুগ এনে যুগ নহয় যে অভিভাৱকে স্থিৰ কৰা এজনী ছোৱালীক কোনো এটা দৰাই নেদেখা নুশুনা কৈয়ে বিয়াকৰাই ভেটুত গলগ্ৰহ লগাই লব। দৰা আৰু কন্যাৰ সম্পূৰ্ণ মন মিলাৰ পিছত হে বিয়া হোৱা নোহোৱাৰ এটা সিদ্ধান্তলৈ আহিব লাগে। শ্ৰাদ্ধলৈ নিমন্ত্ৰণ কৰিছে জানি সুখী হৈছো, মোৰ কিন্তু সময়ৰ বৰ

অভাব। যাবনোৱাৰিলে কোনোমতেই বেয়া নাপাই যেন। নমস্কাৰ গ্ৰহণ কৰিব।—ইতি

আপোনাৰ

ৰমেশ—

চিঠিখনি লেখি এটাই ৰমেশে ভাবিলে চিঠিৰ লগতে মীৰাৰ ফটোখনো পঠাই দিওঁ। কিন্তু তেনে ধৰণৰ বহুত ফটোৱেই ৰমেশৰ হাতত আছে গতিকে সেইখনো তেওঁৰ এলবামৰ মাজত থাকিলে কোনো ক্ষতি নহয় বুলি ৰাখি থলে।

ৰমেশ আলমাৰিটোৰ কাষলৈ উঠিগল। দীঘল ওখ আলমাৰীটোত লাগিথকা ডাঙৰ আইনা খনত তাৰ গোটেই শৰীৰটোৱেই জিলিকি উঠে। তাৰ নিজৰ সুন্দৰ সুঠাম শকত আৱত শৰীৰটো দেখি এনেয়ে ভাল লাগে। তেবুলৰ পৰা ফনি খন নি মূৰটো আঁচোৰে।

আলমাৰিটো খুলি ৰমেশে এলবাম বহিটো উলিয়াই আনে। এখন-দুখন ৰমেশে ছবিবোৰ লুটিয়াই যায়। কোনো এখন ছবিয়েই তাৰ তন্তুৰত সাঁচ বহুৱাবলৈ সুবিধা নাপাই। খালি অকনমান ঠাইত ৰমেশে মীৰাৰ ফটোখনো সুমুৱাই থলে।

# বাৰ

ৰাতি পুৱাল। পূবফালৰ পৰা বৈ অহা মলয়া বতাহে ৰমেশৰ খিৰিকিয়েদি সোমাই তাৰ শৰীৰ শীতল কৰি থৈ গল। বহুত দূৰত কুকুৰাই পুৱতি ডাক দিলে। কেইজনী মান কাউৰীয়ে কা কা কৰি ঘৰৰ ওপৰেদি উৰা মাৰিলে—হয়তো গিৰিহঁতক কৈ গল "ৰাতিপুৱাল উঠ।"

ৰমেশ বিছনাত উঠি বহিল। চকু কেইটা মোহাৰি বন্ধ হৈ থকা খিৰিকি খনো খুলি দিলে। আৰু এসোপা পোহৰ আহি ৰমেশৰ কোঠাৰ ভিতৰ সোমাল। ভৰিত চেন্দেল জোৰ পিন্ধি ৰমেশে লাহে লাহে দুৱাৰ খন মেলি ওলাই আহিল। সক সক চৰাই বিলাকৰ চিঁ চিঁ মাতে ৰমেশৰ অন্তৰত আনন্দ লগালে। একেলগে ফুলিথকা গোলাপ ফুল দুটি চিঙিলৈ ৰমেশ আগবাঢ়ি গল নৈৰ ফালে।

"অ' আপুনি।" ৰমেশৰ ভৰিৰ খোজত আৰতীয়ে চক্ খাই ঘূৰি চাই কয় "মই আকৌ আপুনি আজি নাহিব বুলিহে ভাবিছিলো।"

"কিয় নাহিব বুলি ভাবিছিলে?" ৰমেশে সোধে। সি কিবা এটা খুব সুন্দৰ উত্তৰ পাবলৈ আশা কৰে। আৰতীয়েও হয়তো এটা সুন্দৰ উত্তৰ দিয়াৰ কথাই ভাবে। "সংসাৰ খন এনেকুৱাই সেই বাবেই"—তাকেই সুন্দৰ উত্তৰ বুলি তাই ভাবি কয়।

"তাৰ মানে।"

তাৰ মানে—ধনী আৰু দুখীয়া এই দুটা শ্ৰেণী লৈয়েই আজিৰ জগত আগ বাঢ়িব লাগিছে। ধনীৰ ওচৰত দুখীয়া নিঃচ সি লাগে যি জাতৰেই নহক ধনী হলেই সি উচ্চস্থান পায়। আজিৰ জগতত মানুহে মানুহক জোখে জ্ঞানৰ বা জাতীৰ মাপ্ কাঠি লৈ নহয়—ধনৰ মাপ্ কাঠিৰেহে। আজি যদি মই ধনী হলো, তেন্তে মোৰ মান যশ গৌৰৱ সকলোবোৰ কায ছাপি আছিল। সকলোৱেই মোক আদৰ কৰিব। সকলোৱেই মোক সন্মান কৰিব। কিন্তু যদি মোৰ আজি ধন নাই তেন্তে একো নাই। আৰু আপুনি······

"আৰতী"

"কক দাদা—"

"তুমি কি বোৰ কৈছা?"

"মই কিকৈছো আপুনি নাই বুজা?"

"নাই বুজা।"

"সুবুজিবটো—ইয়াত আপোনাৰো স্বাৰ্থ আছে। আপুনিও সেই একেই ধনী—তেন্তে কিয় বুজিব?"

"সঁচাকৈয়ে আৰতী মই তোমাৰ কথা বিলাকৰ একো মোৰ পোৱা নাই। আজি এই ৰাতিপুৱাতে তোমাৰ মুখত এনে ধৰণৰ জটিল কথাই স্থান লবলৈ কিয় সুবিধা পালে?"

"সেইটো আপুনি সুবুজে দাদা। দুখীয়াৰ দুখ আপোনা-লোকে বুজিব পৰা শক্তি আপোনালোকৰ গাত নাই। দুখীয়াৰ

তপত হমুনীয়াই চহকীৰ অন্তৰত গৰম তেজৰ সোঁত বোৱাব নোৱাৰে। দুখীয়াৰ এটুপী চকুৰ পানীয়ে চহকীৰ হৃদয় সাঁত পেলাব নোৱাৰে। দুখীয়াৰ ক্ৰন্দনৰ বোলে চহকীৰ অন্তৰত হাঁহিৰহে খলকণি তোলে বেজাৰৰ নহয়।”

“আৰতী—তুমি আৰু এনে পাগলামী নকৰিবা। যদি বেয়া পাইছা কোৱা এই মুহূৰ্ত্তেই মই চকুৰ আগৰ পৰা আঁতৰ হওঁ। আৰু যদি তুমি ইচ্ছা কৰা মই তোমাক আৰু দেখা নিদিওঁ— বুজিছা ?”

“বুজিছো। আপুনি মোক দেখা দিবলৈ ইচ্ছা নকৰে। তাকেই মই ইমানপৰ কলো আৰু আপুনি সেই একে কথাকেই বুজি নুবুজাৰ ভাও ধৰিলে। এতিয়া বুজিলে—মোৰ অন্তৰৰ কথা আপুনি ধৰিব পাৰিলে, মই জানো আপুনি মোক দেখা দিবলৈ ইচ্ছা নকৰে। সেই বাবেহে কৈছো—”

“আৰতী—মইটো নিজ ইচ্ছামতে তোমাৰ চকুৰ পৰা আঁতৰত হব খোজা নাই। মই চহকী আৰু তুমি দুখীয়া। সেই বাবেই তুমি মোক দেখাত তোমাৰ অন্তৰত বিদ্ৰোহৰ জুই উঠিছে। তোমাৰ হিয়া সাঁত পেলাবৰ বাবেইহে কৈছো আৰতী! তোমাক আৰু দেখা নিদিও। বিদাই মাগিছো।

“দাদা শুনক—” কেইখোজমান আগবাঢ়ি যোৱাৰ পৰা ৰমেশ পিছুৱাই আহে।

“আপুনি মোক দেখা নিদিয়ে কাৰণ আপোনাৰ অন্তৰ জুৰ পেলাব ডিব্ৰুগড়ৰ চহকীৰ কন্যা মীৰাই। কিন্তু মই দুখীয়া

মোৰ অন্তৰ কেনেকৈ জুৰ পেলাম দাদা ? ভাবিছিলো—বাৰু সেই বোৰ বাদ দিয়ক। আপুনি মোক এটা বস্তু দিবনে দাদা ”

“বস্তু ? চহকীৰ বস্তু দুখীয়াই কেনেকৈ ৰাখিবা ?”

“দুখীয়াৰ বস্তু লবলৈ ধনীয়ে ঘিন কৰে কিন্তু ধনীৰ বস্তু দুখীয়াই খুব আদৰেৰেই গ্ৰহণ কৰে। সেই কথা জানে জানো ?”

“কি বস্তু ?”

“আপোনাৰ এখনি ফটো। আপুনি মোক এৰি গুছিযাব। মইতো আপোনাক এৰিব নোৱাৰিম। আপোনাৰ ফটো-খনিয়েই মোৰ অন্তৰত আপোনাৰ ছবিটি চিৰদিনৰ কাৰণে জীয়াই ৰাখিব।”

“আৰতী—তুমি মোক ভুল বুজিলা আৰু ময়ো তোমাক ভুল বুজিলো। মোৰ ভুল ধৰা পৰিল কিন্তু তোমাৰযে সি ভুল ৰৈয়েই গল, তোমাৰ ভুল তুমি শুধৰাই লোৱা।”

“মোৰ ভুল ?”

“অঁ তোমাৰ ভুল।”

“কি ভুল হল দাদা ?”

“আজিলৈ সময় নাই। কালিলৈ অ’ নহয় মই ঘূৰি আহি তোমাৰ ভুল শুধৰাই দিম।

“ঘূৰি আহি মানে আপোনাৰ বিয়াৰ পিছত।”

“কেতিয়াও নহয়—কালিলৈ পুৱা বিশেষ লেঠাত মই কলিকতালৈ যাম। কেইদিন মানৰ পিছত ঘূৰি আহিম।

তাৰ পিছত এই নৈৰ ঘাটতে বহি বহি মই তোমাক সকলো কম্ ।"

"মোক ক্ষমা কৰিব দাদা। দয়াকৰি যদি আজি ছুপৰীয়া আমাৰ ভগা পঁজাত ধূলা দি আহে তেন্তে নিশ্চয় কৃতাৰ্থ হম ।"

"বাক যত্ন কৰিম, যাব নোৱাৰিলে বেয়া কিন্তু নাপাবা দেই, বিশেষ লেঠাত নপৰিলে যাম বাক। এতিয়া বিদায়—"

"—বি—দা—য়" ৰমেশ লাহে লাহে আতৰি যায়।

আৰতীয়ে এটা গীত গায় অতি বেজাৰেৰে।

## তেৰ

আৰতীৰ বয়স প্ৰায় ওঠৰ। পূৰ্ণ যৌৱন সম্পন্না হোৱাৰ লগে লগে আৰতী কাম কাজ আদিতো বেছ পাৰ্গত হৈয়েই উঠিল লৰা হলে সোনকালে অনা আৰু ছোৱালী হলে সোনকালে দিয়াৰ ভাব মাকৰেই বেছি। ছোৱালী মানুহ হবলৈ পোৱাৰ লগে লগেই মাকৰ মনত চিন্তা আহে কেনেকৈ ছোৱালীজনী বিয়া দিওঁ। আৰতীৰ ৰূপ যৌৱন ভৰি পৰাৰ লগে লগেই মাক মালতীৰো সেই চিন্তাই আহিল। ভৱধৰে জানে ছোৱালী বিয়া দিব লাগে। কিন্তু বিয়া দিয়ে ক'লৈ সেই কথা ভাবিবৰ অৱসৰ তেওঁ পোৱা নাছিল আৰু আৱশ্যকতা বোধো নকৰিছিল। গতিকেই মালতীৰ চিন্তা ভালকৈয়ে লাগিছিল।

ভাত খাই উঠি ভৱধৰ আহি এদিন ৰ'দ কাচলিতে বহিছে। অলপ পিছতে আৰতীৰ মাক জীয়েকেও খাই উঠিল। ভাত খাই উঠি আৰতী নিজৰ কামত লাগিল। মালতীয়ে হাতত তামোলৰ বটাটো লৈ আহি তামোল এখন কাটি ভৱধৰৰ ফালে আগ বঢ়াই দি ক'লে "তামোল খক"।

ভৱধৰে তামোল এখন নি মুখত দিয়াৰ লগতেই মালতীয়ে ক'লে—

"পিছে এটা কথা নহয়? গাভৰু ছোৱালী জানো সদায় ঘৰতে ৰাখে। ভাল লৰা এটা চাইচিতি ছোৱালী জনীক গতাব লগা নহল জানো?"

"এৰা মই কেতিয়াবা কথাটো ভাবো, পিছে তাৰ সিদ্ধান্ত কৰিবলৈ নৌ পাওঁতেই আকৌ পাহৰি যাওঁ। ছোৱালীও বিয়া দিব লাগে ঘৰ দুৱাৰ কেইটা ভাগিল তাকো সজাব লাগে কোন ফালে কি কৰো মই ভাবিয়েই বিচুৰ্ত্তি হৈছো দেওহে।"

"ছোৱালী জানো সদায় ছোৱালী হৈয়েই থাকিব। এদিন দুদিন কৰি তাই আজি ওঠৰ বছৰত ভৰি দিলেহি, তাই মানুহ হোৱাই হল আজি দুবছৰ। আপোনালোক মতামানুহবোৰৰ গাত এইবোৰ কথা অকনো নালাগে। আমিহে খালি ভাবি মৰিব লাগে।"

"আও তাই মানুহ হোৱা দুবছৰ হলনে? মোৰ হলে সিদিনা যেনহে লাগি আছে দেও। আজি কালিৰ বছৰ বোৰ বৰ বেগেতে যায় হবলা, কেতিয়াবা কেতিয়াবা মই এই বিষয়ে ভাবো তাৰ কোনো সিদ্ধান্ত হবলৈ নৌ পাওঁতেই তাক পাহৰি যাওঁ। পিছে একোমোৰকে নাপাওঁ যি কি নহক বাৰু দৰা এটিৰ খা খবৰ কৰিব লাগিব। য'তে ত'তে এটা ধৰি কাৰবাৰ কোনোবাক বিয়া দিয়াদিটো দিব নোৱাৰি।"

"সেইটোনো আৰু মই কি কব লাগিছে আপুনি নিজেই যি কৰে কৰিব আৰু।"

"অ' আৰতি—"মাকে বাহিৰৰ পৰাই ভিতৰত কামত ব্যস্ত থকা আৰতীক মাতে।

"কি—বউ—"

"তামোল এটা দি থৈ যাহিছোন।"

ভাতখোৱা মাজিয়াতে হাতখন ধুই আৰতীয়ে তামোল দুটা লৈ ওলাই আহি বটাটোৰ ওপৰত থয়। ভৱধৰে কিবা এটা ভাৱে আৰতীৰ মুখ খনিলৈ চালে—“এই জনী মোৰেই ছোৱালী ময়ে এইৰ বাপেক” তেওঁ যেন মনতে গৰ্ব্ব অনুভৱ কৰে।

“চাহপানীৰ তলত জুই কুৰা দি দিবিছোন, পিতাৰক চাহ লাগিবই নহয় এতিয়া” মাকে কয়।

“ওঁ দিওঁ গৈ” বুলি আৰতী আকৌ ভিতৰ সোমাই যায়।

আৰতীৰ মাকে তামোল এখন কাটি আকৌ ভৱধৰক দি উঠি যায়, ভৱধৰো লগতে উঠি গৈ এখন ধৰ্ম্মসম্বন্ধীয় কিতাপ এখন আনি ওপৰে ওপৰে চায়।

অলপৰ পিছতে আৰতীয়ে চাহপানী এবাটি আনি বটা এটাৰ ওপৰত দি যায়। ভৱধৰে কিতাপৰ ওপৰত চকু দুটা ৰাখিয়েই চাহ পানীত বাটিটো লৈ এসোহা দুসোহা কৰি খাবলৈ ধৰে। কাষত কাঁহিবাটিবোৰ লৈ আৰতী লাহেকৈ ওলাই যায় নৈ লৈ।

# চৌধ

ৰমেশ বাগীছাৰ কামত পিছদিনাই অসম মেইলৰ যোগে কলিকতালৈ ৰাওনা কৰিলে। বিদেশলৈ যোৱাৰ আয়োজন কৰাত ব্যস্ত থকাৰ বাবেই ৰমেশে সেইদিনা আৰতীৰ নিমন্ত্ৰ ৰক্ষা কৰিবলৈ সময় উলিয়াব নোৱাৰিলে।

ৰেলৰ টিকটটো কাটি গাড়ী খনত বহিলৈ ৰমেশে ভাবিলে আৰতী জনী কেনে ধৰনৰ ছোৱালী—তাৰ উত্তৰ কিন্তু বিচাৰি উলিয়াব নোৱাৰিলে। বাকচটো খুলি এখন দীঘল উপান্যাস উলিয়াই আনি ৰমেশে অলপ ভাল হৈ বহি পঢ়িবৰ যত্ন কৰিলে।

পিছদিনা এটা ৰজাত ৰমেশ কলিকতা মহানগৰীত উপস্থিত হল। ওখ ওখ অট্টালিকাৰ মাজেদি গৈ থাকোতে সি দেখা পায় ৰাস্তাৰ কাষত থৈ দিয়া জাবৰ পেলোৱা টিং বোৰ।

কোনোবা এজন ধনীৰ ঘৰৰ পৰা কিছুমান পেলনি যোৱা ভাত ওপৰৰ পৰা পেলাই দিয়ে সেই টিংটো লক্ষ্য কৰি। তাৰ কাষৰে পাজৰে বগা ভাত বোৰ সৰিপৰে। ৰমেশ আগ বাঢ়ি যায়।

দুটা মানুহে সেই ভাত বোৰ বোতলাত কঢ়া আজোৰা লগায়। জাবৰৰ লগত মিলি যোৱা বগা ভাতবোৰ এটা মানুহে অতি সযতনে বুতলিব ধৰে এটা কাউৰী এটা শালিকা বা এটা কুকুৰৰ দৰেই। বুকৰ হাড়বোৰ তাৰ ওলাই গৈছে। অৰ্দ্ধনগ্ন অৱস্থাত

অতি হেপাহেৰে গোটোৱা জাবৰৰ টিঙৰ ভাত কেইটালৈ ৰমেশে এবাৰ চায়। মানুহটোৱে ভাত কেইটা ওচৰৰ পানীৰ কলটোত ধুইলৈ খাবলৈ বহে। দুচকুৰেদি ৰমেশৰ পানী ওলায়।

"সোনৰ বাংলা"ৰ এইটো এটা সোন বৰনীয়া সোনালী তুলীৰে তুলি থোৱা চিত্ৰ। বঙ্গালীৰ কিছুমানে স্বৰ্গৰ দেৱতাৰ দৰে থাকি স্বৰ্গসুখ লাভ কৰিছে। আৰু আনহাতে কিছুমানে তাৰ জীৱন ধাৰনাৰ বাবে জাবৰৰ লগত মিলি থকা বগা বগা ভাত কেইটা সংগ্ৰহ কৰি বহিছে তাৰ পেটৰ পোৰণি মাৰ নিয়াবলৈ। ধন্য কলিকতা চহৰ, ধন্য বঙ্গালী তোমালোকে খালি বৃহত্তৰ বঙ্গ তৈয়াৰ কৰাত ব্যস্ত।

কথাবোৰ ভাবি ভাবি ৰমেশে জেপৰ পৰা কেই অনা মান পয়ছা উলিয়াই আনি সেই মানুহটোৰ ফালে আগবাঢ়ি যায়। হেজাৰ হেজাৰ বাটৰুৱা অহা যোৱা কৰিছে তাৰ ভিতৰতে ৰমেশো এটা বাটৰুৱা কত শত বাটৰুৱাই সেই মানুহটো দেখিছে তথাপি কাৰো ভাবিবৰ সময় নাই।

পয়ছা কেইটা সেই মানুহটোৰ আগত সৰি পৰা দেখি সি অবাক হৈ ওপৰলৈ চাই পঠিয়াই—কোনোবা এজন অচিন যুৱক। পয়ছা কেইঅনা লবৰ কাৰণে ৰমেশে তাক ইঙ্গিত দিয়ে। এটা আনন্দৰ হাঁহি মাৰি ৰমেশলৈ সভক্তিৰে এটা প্ৰণাম জনাই মানুহ টোৱে পইছা কেইঅনা তুলি লয়। খন্তেকৰ পিছতে ৰমেশ মানুহৰ মাজত সোমাই পৰি তাৰ পৰা আতৰি যায়। কিবা মোৰ নাইকিয়া কথাবোৰ ভাবি ৰমেশ আগবাঢ়ে। তেওঁ

বহুত দূৰ যাব লাগিব কিজানি এমাইল, মানুহৰ মাজে মাজে বাটত খোজকাঢ়ি গৈ থাকি ৰমেশৰ আমনি লাগিল। ওচৰত বৈ থকা টম্ টম্ অলা এটালৈ ৰমেশে চুকু দিলে। সি আহি ওচৰত হাজিৰ হৈ সুধিলে "বাবু কাহা যায়েগা" ৰমেশে উত্তৰ দিলে "চেণ্ট্ৰল এভিনিউ।"

এজনী অৰ্দ্ধনগ্ন সৰু ছোৱালী আহি ৰমেশৰ ওচৰত হাত পাতিলে ওচৰত থকা বহুত মানুহৰ কাষত থিয় হৈ তাই তাইৰ শুকান কোমল হাতখন আগবঢ়াই দিলে। তাইৰ হাতখন খালি হৈয়ে ৰল। কোনেও এটা পয়ছাও তাইক দিবৰ ইচ্ছা নকৰিলে। টম্টম্অলাটো খন্তেক পৰ থমকি ৰল। সি তাৰ ককালৰ খোছনিটোৰ পৰা দুঅনা পয়ছা উলিয়ালে তাৰ পিছত সেই পয়ছা দুৱনা ছোৱালী জনীৰ হাতত গুজি দি তাৰ কামত সি গুছি গল। ৰমেশে ভাবিলে দুখীৱাৰ জীৱন কোনে অনুভৱ কৰিব পাৰে চহকীয়ে নে দুখীয়াই। এটা অৰ্দ্ধ নগ্ন টম্টম্আলাই এজনী অৰ্দ্ধনগ্ন ছোৱালীৰ দুখ ততালিকে অনুভৱ কৰিব পাৰিলে। কিন্তু যিবোৰ ধনী যি বোৰ ধনীয়ে দুখীয়াক চেপি চেপি খাব লাগিছে সেই বোৰে ইহঁতৰ কথা জানো এবাৰো ভাবি চাইছে।

"বাবু! কোন নম্বৰ বাৰী" টম্টম্অলাটো লৰি গৈয়েই আছে। সি ইমান দূৰ—এমাইল মানুহৰ ভীৰ মটৰ আদি যানবাহনৰ নানা শব্দক কটাক্ষ নকৰি সৰু জুমুকাটি বজাই সি লৰিয়েই গৈছে। কেই অনা মান পয়ছাৰ আশাত হয়তো চাৰি অনা বা পাঁচ অনা।

টম্‌টম্‌অলাৰ মাতত ৰমেশে চক খোৱাৰদৰে উঠি শুধিলে আঁ—অ ৮৪ নং ঘৰ।

টম্‌টম্‌খন বল। ৰমেশ তাৰ পৰা নামি তাক ছয় অনা পয়ছা দি ঘৰৰ ভিতৰলৈ সোমাই গল। কিবা এটা আনন্দত সেই মানুহটোৰ অন্তৰখন আনন্দত উঠলি উঠিল। বোধহয় আশা কৰাতকৈ দুই অনা পয়ছা সৰহ পোৱা দেখি। কিবা এটা উৰিয়া ভাষাৰ গান গাই টম্‌টম্‌অলাটো কেনিবা আতৰি গল।

# পোন্ধৰ

ডিব্রুগড়ৰৰ বৰুৱাৰ বছৰেকীয়া শ্ৰাদ্ধৰ দিন লাহে লাহে চমু চাপি আহিল। আগেয়ে ৰমেশক টানি অনুৰোধ কৰাৰ উপৰিও আৰু দুখন চিঠি এখন ৰমেশৰ দেউতাকলৈ আৰু এখন ৰমেশলৈ নিমন্ত্ৰন হিচাপে আহিল। ৰমেশে কলিকতাৰ পৰা আগদিনা আহি পায়েই নিমন্ত্ৰনৰ চিঠিখন পাই একলীয়া কৰি থৈ দিলে। শ্ৰাদ্ধলৈ যোৱাৰ মতলব ৰমেশৰ অলপো নাছিল। ৰমেশৰ দেউতাকে ৰমেশক ক'লে বৰুৱাৰ নিমন্ত্ৰন ৰক্ষা কৰিবলৈ। ৰমেশৰ ইচ্ছা নথকা স্বত্তেও দেউতাকৰ আদেশ পালন কৰিবৰ কাৰণে যাবলৈ বাধ্য হল। মাকে আৱশ্যকীয় বস্তু বাহানি গোটাই দিলে তৃতীয় দিনা বৰুৱাৰ ঘৰত সকাম. গতিকে পিছাদিনা যাবই লাগিব।

ৰাতিপুৱাল। ৰমেশ শুই উঠি চাহ তাহ খাই ওলাল। সেই দিনা যোৰহাটত বায়েকৰ ঘৰত থাকি পিছ দিনা ৰাতিপুৱা ডিব্রুগড়লৈ যাবগৈ। মটৰ আহি ঘৰৰ আগত হাজিৰ হ'ল। লগত যাবলৈ ওলোৱা ড্ৰাইভাৰটোক পিছলৈ পঠিয়াই দি ৰমেশে নিজেই গাড়ী চালক হৈ বহিল। আবেলি প্ৰায় দুটামান বজাত ৰমেশ আহি বাইদেৱেকৰ ঘৰৰ আগত উপস্থিত হলহি।

ভাত পানী খাইবৈ উঠি ৰমেশে বায়েকৰ লগত নানা কথা বাৰ্ত্তা হোৱাৰ লগতে ডিব্রুগড়লৈ সকাম খাবলৈ অহাৰ কথাকৈ

বকৰাই কি উদেশ্যেৰে তেওঁক ইমান যোৰকৈ মাতিছে আৰু দেউতাকেও কি উদেশ্যেৰে পঠিয়াইছে সেই কথা কৈ বায়েকক অনুৰোধ কৰিলে বিয়া খন কেতিয়াও নাপাতিবলৈ।

"তুমিনো বিয়াখন পাতি নেপেলোৱা কেলৈ?" বায়েকে ৰমেশৰ সুধিলে।

"মোৰ মন নাই তাতে ধনীৰ ঘৰৰ ছোৱালী বিয়া কৰোৱাত মই অলপো সম্মতি দিব নোৱাৰো।"

"কিয়"

"কিয় তুমি নিজেই জানা বাইদেউ!" ৰমেশে কলে,

অনেক তৰ্ক কৰাৰ পিছত বাইদেৱক মান্তি হ'ল সেই কথা দেউতাকক জনাবলৈ। ৰমেশে যেন উশাহ পালে।

পিচদিনা ৰাতিপুৱা চাহ জলপান খাই ডিব্ৰুগড় অভিমুখে ৰমেশে গাড়ী চলাই দিলে। সুন্দৰ নতুন গাড়ী কোনো অসুবিধা নোহোৱাকৈয়ে ৰমেশে গৈ বকৰাৰ ঘৰৰ আগত মটৰ ৰখালেগৈ।

বকৰাৰ ঘৰত শ্ৰাদ্ধৰ খুবেই আয়োজন চলিছে। সুন্দৰ বঙ্গলাটি নানা ধৰনৰ বস্তুৰে সজোৱাত আৰু সুন্দৰ হৈ উঠিছে। অহা আহিছে যোৱা গৈছে। মানুহ দুনুহ আহি বহিবৰ বাবে আৰু খাবৰ কাৰণে বেছ সু-বন্দবস্ত কৰিছে।

ৰমেশৰ মটৰৰ দীৰ্ঘলীয়া হৰ্ণ শুনি বকৰাই ভিতৰৰ পৰা মূৰ তুলি চাই ৰমেশক দেখি এটা মিচিকিয়া হাঁহিৰে সম্বৰ্দ্ধনা জনাই ওলাই আহি আগবঢ়াই ৰমেশক বাহিৰত খন্তেক পৰো-ৰবলৈ নিদিয়াকৈয়ে একেবাৰে ভিতৰলৈ লৈ গল। লগত যোৱা

ড্ৰাইভাৰটোৱে মটৰখন উপযুক্ত ঠাইত ৰাখি তাতেই শুই পৰিল খন্তেক জিৰাবলৈ।

ৰমেশক নি বৰুৱাই একেবাৰে ভিতৰৰ এটা সুন্দৰ ভাৱে-সজোৱা কোঠাত নি বহুৱাই ঘৰৰ নানা কুশল-মঙ্গল বাতৰি লবলৈ ধৰিলে। অলপ পিচতে বৰুৱানীৰ ইঙ্গিত মতে এজনী সুন্দৰ ভাৱে সাজি-কাচি থকা ছোৱালীয়ে চাহ জলপান লৈ আহি ৰমেশৰ সম্মুখৰ টেবুল খনতে থৈ আতৰি ৰ'ল। বৰুৱানীয়ে ৰমেশক চাহটোপা খাবৰ কাৰণে সোঁৱৰাইদিলে।

চাহৰ কাপটো হাতত তুলিলৈ "ড্ৰাইভাৰটোক চাহ এটোপা দিয়ক" বুলি কৈ এঢোক দুঢোক কৈ ৰমেশে খাবলৈ ধৰিলে।

চাহ দি ওচৰতে ৰৈ থকা ছোৱালীজনীৰ ফালে চাই বৰুৱানীয়ে ক'লে "মীৰা এই খিনিলৈ আহছোন আঁতৰতনো কেলেই থিয় হৈ আছে।"

মীৰা আগবাঢ়ি আহি মাকৰ ওচৰত থকা চকী এখনতে ভেজা দি থিয় হৈ ৰ'ল। বৰুৱানীয়ে ৰমেশক পৰিচিত কৰিদিবৰ কাৰণে মীৰাক সুধিলে—

"তই এওঁ বোপাক চিনি পাইছনে? সিদিনা যে আমি গৈছিলো তেখেতৰে এওঁ বৰ পুতেক। এইবাৰ ফাৰ্ষ্ট ক্লাচ চেকেন্দ হৈ এম, এ, পাছ কৰিছে তাৰ পিছত ৰমেশলৈ চাই ক'লে, "বোপা এইজনী মোৰ ছোৱালী—নাম মীৰা। এইবাৰ দ্বিতীয় বিভাগত মেট্ৰিক পাছ কৰিছে। তাইৰ কলেজতো পঢ়িবৰ ইচ্ছা আছিল পিছে কিছুমান অসুবিধাত পৰি ৰইছে

বোলে মাইকী ছোৱালীয়েনো আৰু কেলেই ইয়াত কৈ বেছি পঢ়িব লাগিছে।”

কথাৰ লগতে ৰমেশে ছোৱালী জনীলৈ এবাৰ চালে তায়ো এবাৰ চালে ৰমেশৰ ফালে। মাকৰ কথাবাৰতে হয় ভৰ দি ৰমেশে ক’লে—

“ছোৱালীৰ কাৰণে মেট্ৰিকেই যথেষ্ট” শেষৰ ঢোকা চাহ খাই ৰমেশে সুদা চাহপিয়লাটো টেবুল খনৰ ওপৰতে থলে।

“বোপা! তুমি বহা মানুহ দুনুহ আহিচে মোৰ বাহিৰত কাম আছে মই যাওঁ” বুলি বকৰা উঠি যোৱাৰ লগে লগেই বকৰানীয়ে মীৰাক ক’লে “মীৰা তই জনা শুনা ছোৱালী যেতিয়া বোপাৰ লগত কথা বাৰ্ত্তা হ। এনেয়েনো কি বহি থাকিবি ৰেডিঅ বা গ্ৰামাফোনটো লগাই গান চানকে শুন।” বুলি কৈ চাহৰ পিয়লা আদিবোৰ লৈ বকৰানী ভিতৰলৈ গ’ল।

“গ্ৰামফনকে শুনক” বুলি কৈ মীৰাই আলমাৰীৰ পৰা কেইখন মান ভাল হিন্দি গানৰ ৰেকৰ্ড বাছি উলিয়াই লগাবলৈ আৰম্ভ কৰিলে ইখনৰ পিছত সিখনকৈ। এজন উচ্চশিক্ষিত সুন্দৰ যুৱকৰ লগত নানা কথা পাতি গান শুনি থাকিবলৈ পাই মীৰাই বেছ ভালেই পাইছিল। ৰমেশে কিন্তু মনত অলপো সুখ অনুভৱ কৰিব নোৱাৰিলে। ৰমেশে মীৰাৰ চেহেৰাটিৰ পৰা অনুমান কৰিলে তেওঁলৈ পঠোৱা ছবি খন মীৰাৰেই আছিল! মীৰাৰ চেহেৰাটো চকুত পৰাৰ লগতেই আৰতীৰ প্ৰতিমূৰ্ত্তি এটা আহি ৰমেশৰ চকুৰ আগত খেলা কৰিবলৈ ধৰিলে। ৰমেশৰ মনত

পৰিল আৰতীৰ ভক্তিপূৰ্ণ নিমন্ত্ৰনটোলৈ আৰতীৰ মুখৰ লাৱণ্য দেহৰ গঠন চকুৰ জ্যোতি কথাৰ লালিত্যই ৰমেশক বৰকৈ পিড়িৰ-লৈ ধৰিলে। মীৰাৰ অজানীতে ৰমেশে মীৰাক আৰতীৰ লগত বিজালে। মীৰাৰ গাত নাই কমনীয়তা, নাই লাৱণ্যতা নাই সেই জেউতী যি জেউতী ৰমেশে দেখিছিল আৰতীৰ শৰীৰত। মীৰা পঢ়া শুনা জনা ছোৱালী আৰতীয়েওটো জানে পঢ়িব। কিবাবোৰ ভাবি ৰমেশ মনে মনে বহি থাকিল।

"আপুনি বোলে দুখীয়াৰ পঁজালৈ আহিবলৈ সমূলী ইচ্ছাকে কৰা নাছিল" মৌনতা ভঙ্গ কৰি মীৰাই কলে:

"এইটো যদি দুখীয়াৰ পঁজা হয় তেন্তে আমাৰ বোৰ আক লাউ চাঙ্গি হলেহে হব।" এটা হাঁহি মাৰি ৰমেশে ক'লে, "মই আহিব খোজা নাছিলো বুলিনো আপোনাক কোনে ক'লে ।

ৰমেশে মীৰাক আপুনি বুলি সম্বোধন কৰাত অলপ বেয়া যেন পাইছিল যদিও ক'লে "মা ইঁতে কোৱাৰ বাবেহে কৈছো।"

"শৰীৰ অলপ অসুখ থকাৰ বাবে আহিবৰ ইচ্ছা কৰা নাছিলো অৱশ্যে ।" না না কথাৰ মাজেদি চাৰিটাৰ সময় পাৰহৈ গল, মানুহ অহাৰ যথেষ্ট ভীৰ পৰিছে। বৰুৱা আৰু ঘৰৰ সকলো মানুহ অভ্যাগতক শুশ্ৰূষা কৰাত ব্যস্ত। ৰমেশে যাবলৈ সাজু হৈ বৰুৱাৰ ওচৰলৈ গৈ বিদায় মাগিলে। বৰুৱা বৰুৱানী উভয়ে লগতে মীৰায়ো খুব জোৰ কৰি যাবলৈ মানা কৰাত ইচ্ছা নথকা স্বত্তেও ৰমেশ থাকিবলৈ বাধ্য হল। মীৰাই যেন স্বস্তীৰ নিশ্বাস পেলাপে।

সন্ধ্যাৰ আগে আগে শ্ৰাদ্ধৰ ধুমধাম ভাগিল। মীৰা আৰু মাক দুয়ো ভালকৈ সাজি পাৰি ড্ৰাইভাৰক গাড়ী আনিবলৈ ক'লে। ধুনীয়া নতুন গাড়ী এখন আহি ঘৰৰ আগত থিয় হল। বকুৰানী আৰু মীৰা দুয়ো ওলাই আহি গাড়ীত বহাৰ লগতে ৰমেশকো টানি আনি গাড়ী চলাবলৈ লগাই দিলে। ৰমেশ বাধ্য হৈ তেওঁ বিলাকৰ লগত গুছি গল ফুৰিবলৈ। ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ফুৰি ফুৰি সাতটা বজাত বকুৰানীৰ ইচ্ছা মতে তিনিও "খাজাঞ্চী" ছবি চাবৰ কাৰণে ছবী ঘৰত সোমাল। ছবি শেষ হলত তিনিও আহি খাই বৈ শুই পৰিল। ৰাতিপুৱা খাই বৈ উঠি ৰমেশে যোৰহাট অভিমুখে গাড়ী চলাই দিলে।

———

## —ষোল—

আৰতীয়ে ৰমেশক মাতিলে তেওঁবিলাকৰ ঘৰলৈ। বিশেষ কৈঠাত কলিকতালৈ যাব লগা হোৱাত ৰমেশে আৰতীৰ নিমন্ত্রন তত্তালিকে ৰক্ষা কৰিব নোৱাৰিলো। কলিকতাৰ পৰা আহি এদিন ঘৰত থাকিলে যদিও লাজ লগাৰ বাবেই সেই দিনাও যোৱা নহল, তাৰ পিছত ডিব্রুগড়লৈ যাওঁতে গল তিনদিন, এতিয়া ডিব্রুগড়ৰৰ পৰা ঘূৰি আহিল। গতিকে গৈ নাহিলে আন নালাগে তেওঁৰ নিজৰ মনতেই শান্তনা দিব নোৱাৰা হল।

পিছদিন আবেলি সকলো কাম কাটি কৰি থৈ ৰমেশ আৰতী হঁতৰ ঘৰৰ ফালে গল। আৰতীয়ে ৰমেশক নিমন্ত্রন কৰাৰ দিনৰ পৰা নিমন্ত্রন ৰক্ষা কৰাৰ দূৰে থক নৈৰ ঘাটটো দেখিবলৈ নাপায় না না চিন্তাত কাল কটাইছিল।

লাজ আৰু আনন্দৰ এটা ভাৱ লৈ ৰমেশ লাহে লাহে আৰতী হঁতৰ ঘৰৰ ফালে গল। আৰতীয়ে বহুত দিনৰ মূৰত হথাৎ ৰমেশক সিহঁতৰ ঘৰৰ ফালে অহা দেখি আনন্দত উথলি উঠিল। ৰমেশ ঘৰ পালেগৈ। আৰতীয়ে অতি আস্তে ব্যস্তে এখন প্যাটি ধাৰি পাৰি ৰমেশক বহিবলৈ দি দেউতাকক ৰমেশৰ পৰিচয় দি কথা বাৰ্ত্তা হবলৈ পঠালে। আৰতীয়ে তামোল কাটি ভায়েকৰ হাতত দি পঠিয়াই চাহ জলপান দিহা কৰাত লাগিল।

"দাদা ভিতৰলৈ আহকছোন।" আৰতীয়ে মাতিলে।

"ভিতৰলৈ কেলৈ—চাহ দিছে যদি ইয়ালৈকে আনক" ৰমেশে ক'লে।

"নহয় ৰোপা! আলহীক বাহিৰত চাহ দিয়াটো গাৱলীয়া সমাজৰ অবিধি। বোপা! ভিতৰলৈকে যোৱা।" আৰতীৰ দেউতাকৰ অনুৰোধ পেলাব নোৱাৰি ৰমেশ ভিতৰলৈ উঠি গল। অলপ পিছত বুঢ়াও ভিতৰ সোমাই গৈ ৰমেশক ক'লে "বোপা! তুমি চাহ জলপান খাই বৈ লাহে ধীৰে যাবা। ইয়াৰ পৰা তিনিমাইল মান দূৰত মোৰ এজন আত্মীয়ৰ বৰ অসুখ মই তাকে খবৰ এটা কৰি আহো। তোমাৰ লগত কথাবাৰ্ত্তা হবৰ মন আছিল কিন্তু ইফালে নগলেও নহয় বাবে যাবলৈ বাধ্য হলো। বোপা! বেয়া নাপাবা দেই" বুলি কৈ আৰতীৰ দেউতাক ভৰধৰে চাইকেল খন উলিয়াই আনি আৰতীক ক'লে "আৰতী বোপাক চাহ জলপান সুখুওৱাকৈ নপাঠিয়াবি দেই।"

"উঁ" আৰতীয়ে সলাগিলে।

ৰমেশে ভিতৰ সোমই যাওঁতে আৰতীয়ে চাফ চিকুন আৰু পৰিপাতি কৈ সজোৱা ঘৰখন দেখি ৰমেশৰ মনত খুবেই আনন্দ লাগিল। আৰতীয়ে ৰমেশক বৰঘৰৰ ভিতৰলৈ শুমুৱাই লৈ গল। ভিতৰত সজাই থোৱা জলপানটি দেখুৱাই দি তাই ৰমেশক বহিবলৈ অনুৰোধ জনালে।

"এয়ানো আকো কি দিলে" বুলি ৰমেশে ঢাকি থোৱা কাঁহি খন উদঙালে।

"ভালকৈ চক চিনি পাব ভয়নো খাইছে কেলেই?"

আৰতীয়ে হাঁহি এটি মাৰি ক'লে "বৰ সুন্দৰ গাখীৰ পিছে ইমান নালাগে অলপ গাখীৰো নিয়ক জলপানো নিয়ক খাব নোৱাৰিলে মিছাকৈয়ে নষ্টহে হব।"

"সেই কেইটা চিৰা, সেই কেইটা আখৈ, সেইকন গাখীৰ খাব নোৱাৰে যদি পেলাই দিম খাবই লাগিব।" আৰতীৰ কথা শুনি ৰমেশে সকৰ্কৈ হাঁহি এটি মাৰি লাহে লাহে জলপান খাবলৈ ধৰিলে।

"আজি কেইদিন মান আইৰো গা ভাল নাই। শুইহে আছগৈ" আৰতীয়ে ক'লে।

"এৰা ঋতু বদলি হৈছে নহয় মানুহবোৰৰ অলপ অসুখ হবই আৰু।"

"পিছে এই কেইদিন নো গৈছিল কোনফালে। মই নিমন্ত্ৰণ কৰাৰ বাবে আহিলে মান হানি হোৱাৰ ভয়ত দেখাকে নিদিয়া হল" আৰতীয়ে ব্যঙ্গ সুচক ভাবে কথাষাৰ ক'লে।

"এঃ নহয়," জলপান টেপা গিলি ৰমেশে ক'লে।

"সিদিনা আমাৰ ঘৰলৈ ডিব্ৰুগড়ৰৰ পৰা মানুহ এজন আহি তেওঁবিলাকৰ ঘৰত হোৱা সকামৰ বাবে ৰৰকৈ মাতি থৈ গল। কলিকতালৈ যোৱাৰ কথা আপুনি জানেই তাৰ পৰা আহি পোৱাৰ পিছদিনাই তেওঁবিলাকৰ সকাম। যাবৰ ইচ্ছা নথকা স্বত্বেও দেউতাৰ আদেশ পালন কৰি যাবলৈ বাধ্য হলো। কালি তাৰ পৰা আহি পাই আজি আপোনালোকৰ এইফালে আহিছো। মই নহা দেখি খুব খং উঠিছিল নহয়।"

খং উঠিবলৈ আমাৰনো কি অধিকাৰ আছে উঠিয়েবা কৰিম কি ? অ' দাদা এটা কথা আপুনি যদি এই বাৰৰ পৰা মোক তুমি বা তই বুলি নামাতে তেন্তে মই আপোনাৰ লগত কথাকে নকওঁ।”

“কিনো ডাঙৰ কথাটো। তুমি বুলিয়েই মাতিম বাৰু! খংনো খাইছে কেলৈ ?”

জলপান খাই শেষ হোৱাত আৰতীয়ে এপিয়লা চাহ আনি ৰমেশৰ আগত দিলে। নানা কথা পতাৰ লগতে চাহ খোৱা শেষ হ'ল। তামোলৰ বটাটো আগবঢ়াই দি আৰতীয়ে লাজকুৰীয়া ভাৱে ক'লে।

“দাদা আজি কিছুদিনৰ আগতে এটা বস্তু খুজিছিলো তাক পোৱাৰ ভাগ্য কিন্তু নহল। বোধকৰো নহবয়ে আৰু।”

“অ' মোৰ ফটো এখন সেইটোনো কি ডাঙৰ বস্তু এই লোৱা” বুলি ৰমেশে লেফফা এটাৰ ভিতৰত ভৰাই নিয়া ফটোখন উলিয়াই আৰতীৰ হাতত দিলে। আৰতীয়ে ফটোখন উলিয়াই একেথৰে তালৈ চাই ৰল।

“জীৱন্ত প্ৰতিমূৰ্ত্তি আগত থকোতে প্ৰাণহীন এটালৈ তেনেকৈ চোৱাৰ মানে কি ?” ৰমেশে শুধিলে।

“জীৱন্ত প্ৰতিমূৰ্ত্তিৰ মাজত হিংসা, বৈৰী, ঘৃণা আদি ভাব থাকিব পাৰে। কিন্তু ইয়াত সেইবোৰ নাই। ইয়াত আছে গহীন গম্ভীৰ এজন সুন্দৰ যুৱক অন্তৰ খনি যেন দয়াৰে ভৰপুৰ। সেইবাবেই চালো।”

আৰতিৰ মাক ভিতৰৰ পৰা উঠি আহি সুধিলে "আৰতি বোপাক চাহ-তাহ দিছনে ?"

ৰমেশে মাত শুনি আৰতীক সুধিলে "কোন ?"

"আই"।

"হয় খোৱা হল" আৰতীয়ে উত্তৰ দিবলৈ নৌ পাওতেই ৰমেশে ক'লে।

"আপোনাৰ গা ভাল পাইছে ?"

"গা তেনেকৈ ভাল পোৱা নাই ময়না। মূৰটো বৰ গধুৰ গধুৰ লাগিছে, ডাক্তিৰৰে মন যোৱা নাই। তুমি আহিছা নহা মানুহ দুষাৰ কথা বাৰ্ত্তা হব লাগিছিল পিছে বোপা পৰা নাই। বেয়া নাপাবা দেই।"

"এ'সেই দৰেনো কেলেই কয় আৰতীয়ে ধুনীয়া গাখীৰৰে যি জলপান খুৱালে সি আৰু চিৰস্মৰনীয় হৈ ৰব।"

"ই ঘৰত গুৱাহাটিয়া বাপুতি তৈয়াৰ কৰি দিয়া মিঠাইতকৈ আমাৰ গোন্ধোৱা গাখীৰৰ চিৰা জলপানটো বেছি ভাল নহয়।"

"ঠাট্টানো কৰা কিয় ?"

আৰতীয়ে যেন ৰমেশৰ অন্তৰ খন বুজি পালে।

"তোমাৰ খবৰ পালা হবলা এম, এ দিছিনা নহয়" মাকে সুধিলে।

"এম এ" আৰতী যেন অলপ আচৰিত হ'ল।

"হয় পালো প্ৰথম হৈ পাছ কৰিছো।"

"হওক ঈশ্বৰে মঙ্গল কৰক শুনি ভাল পালো।"

কথা বাৰ্ত্তা হোৱাৰ পিছত ৰমেশে বুঢ়ীৰ ওচৰত বিদাই খুজিলে।

"বোপা! নহা মানুহ আহিলা বৰ ভাল পালো। মাজে মাজে এইদৰে আহি থাকিলেহে মৰম চেনেহ থাকে। তোমাৰ দেউতাৰ আৰু আমাৰ ইহঁতৰ দেউতাকৰ মাজত বৰ প্ৰিয়। তোমালোকহে কৰবাৰ কোনোবাৰ নিছিনা।"

"এৰা! সময় পালে নিশ্চয় আহিম। এতিয়া বিদায় হে কৰিছো। আৰতি যাওঁ দেই।"

দুয়ো জনৰ পৰা বিদাই লৈ ৰমেশ ঘৰমুৱা হ'ল। আৰতীয়ে ভাবিলে ৰমেশ এম, এ, পাছ আৰু তাই এম, ভি পাছ কিমান তফাৎ—স্বৰ্গ মৰ্ত্ত্যৰ। কিবা এটা হতাশৰ ভাৱে তাইৰ মনটো যেন আগুৰি ধৰে।

---

# সোতৰ

ডিব্ৰুগড়ৰ পৰা ৰমেশ সকাম খাই ঘূৰি অহা কেইবা দিনো হ'ল। ৰমেশ আহি পাবৰ দিনা মাকে ৰমেশক সুধিলে বৰুৱাৰ ঘৰদুৱাৰ আচাৰ ব্যৱহাৰ আদৰ সাদৰ আদিৰ কথা। তাৰ লগতে পিতেকৰ মন বুজিবৰ বাবে মাকে মীৰাৰ কথাও উলিয়ালে। কিমান ধুনীয়া কিমান গহীন গম্ভীৰ কথাবাৰ্ত্তা কেনেকুৱা ইত্যাদি। ৰমেশে সকলোবোৰ কথাৰে চমু চমু উত্তৰ দি কোনো-মতে হাত সাৰিলে। মীৰাৰ বিষয়ে দীঘল সমালোচনা মাকে কৰিবৰ ইচ্ছা কৰা স্বত্তেও ৰমেশে বুদ্ধি কৰি তাৰ পৰা আঁতৰি গল। মাকে লৰাই লাজতেহে তেনে কৰিছে ভাবি মনে মনে থাকিল।

কেইবাটাও দিন পাৰ হৈ যায়। ৰমেশে মাজে মাজে আৰতীক লগকৰে কথা পাতে না না বিষয় লৈ আলোচনা কৰে। আৰতীয়েও কোনো সঙ্কোচ নাৰাখি ৰমেশৰ লগত খোলা ব্যৱহাৰ কৰে।

গধূলী—এদিন ভাত খাই উঠি ৰমেশেৰ দেউতাক মুকলি চৰাতে ধপাত হুপি হুপি কিবা এটা ভাবি বহিল। অলপ পিছতে লগুৱা এটাক মাতদি ৰমেশক মাতি আনিবলৈ হুকুম দিলে। ৰমেশে তেতিয়া ভাত কেইটা খাই উঠি মুখ ধুইছিলেহে মাথোন। দেউতাকে মতাৰ গম পাই তত্তালিকে মুখ হাত মুচি বাহিৰলৈ ওলাই আহি শুধিলে "দেউতা মোক বিছাৰিছিল "

"মাতিছিলো—বহছোন" ৰমেশে মুঢ়া এটা আনি দেউতাকৰ পৰা অলপ আঁতৰত বহিল। এনেতে ভিতৰৰ পৰা মাকো ওলাই আহি চকী এখনত বহিলহি।

দীঘলকৈ হোঁপা এটা মাৰি ঘূৰঘূৰিটোৰ নলিদাল আঁতৰাই থৈ ৰমেশৰ দেউতাকে ক'লে "তই জানো আৰু কিবা পঢ়িবি? মোৰ মনেৰে আৰু পঢ়িব নালাগে। এম, এ, পাছ কৰিলি যেতিয়া আৰু আৱশ্যক নকৰে।"

"ল টো পাছ কৰি থোৱা হলে বেয়া নাছিল। আৰু মাত্ৰ তিনটা বছৰ পঢ়িব লাগিব।" ৰমেশে ক'লে।

"আজিৰ দিনত 'ল' ৰ কোনো মুল্য নাই। 'ল' পাছ কৰিলেও টো উকীল হবলৈ নাযাব—আৰু তই যাওঁ বুলিলেও মই নপঠিয়াও। আজিৰ দিনত উকীলৰ নিচিনা বেয়া "প্ৰফেছন" আৰু সংসাৰত নাই। সকলোৱেই উকীলক হেয় জ্ঞান কৰা হল। আগৰ উকীল আৰু আজিৰ উকীলৰ মাজত বহুত প্ৰভেদ। সেই টোতো সেয়ে মই এতিয়া লাহে লাহে বুঢ়া হৈ আহিছো। সাত আঠখন বাগীছা চলোৱাটো এই সময়ত মোৰ পক্ষে বৰ টান হৈ উঠিছে। মোৰ মনে তই সেই বিলাক চলাই কৰাই মোক বুঢ়া বয়সত আজৰি কৰি দে।"

"দেউতা! আপুনি মোক খপকৰে বাগীছাবোৰ চলোৱাৰ ভাৰ দি দিলে মই চলাম কেনেকৈ? বাগীছা যদিওবা ঘৰতে তথাপি বাগীছা বিষয়ক কোনো অভিজ্ঞতা মোৰ নাই। গতিকে

প্ৰথমে মই এই বিষয়ে শিক্ষা লব লাগিব, নহলে মই চম্ভালিব পৰা টান হব।" ৰমেশে ক'লে।

বাগীছা চলাবলৈ কোনো শিক্ষাৰ প্ৰয়োজন নকৰে। চাওঁতে চাওঁতে এনেয়ে পাৰিবি। তাতে প্ৰতি বাগীছাতে মেনেজাৰ কেৰাণী মহৰী আদি বোৰ আছেই তেওঁলোকে নিজ কাম কৰিয়েই থাকিব।"

"তেন্তে পাৰিম কিজানি।" ৰমেশে ক'লে।

দেউতাকে আকৌ ক'লে "ৰমেশ, এটা কথা, মই বাগীছাৰ কামবোৰ তোৰ হাতত তুলি দিয়াৰ আগতে তোৰ বিয়া খনৰ কথাহে ভাবিছো, সিদিনা তই যোৱা ডিব্ৰুগড়ৰ বৰুৱাৰ জীয়েক মীৰা বোলো ছোৱালী জনীকে খুব আগ্ৰহৰে দিছে। পঢ়াই শুনাই কথাবাৰ্ত্তাই ছোৱালীজনী বেছ। তই ছোৱালী দেখিয়েই আহিছ মইনো আৰু কি কম। তেওঁবিলাকে মোক কেতিয়াবাৰে পৰাই ধৰিছে মই পিছে কোনো সমিধান দিয়া নাছিলো। পিছে সিদিনা একৰকম দিয়েই পঠিয়াইছো।

"দেউতা! মোৰ বিয়াৰ কাৰণে আপোনালোকে ভাবিব নলাগে। সিদিনা তেখেতে মোক বিয়াৰ দিন ধাৰ পৰ্য্যন্ত জনাই মোৰ অনুমতি বিছাৰিছিল, মই কিন্তু মানা কৰি থৈ আহিছো। আজি কেইদিন মানৰ আগতে এখন চিঠিও দিছো—মোলৈ আশা কৰি নাথাকি আন এঠাইত সুবিধা কৰিবলৈ, গতিকে আপুনি বিয়াৰ কথা একো ভাবিব নালাগে।" অলপ খং ভাৱে ৰমেশে কথাবোৰ কৈ যায়, কিবা এটা ভয়ত ৰমেশৰ বুকু খনি

হুক হুক কৰি কঁপি উঠে, গাটো গৰম লাগে, কাণ দুখন পুৰিবলৈ ধৰে।

"নহয় ৰমেশ! তই কথাবোৰ বুজা নাই। যদিওবা তই এম, এ পাছ ক'ৰছ তথাপি সাংসাৰিক অভিজ্ঞতা তোতকৈ আমাৰ অনেক বেছি। মোৰ আৰু মাকৰ একান্ত ইচ্ছা তোৰ বিয়াখন পাতি আমি নিচিন্ত হৈ থাকো। আৰু এই বুঢ়া বয়সত পো বোৱাৰীৰ মুখ চাই মনত অলপ সন্তনা লভো। তেখেতে বিয়াৰ দিন আঘোনৰ পচিচ তাৰিখে ধাৰ্য্য কৰিছে মই তাতেই সন্মতি দিলো। তই নাজান তেখেত মোৰ অতি পুৰনি বন্ধু তেনেস্থলত তই যদি এতিয়া সন্মত নিদিয় তেন্তে তেখেত আৰু মোৰ ভিতৰত থকা সম্ভাৱতো আঁতৰিবই আৰু লগে লগে তেখেতে মোৰ জাবানৰ ঠিক নাই বুলি কোনো দিনেই বিশ্বাস নকৰিব।"

দেউতাকৰ কথাতে হয় ভৰদি মাকে ক'লে "ৰমেশ! আমি জানো তোৰ কিবা বেয়া এটা কৰিব খুজিছো। তই সন্মত হ। এই হোৱা বিয়া খন নাভাঙিবি।"

"দেউতা! বিয়া পাতো বুলিলেই বিয়া নহয়। আপোনা-লোকে এতিয়া মোৰ এই বিয়াপাতি কোনো হিত সাধন কৰিব খোজা নাই। ভবিষ্যত জীৱনৰ মোৰ সঙ্গীনী বাচি লোৱাৰ ভাৰটো মোৰ ওপৰত দিয়াটোৱেইহে উচিত আছিল, কিন্তু আপোনালোকে সেইটো নকৰি বিয়াৰ বিষয়ে মোক কোনো শুং সূত্ৰ জানিবলৈ নিদিয়াকৈয়ে বিয়াৰ দিন স্থিৰ কৰি পেলালে, মোৰ মনে সেইটো উচিত নহল। যি কি নহক এতিয়াও বিয়ালৈ প্ৰায় দুমাহ বাকী।

যি কোনো উপায়েৰে আপুনি বিয়াখন এইটো তাৰিখৰ পৰা হোহোকাই দিয়ক। ইয়াৰ পিছত যি হয় মই কৰিম।"

"সেইটো কোনোমতেই হব নোৱাৰে তই সন্মত দিবই লাগিব।"

"দেউতা! মই এতিয়া বিয়া নকৰাও। মোৰ এইটো খাটাং জবাব, আপুনি যি ভাল দেখে তাকে কৰক। ডিঙিত হাড়মাল বান্ধি ভবিষ্যৎ জীৱন অশান্তিত কাতিবলৈ মই কেতিয়াও এৰি নিদিওঁ।' ৰমেশে অলপ টান মাত দিলে।

"মোৰ হুকুম মান্য কৰি তই বিয়াত সন্মত দিবই লাগিব।"

"মই আপোনাৰ এই হুকুম পালন নকৰো। তাৰ বাবে যি শাস্তি হয় আপুনি দিব পাৰে, মই আনন্দৰে শিৰ পাতি লম। মই কিন্তু এই বিয়াত সন্মত নিদিও বুলিছো। নিদিও।"

"নিদিয়।" দেউতাক খঙত কঁপিব ধৰিলে।

"হয় নিদিও" অলৰ অচৰ ভাৱে ৰমেশে উত্তৰ দিয়ে।

"তই মোৰ অবাধ্য যেতিয়া তই মোৰ পুত্ৰই নহয়—তোক— মই আজিৰ পৰা ত্যাগ কৰিলো। তই আজি যানিবা মৰিলি।" বুলি খুব দপদপাই ৰমেশৰ দেউতাক বহাৰ পৰা উঠি গল। ৰমেশে এটা দীঘল হুমুনীয়া কাঢ়িলে। ৰমেশৰ মাকে ৰমেশৰ ডিঙিত ধৰি কান্দি কান্দি দেউতাকৰ কথাত সন্মত হবলৈ নানা কাবৌ কৰিলে।

"বেচ—সেয়ে ভাল। মোৰ জীৱনৰ ওপৰত মোৰ বাহিৰে কাবো অধিকাৰ নাই। আপোনালোকে তাত হস্তক্ষেপ কৰিবলৈ

গৈ ভুল কৰিছিল। এতিয়া সেয়াহে" বুলি ৰমেশে মাকক সেৱা কৰিলে।

"দেউতা মই বিদাই কৰিছো" ৰমেশে বাহিৰৰ পৰাই মাত দিলে।

"এই ৰ" বুলি বৰুৱাই দহ হেজাৰ টকাৰ এখন চেক কাটি ৰমেশলৈ দলি মাৰি দি ক'লে "এই নে ইয়াৰে জানিবা তোৰ দহা কাজ কৰিলো।"

এটা হাঁহি মাৰি ৰমেশে ক'লে "আপোনাৰ ওচৰত বহুত ঋণী হৈ আছো আৰু ইচ্ছা নাই" বুলি চেকখন টুকুৰা টুকুৰ কৰি ফালি লাহে লাহে আঁতৰ হল, মাকে ইনাই বিনাই কান্দি চকু উখহালে। ৰমেশে এবাৰো ঘূৰি চাবলৈ ইচ্ছা নকৰিলে।

—+—

## [illegible]

ভৰেন বৰুৱা জীৱেশ্বৰ বৰুৱাৰ সহপাঠি আছিল পাঠশালাত পঢ়াৰ পৰা কলেজলৈকে সেই বাবেই তেওঁলোক দুয়ো বেছ দৃঢ় ভাৱেই বন্ধুত্বৰ বান্ধত আতথাই পৰিছিল, আগেয়ে দুয়োৰে ঘৰ প্ৰায় ওচৰা ওচৰিকৈয়ে আছিল। বিশেষ সুবিধা পাই ভৰেন বৰুৱা উঠি গল ডিব্ৰুগড়লৈ। সেই বাবেই জীৱেশ্বৰ বৰুৱাৰ পুতেক ৰমেশলৈকে ভৰেন বৰুৱা জীয়েক মীৰাক দিবলৈ বহুত দিনৰ পৰাই আলচি আছিল আৰু কথাৰ চলত ভৰেন বৰুৱাই কেইবাবো এইকথা জীৱেশ্বৰ বৰুৱাৰ আগত উন্মুকিয়াইছিল। তেতিয়া সময়ত দেখা যাব বুলি কৈ বৰুৱাই ভৰেনৰ কথাষাৰ ওল পেলাই ৰাখিছিল। তেতিয়া ৰমেশে এম, এ পাছ কৰি অহাত পুৰণি কথাৰ চেলু উলিয়াই বিয়াখন ঠিক কৰি যাবৰ বাবেই ভৰেন বৰুৱা ডিব্ৰুগড়ৰৰ পৰা আহি সেইখিনি পাইছি। জীৱেশ্বৰ বৰুৱাৰ ঘৰতে তেওঁ তিনি চাৰি দিন থাকি বিয়াৰ এটা বন্দবস্ত কৰি থৈ যাবলৈ ইচ্ছা কৰাত জীৱেশ্বৰ বৰুৱায়ো পিতেকৰ কোনো পৰামৰ্শ নোলোৱাকৈয়ে বিয়াৰ সম্মতি দিয়ে। তেতিয়াৰ পৰাই ভৰেন বৰুৱাই ৰমেশক জোৱাই পোৱাৰ আশা বুকত বান্ধিলৈ বিয়াৰ কাৰণে আয়োজন কৰাত লাগিল। আনকি বিয়াৰ কাৰণে নানা গহনা গন্থাৰ পৰা আৰম্ভ কৰি পালেং আদি সকলোলৈকে আগধন দি দিলে

এদিন দুপৰীয়া ভৰেন বৰুৱাই ভাত খাই উঠি জিৰনী লৈছে।

এনেতে পিয়নে চিঠি এখন দিলেগৈ। চিঠিখন "এক্সপ্ৰেছ" কৰি দিয়া হৈছিল। লৰালৰিকৈ চিঠিখন খুলি পঢ়ি চাই বৰুৱাৰ মূৰত বজ্ৰপাত পৰাৰ দৰে লাগিল। তেওঁৰ মূৰ ঘূৰি গল। হতভম্বহৈ কিবা কিবি বোৰ বহুত দেৰি ভাবিলে তাৰ পিছত চিঠি খন আকৌ পঢ়িলে।

প্ৰিয় বন্ধু—

লিখিবলৈ লাজ লাগিছে হয়তো আপোনাৰ খঙো উঠিব পাৰে। কথাটো হৈছে এই মই মোৰ লৰাক অনেক বঢ়াই বুজায়ো বিয়াকৰাবলৈ সম্মত কৰাব নোৱাৰিলো। মাক হতেও অনেক যত্ন কৰি তাৰ মন ঘূৰাব নোৱাৰিলে। মোৰ কথা নুশুনাৰ বাবে অবাধ্য বুলি ত্যাগ কৰি তাক ঘৰৰ পৰা খেদি দিলো। যাবৰ সময়ত দহ হেজাৰ টকাৰ এখন চেক দিছিলো তাকে নিনি ফালি চিৰি পেলাই থৈ কালি ৰাতি দহটামান বজাত মোৰ ঘৰৰ পৰা ওলাই গৈছে। কলৈ গৈছে একো কব নোৱাৰো। মাক প্ৰায় অচেতন অৱস্থাত। মোৰ মগজবো ঠিক নাই। বিশেষ নিলিখো। নমস্কাৰ গ্ৰহণ কৰিব। ইতি—

আপোনাৰ বন্ধু

ৰাজেন

বৰুৱাৰ চকুৰেদি দুধাৰী চকুলো বৈ গল। তেওঁৰ বন্ধুৰ তেওঁৰ প্ৰতি আগ্ৰহ আৰু মৰম দেখি বৰুৱা আচৰিত নহৈ নোৱাৰিলো। তেওঁৰ জীয়েকক বিয়া নকৰাও বুলি কোৱাৰ বাবেই

জীৱেশ্বৰ বৰুৱাই পিতেকক ত্যাগ কৰাটো কম আচৰিত আৰু পৰিতাপৰ বিষয় নহয়। ভৱেন বৰুৱাই বৰুৱানীক মাতি সকলো কথা ক'লে চিঠিখন পঢ়ি শুনালে। বৰুৱানীয়ে এটি দীঘল হুমুনীয়া কাঢ়িলে। মীৰাই কথাটো জানি তাইৰ নিচিনা এজনী ছোৱালীৰ বাবে তেনে এজন যুৱকৰ তেনে হোৱা বুলি ভাবি ৰমেশৰ ছবিখন বুকত সুমুৱাই লৈ কোনেও নজনাকৈ যিমান পাৰে কান্দিলে। তাৰ পিছত ভাগ্যৰ লিখন বুলি স্থিৰ কৰি ৰমেশৰ ছবি খন কোনেও নোপোৱাকৈ তাইৰ বাকচৰ মাজত শুমুৱাই ৰাখিলে। ভৱেন বৰুৱাই ৰমেশক পোৱাৰ আশাত কেইবাদিনো ধৰি মটৰ ঘূৰাই বিচাৰি কোনো শুংসূত্ৰ নাপাই বিচাৰিবলৈ এৰি দিলে। ছোৱালী ৰমেশক দিম দিম বুলি ভাবি থাকিলে ছোৱালী দিয়া নহয় ভাবি আনৰ লগত কথা বাৰ্ত্তা চলাবলৈ ধৰিলে।

---

# উনৈশ

ৰমেশে দেউতাকে দিয়া টকা দহহেজাৰ নানিলেই, গতিকে ভবিষ্যত জীৱন নিৰ্ব্বাহ হব কি উপায়েৰে। সি তাৰ বাকচটো চুচি পাচি আনোতে মাত্ৰ পঞ্চাশটা টকা তাৰ হাতত থাকিল। সি ঘৰৰ পৰা ওলাই আহোতে ৰাতি প্ৰায় এঘাৰ। এই ৰাতি কেনি যাব সি একো ঠিক কৰিব নোৱাৰি অলপ আঁতৰত থকা দোকান খনলৈকে আগবাঢ়ি গল। আৰতী হুঁতৰ ঘৰলৈ গৈ শেষ বাৰৰ কাৰণে আৰতীক এবাৰ দেখা কৰি যাওঁ বুলি সি এবাৰ মনতে ভাবিলে। কিন্তু আৰতিক দেখা পালে আৰু আৰতীয়ে কেনেবাকৈ ৰমেশে ঘৰ এৰি অহাৰ কাৰণটো বুজিব পাৰিলে অৱস্থাই বেলেগ ফালে যাব লোৱাৰ সন্দেহ কৰি, দেখা নিদিয়াই উচিত হব ভাবি দোকানতে বহি এখন চিঠি আৰতীলৈ বুলি লিখি তাৰ পৰা আতৰ হ'ল।

নগৰত থকা মোমায়েকৰ ঘৰলৈকে প্ৰথমে যোৱা যক ভাবি ৰমেশে সেই মাজৰাতি অকলে অকলে নগৰ অভিমুখে খোজ দি যাবলৈ ধৰিলে। অলপ দূৰ গৈয়েই ৰমেশে কেইজন মান গাৱলীয়া মানুহ লগ পালে। পিছ দিনা তেওঁবিলাক নগৰৰ কাছাৰিত কিবা মকৰ্দমা থকাৰ বাবে ৰাতিয়েই যাব লগা হল। ৰমেশে ভালেই পালে চাৰিও জনে নানা কথাবাৰ্ত্তাপাতি ৰাতি পুৱাই পুৱাই আহোতে তেওঁলোক গৈ নগৰ পালেগৈ। নগৰ

মানুহ কেইজনৰ পৰা বিদায় লৈ ৰমেশে ক'লে "ইয়াৰ পৰা এমাইলমান আঁতৰত মোৰ এঘৰ সমন্ধীয় মানুহ আছে। তাতে মই খাই বৈ কাছাৰীলৈকে আহিম গৈ।" বুলি ৰমেশ আঁতৰি গল।

বাটত মটৰ বেয়া হল বুলি মোমায়েকৰ ঘৰত ফাকি দি ৰমেশে ভাতপানী খাই এই ফালৰ পৰা আহো বুলি লাহেকে ওলাই গৈ ৰেল ষ্টেচন পালেগৈ। ষ্টেচন এটাৰ নামকৈ ৰমেশে টকা দুটা উলিয়াই ষ্টেচন মাষ্টৰৰ হাতত দিলে। টিকটলৈ ৰমেশ আহি ৰেলত উঠিল। ৰেল চলি গল।

কেইঘণ্টামান অতিক্ৰম কৰাৰ পিছত ৰমেশ গৈ এটা ষ্টেচনত নামিল। তাৰপৰা লাহে লাহে তেওঁ গাৱঁৰ বাটেদি আগ বাঢ়ি যাবলৈ ধৰিলে। সন্ধ্যাৰ আগে আগে কেইবাখনো গাওঁ অতিক্ৰম কৰি ৰমেশে এখন নতুন গাৱত ভৰি দিলে। তেতিয়া প্ৰায় বেলি পৰিছে। ৰাতি অচিন বাটত যোৱা অন্যায় হব ভাবি ৰমেশে সেই গাৱঁৰে এঘৰ চহকী খেতিয়কৰ ঘৰত সোমাই ৰাতিটো তাতে কটাব পৰা হবনে বুলি সোধাত ঘৰৰ গিৰিহঁতে অতি যতনেৰে আলহীক খুৱাই বুৱাই ৰাখিলে। ঘৰৰ বুঢ়া গিৰিহঁত জনৰ আদৰ সাদৰ কথা বাৰ্ত্তা আদি বিলাকত ৰমেশৰ খুব ভাল লাগলি। নানা ঠাইৰ নানা কথা পতাৰ লগতে ৰমেশে নিজৰ জীৱনৰ কিছুমান কথা বুঢ়াক বিবৰি ক'লে। বুঢ়াই ৰমেশৰ লগত কথাবাৰ্ত্তা পাতি খুব ভাল পালে। বুঢ়াজনে ৰমেশে সেই দৰে অহাৰ কাৰণ কি কৰপৰা আহিছে আদি কথাবোৰ খুছৰী খুছৰী সুধিবলৈ

ধৰিলে। ইমান সজ বুঢ়া জনৰ আগত মিছা কোৱা অন্যায় হব ভাবিয়েই ৰমেশে নিজৰ ঘৰখন আৰু নামটোৰ পৰিচয় নিদি বুঢ়াৰ আগত সকলো কথা ভাঙ্গি পাতি ক'লে। ৰমেশৰ সকলো কথা বুজি বাজিলৈ ওচৰৰ বাগীছা খনতে কাম কৰি বুঢ়াৰ তাতে থাকিবৰ কাৰণে ৰমেশক টানি ধৰাত ৰমেশে থাকিম বুলি সন্মতি দিলে। কাৰণ তেতিয়া ৰমেশে তাৰ দিন কিছুমান কটাই দিবৰ কাৰণে আন উপাই একো বিচাৰি পোৱা নাছিল। ৰমেশে বুঢ়াৰ সৈতে সদায় একেলগে থাকিবলৈ অলপ অসুবিধা যেন পোৱাত বুঢ়াই নিজৰ বাৰীতে এটি সৰুকৈ ঘৰ অতি সোনকালে সজাই দিয়াৰ দিহা কৰিলে। ৰমেশে একো বাধা নিদি বুঢ়াৰ লগতে পিতা পুত্ৰৰ দৰে থাকিল। কেইদিন মান থকাৰ পিছত ৰমেশ অলপ যত্ন কৰাতেই বাগীছাৰ কেৰানী কাম এটাত ভৰ্ত্তি হবলৈ সুবিধা পালে, নিজৰ জ্ঞানৰ বলত চাহবক সেই কাম বিলাকত বিশেষ পাৰ্গতালি দেখুৱাৰ বাবে বৰচাহবে কেইমাহ মানৰ ভিতৰতে তিনিশ টকা দৰ্ম্মহাত বাগীছাৰ চোট চাহবৰ কামটো ৰমেশক দিলে। ৰমেশে বেছ ধুনীয়াকৈয়ে কাম চলোৱাৰ লগতে নিজেও সুখে স্বচ্ছন্দে থাকিব পৰা হল।

ৰমেশ থাকিবলৈ লোৱা গাওঁখন বৰ ডাঙৰ। তাত প্ৰায় চাৰিশ ঘৰ মানুহ বাস কৰিছিল। এদিন দুদিন কৰি দিনবোৰ পাৰ হৈ যোৱাৰ লগতে এজন দুজনকৈ সকলো মানুহৰ লগতেই ৰমেশ চিনাকি হৈ পৰিল। ৰমেশৰ নম্ৰতা, বাক পতুতা আৰু নানা কামত গাৱঁৰ সকলোবোৰেই মুগ্ধ হৈ পৰিছিল। সেই

বাবেই অলপ আৱশ্যক হলেই সকলোবোৰ আহি ৰমেশৰ ওচৰ চাপি নানা বুদ্ধি পৰামৰ্শ লবলৈ ধৰিলে আৰু ৰমেশৰ আৱশ্যকীয় সকলো কামতে গাৱঁৰ সকলো মানুহে বিনা প্ৰতিবাদে সহায় কৰিবলৈ ধৰিলে। ঘৰৰ বুঢ়া গিৰিহঁতেও ৰমেশৰ গুণৰ মোল বুজিব পাৰি খুব আদৰ সাদৰ কৰি ৰাখিলে। ৰমেশৰ বাবে ঘৰ সজাওঁতে বুঢ়াৰ যি টকাৰ আৱশ্যক হৈছিল ৰমেশে সেই টকা জোৰ কৰি বুঢ়াৰ হাতত তুলি দিয়া সত্তেও বুঢ়াই তাক গ্ৰহণ নকৰিলে।

কামৰ সময়ত বাগীচাত কাম কৰি আৰু আজৰি সময়ত ৰমেশে নিজে খুব যত্ন কৰি বাৰীত নানা ফুল কই যত্ন কৰি ঘৰটি চকুত লগা কৰি তুলিলে। ইয়াৰ পিছত ৰমেশৰ কিছুদিন পাৰ হৈ যায়।

দিন কাৰো সমানে নাযায়। হঠাৎ গোটেই গাওঁজুৰি কলেৰা আৰম্ভ হল, ৰমেশ বৰ চিন্তাত পৰিল। বহুত মানুহ মৰিল। ৰমেশে বহুত টকা খৰচ কৰি ডাক্তৰ আনিলে দৰব জাতি কিনি দিলে। মানুহ বোৰৰ ঘৰে ঘৰে গৈ কেনেকৈ থাকিলে খালে বাকীবোৰ মানুহ ৰক্ষা হব পাৰে তাৰ বাবে নানা উপদেশ দি ফুৰিবলৈ ধৰিলে। প্ৰায় একুৰিমান মানুহ মৰাৰ পিছত গাওঁখন বেমাৰৰ পৰা মুক্ত হল। মানুহ বিলাক হঠাতেই এনে বেমাৰত পৰি মৃত্যু হোৱাত ৰমেশে মনতে বৰ আঘাট পালে আৰু শিক্ষাৰ অভাবেই যে ইয়াৰ কাৰণ সেই কথা বেছকৈ উপলব্ধি কৰিব পাৰিলে। ইয়াৰ পিছত মানুহ বিলাকক কেনেকৈ

শিক্ষিত কৰিব পৰা হয় ৰমেশে তাকেই ভাবিবলৈ ধৰিলে দিনে ৰাতিয়ে। প্ৰথমে ছাত্ৰ ছাত্ৰী সকলৰ বাবে এখন প্ৰাইমেৰী স্কুল খোলাৰ কথা ভাবিলে কিন্তু তাক কাৰ্য্যত পৰিণত কৰে কেনেকৈ, এইদৰে ভাবিচিন্তি থাকোতেই কেইটা-মান দিন পাৰহৈ গল।

এদিন কামৰ পৰা ছুটি লৈ গাৱৰ মুখীয়াল মানুহ কেইজন মানক তেওঁৰ ঘৰলৈকে মানুহ এটা পঠিয়াই মতালে বিপদৰ সময়ত মানুহ বিলাকে ৰমেশৰ পৰা নানা সহায় পোৱাত তেওঁলৈ মানুহ বিলাকক মৰম দুগুণ হৈ উঠিছিল। গতিকেই মাতি পঠিওৱা মাত্ৰকে সকলো মানুহ আহি ৰমেশৰ ঘৰত উপস্থিত হলহি। সকলোখিনি মানুহ অহাৰ পিছত ৰমেশে শিক্ষাৰ আৱশ্যকতাৰ বিষয়ে বহুত কথা মানুহ বিলাকক ক'লে। শিক্ষাৰ অভাৱত দেশৰ অৱস্থা কি হব পাৰে আৰু শিক্ষাৰ বলত পশ্চিমৰ মানুহ বিলাকে কেনে অসাধ্য সাধন কৰিছে আদি সকলবোৰ কথা খৰছি মাৰি বুজাই দিয়াত মানুহ বোৰে শিক্ষাৰ আৱশ্যকতা অনুভৱ কৰি তাৰ বাবে ৰমেশে যিহকেই কৰিবলৈ কয় তাকেই কৰিবলৈ গাত ললে। যেতিয়া সকলো বোৰ মানুহ তেওঁৰ কথাত মান্তি হল, ৰমেশে এখন ডাঙৰ ৰাজহুৱা সভাৰ আয়োজন কৰাত লাগিল। কেই শ মান চিঠি ছাপাকৰি দূৰৰ দূৰৰ মুখীয়াল মানুহ বোৰক নিমন্ত্ৰণ কৰিলে। সু-সাহিত্যিক, দেশসেৱী হৰিচৰন শইকীয়া দেৱক সভাপতিৰবাবে নিমন্ত্ৰণ কৰিলে. স্থানীয় ৰাজহুৱা নাম ঘৰতেই সভাৰ স্থান স্থিৰ কৰি মানুহ বিলাকৰ গাত

কামৰ ভাব দিয়াত চাইথাকোতেই সকলো কাম সমাধা হৈ উঠিল।

সভাৰ নিৰ্দিষ্ট দিনত নানা ঠাইৰ নিমন্ত্ৰিত অনিমন্ত্ৰিত নানা মানুহ আহি সভা ঘৰ ভৰি পৰিল। উপযুক্ত সময়ত সভাপতি আহি পোৱাত সভাৰ কাম আৰম্ভ হল। ৰমেশেই সভাৰ উদ্দেশ্য ৰাইজক বুজাই দিলে। আন আন নিমন্ত্ৰিত সকলৰ মাজৰ পৰাও বহুতে বহুত সাৰুৱা কথা কলে। তাৰ পিছত স্কুল চলোৱাৰ ভাৰ ৰমেশৰ ওপৰতে আৰোপ কৰি নিয়মাবলী তৈয়াৰ কৰি ৰাইজক শুনুৱা হল। যেয়ে যি পাৰে সমৰ্থ অনুসৰি সেই কামত সহায় কৰিবলৈ গাত ললে। ৰমেশে কাম কৰা বাগীছাৰ বৰ চাহাবেও পাচশ টকা দিলে। গাৱৰে এজন মুখীয়াল মানুহে নাম ঘৰৰ ওচৰত থকা চাপৰি মাটিখিনি স্কুল সাজিবৰ বাবে দান কৰিলে। সভা ভঙ্গ হল। দুজন মেট্ৰিক পাছ শিক্ষকক কুৰিটকাকৈ দৰ্মহাত নিযুক্ত কৰি স্কুল ঘৰ নহয় মানে নামঘৰতে আৰম্ভ কৰিব পৰাকৈ যোগাৰ কৰি দিয়া হ'ল অলপ দিনৰ পিছতে স্কুল ঘৰ হৈ উঠিল। লৰা ছোৱালীৰ সংখ্যা দিনে দিনে বাঢ়িবলৈ ধৰিলে. বাধা হৈ লোকেল বৰ্ডে স্কুলখনি হাতত ললে। কি উপায়েৰে স্কুলখনিৰ ভবিষ্যত উন্নতি কৰিব পৰা হয় ৰমেশে তাৰেই চিন্তাত লাগিল। ছোৱালী বোৰক শিল্প বিষয়ক শিক্ষা দিয়াৰ মতলব কৰি নিজৰ হাতত থকা জমা টকাৰে শিল্প-অনুষ্ঠানৰ ভালেখিনি আৱশ্যকীয় বস্তু কিনি এটা ঘৰ সজাই তাতে বস্তুখিনি সুন্দভাবে সজালে। দিনে দিনে স্কুলখনিৰ আৰু শিল্প অনুষ্ঠানটিৰ উন্নতি হবলৈ ধৰিলে।

---

## বিশ

আনকালৰ দৰেই আৰতীয়ে সকলো বোৰ কাম শেষকৰি ৰাতি পাটিত পৰিল কিন্তু আনকালৰ দৰে তাইৰ শোৱা মাত্ৰকে টোপনীয়ে হেচামাৰি নধৰিলে আজি যেন টোপনীয়ে তাইৰ ওপৰত অভিমান কৰি বহুত দূৰলৈ আতৰি গৈছে—হয়তো নেদেখা দেশলৈ। নানা ভাববোৰ আহিল মনলৈ। গা মূৰি দি সকলবোৰ ভাব আঁতৰাই দি গাৰু এটা চপাই আনি তাৰ ওপৰত ভৰি এটা তুলি অলপ আৰাম কৰি তাই শুবৰ যত্ন কৰিলে—কিন্তু টোপনী নাহিল।

কোনোবা এটা মুহূৰ্ত্তত তাইৰ টোপনী আহিল—অচেতন হৈ পৰি থাকিল। তাইৰ গোটেই অৱশ দেহাটো চাৰিপাতিতে পেলাই দি শুই পৰিল। সময় বহুত পাৰ হৈ গল, চক্‌মক্ কৈ সাৰ পাই উঠি তাই দেখে ৰাতি পুৱাইছে। লাহে লাহে বিছনা খনৰ পৰা উঠি অহাৰ লগে লগে যেন কিবা এটা হেৰাইছে বুলি তাইৰ অনুমান হল। গাটো শুদা শুদা লাগিল। কেৰু ছুটা চালে—আছে। মনিধাৰ চালে, হাতৰ খাৰু ছুদাল চালে, সকলো ঠিকেই আছে। তাই অলপ আচৰিত হল। কাঁহিবাটি বোৰলৈ লাহে লাহে নৈৰ ফালে খোজ দি আৰতীয়ে কিবাবোৰ ভাবিয়েই গল, নৈৰ পাৰ পালে। কাঁহিবাটি ধুলে—বহুত দেৰি অপেক্ষা কৰিলে ৰমেশ কিন্তু নাহিল। "কিবা অসুখ

হৈছেনেকি ?” তাই ভাবিলে—বহুত দেৰি ভাবিলে উত্তৰ কিন্তু একো নোলাল। লাহে লাহে তাই নামি গল গা ধুবলৈ। ৰমেশ আনকাল ঠকা ঠাইত কিবা এটা বগাবস্তু জিলিকি উঠিল। তাই পানীৰ পৰা উঠি আহিল। অলপ বেগদি সেই ঠাইলৈ আগবাঢ়ি গল। এখন কাগজ—গাতো কপি উঠিল। কাগজখন আনিবলৈ তাঁৰ হাত মেলিলে। থৰক বৰকৈ কঁপা হাঁতটো আগবঢ়াই কাগজখন ঠাপ মাৰি আনিলে। ওপৰত কাৰো নাম নাই। চিঠি-খনৰ শেষত লিখা আছে—‘ৰ—মে—শ—’ গোটেই শৰীৰটো গৰম লাগিল। গাৰ নোমবোৰ ঠিয় হল। উগ্ৰকণ্ঠে তাই চিঠি-খন পঢ়িলে—

মৰমৰ আৰতী!

বুজিছা সকলোবোৰ কথাৰ ওপৰত এটা প্ৰধানতম কথা আছে সি হৈছে ভাগ্য। ইয়াৰ বিনিময়ে মানুহে ভৰা ভঁৰালো উদং কৰি ভীক্ষাৰ সজুলি হাতত তুলি লব লগাত পৰে। ইংৰাজীত এটা কথা পাইছিলো “where there is a will, theres a way” য’ত একাগ্ৰতা আছে তাত উপায়ো আছে।” আজি মোৰ এই কথাষাৰ সম্পূৰ্ণ মিছা যেন লাগিছে। নিজৰ জীৱনৰ ওপৰতেই প্ৰমাণ চালো কথাষাৰ কিমান দূৰ সত্য—এতিয়া তাকেই প্ৰমাণিত হিছে। কথাটোনো কি হয়তো ভাবি আচৰিত হবা—বুজিব নোৱাৰি হয়তো ৰিহাৰ আচল তিয়াই কান্দিবাও। মুঠতে ইয়াকে ক’লো—মই আজি তোমালোকৰ ধনী মৌজাদাৰৰ পুতেক হৈ থকা নাই। ভাগ্যৰ চক্ৰত পৰি আজি মই বাটৰ ভিক্ষাৰী। দেউতাৰ আদেশ মান্যকৰি আজি

এই ৰাতিতেই ঘৰৰ পৰা বাহিৰ হৈছো—চিৰদিনৰ নিমিত্তে—উদেশ্যহীন অনন্ত যাত্ৰাৰ মাজেদি। ভাবিছিলো তোমাক দেখা কৰি যাওঁ—ভাগ্যহীন মই—সেইবাৰে সেই ভাগ্য নহল। আমাৰ মিলনৰ বাটত হয়তো ইমানতে ঠিয় দি আছে এটি অলঙ্ঘ্য প্ৰাচীৰ। তাক অতিক্ৰম কৰা এই জীৱনত বোধ হয় নহব। মৰম লবা। বিদায়—ইতি—

তোমাৰ ৰমেশ

পুনঃ—মোৰ কাৰণে চিন্তা কৰি তোমাৰ অকনি প্ৰাণত আঘাট কেতিয়াও নিদিবা দেই। কিয়নো মই এতিয়া মৰুভূমি মাজৰ পথ ভ্ৰান্ত। পথিকৰ দৰেই উদেশ্য বিহীন—পথ বিহীন পথিক। ৰমেশ—”

চিঠিখন আৰতীয়ে পঢ়িলে। বলীয়াৰ দৰে ৰমেশক এবাৰ চিঞৰি দিবৰ ইচ্ছা কৰিলে কিন্তু নিদিলে। খুব চিঞৰি কান্দিব খুজিলে কিন্তু নোৱাৰিলে। মাত্ৰ এটা দীঘল হুমুনীয়া ওলাই আহি বতাহৰ লগত মিল হৈ গল, বতাহত মিলি যোৱা সেই হুমুনীয়া টোৱে হয়তো কোনোবা এদিন কোনোবা এঠাইত ৰমেশৰ অজানিতে ৰমেশক স্পৰ্শ কৰিব।

আৰতী ঘৰলৈ গল। ৰমেশৰ সৰু ফটোখন বাকচৰ পৰা উলিয়াই আনিলে। কোনেও নজনাকৈ তাই বহুত পৰ ছবিখন চালে। দুচকুৰ পৰা ওলাই অহা চকুপানীখিনি দুগালেদি বৈ গল। এটা কঁপা হুমুনীয়া ওলাই আহি আকৌ বতাহত মিহলি হল।

---

# একৈশ

ৰমেশক বিচাৰি ভৱেন বৰুৱাই বহুত ঠাইলৈ মানুহ পঠালে। দূৰনীৰ বন্ধু-বান্ধব সকলৈ সবিশেষ লিখি গমপালে ততালিকে তাঁৰৰ যোগে জনাবলৈ অনুৰোধ কৰিলে। নিজেও মটৰ দৌৰাই বহুত ঠাইত ঘূৰিলে। একে লগে কেইবা মাহো বিচাৰি খবৰ নাপাই ভৱেন বৰুৱা হাইৰান হ'ল। ৰমেশক বিচাৰি থাকিলেই আনকাম নিসিজে ভাবি ভৱেন বৰুৱাই বিচাৰ কৰিবলি এৰি দি কেনেকৈ মীৰাক সজ পাত্ৰৰ হাতত অৰ্পণ কৰা হয় তাৰ যত্নত লাগিল। নানা ঠাইৰ পৰা ছোৱালী ধৰি বহুতে চিঠি লিখিলে। বৰুৱাই কিন্তু কাকো খাতাং জবাব নিদিলে। বৰুৱাই বহুত দৰা চালে কিন্তু মনৰ মতন দৰা নাপাই সকলোকে ঘূৰাই পঠালে।

গোপাল ভূঞা তেজপুৰৰ এজন আধ্যাৱন্ত লোক। তেওঁৰ লৰা এটিয়ে অহাবাৰ এম. এ দিব। সেই কথা ভৱেন বৰুৱাই আৰ তাৰ মুখে জানিব পাৰি চিঠিপত্ৰ লিখা লিখি কৰিলে। অলপ জোৰ কৰি ধৰিলেই হোৱাৰ অনুমান কৰি বৰুৱা বৰুৱানী দুয়োগৈ তেজপুৰ পালেগৈ।

মাঘৰ ২৬ তাৰিখ বিয়াৰ দিনস্থিৰ হল। বৰুৱা আৰু ভূঞা দুয়ো ঘৰে বিয়াৰ বাবে যথেষ্ট টকা ব্যয় কৰিলে। জীৱেশ্বৰ বৰুৱাও নিজেগৈ ভৱেন বৰুৱাৰ ঘৰত বিয়াৰ কেইদিন থাকি

আনন্দ কৰিব নোৱাৰিলেও যি পাৰে বন্ধু হিচাবে সহায় কৰিলেগৈ। কোনো অসুবিধা নোহোৱাকৈয়ে বিয়াৰ কাম সুকলমে সমাধা হৈ গল। বৰ কন্যা উভয়ৰ ঘৰৰ মানুহেই খুব আনন্দিত হল, ৰমেশৰ অভাৱ আনে সিমান কৰিব নোৱাৰিলেও মীৰাই কিন্তু অনুভৱ নকৰাকৈ থাকিব পৰা নাছিল। কিছুদিনৰ পিছত ৰমেশৰ বিষয়ে মীৰায়ো ভাবিবলৈ এৰিদিলে।

বিয়াৰ কেইমাহ মানৰ পিছত নৰেন ভূঞাই এম, এ দি আহি ঘৰত বহিল। ইমান দিন মীৰা মাকৰ ঘৰতেই আছিল। ভূঞা আহি এতিয়া নিজৰ ঘৰলৈ লৈ গল। ভৱেন বৰুৱাই শক্তি অনুসৰি যি পাৰিলে যৌতুক দিলে। গিৰিয়েকৰ ঘৰত মীৰাই বেছ সুখেৰেই দিন নিয়াবলৈ ধৰিলে।

## বাইশ

ৰমেশৰ অনুষ্ঠানটি লাহে লাহে বৃহৎ আকাৰত পৰিণত হৈছে। ৰমেশে চাকৰী জীৱন ইস্তফা দি অনুষ্ঠানটি আৰু স্কুলটি গঢ়ি তোলাত দেহপ্ৰান দি লাগি গৈছে। শিল্প অনুষ্ঠানটিত নানা বিষয় প্ৰতিষ্ঠা কৰি সৰু সৰু ছোৱালীকে আৰম্ভ কৰি জীয়ৰী, বোৱাৰী, বিধবা আদি সকলোকে তাৰ যোগেদি শিক্ষা দি একোগৰাকী নিপুণ শিল্পি গঢ়ি তুলিছে। বিধবা সকলৰ কাৰণে ৰমেশে বিশেষ সুবিধা কৰি দিলে। কিছুমান নিয়ম প্ৰণালী কৰি সকলোবোৰ মানুহ তাৰ তলতীয়া কৰি অশৃঙ্খল হৈ থকা কামবোৰ শৃঙ্খলাবদ্ধ কৰিলে।

ৰমেশে এই অনুষ্ঠানটিৰ মান দিলে "অসম শিল্প প্ৰতিষ্ঠান"। এই অনুষ্ঠানৰ কাম হল নজনা বিলাকক শিক্ষা দিয়া আৰু জনা বিলাকক অকৰ্ম্মন্য হৈ বহি থাকিবলৈ নিদি দৰ্ম্মহা দি কামত ভৰ্ত্তি কৰা। যেয়ে বোৱা সূতাকটা, ফুল বছা বা আন কামত কৃতকাৰ্য্যতা দেখুৱাব পাৰিব তেওঁকেই বেছি দৰ্ম্মহা দিয়াৰ ব্যৱস্থা কৰিলে আৰু আতাইতকৈ সুন্দৰ কাম যি কৰি দিব তেওঁৰ বাবে পুৰস্কাৰ দিয়াৰ বন্দোৱস্ত কৰিল। ভৱিষ্যৎ উন্নতি যেন দেখি সকলোবোৰ মানুহেই অতি যত্নৰে নিজৰ নিজৰ কাম কৰিবলৈ ধৰিলে। এইদৰে ৰমেশে অনুষ্ঠানঠিত যোল অনা যোগাৰ কৰিল।

স্কুলখনিত সৰু সৰু ছোৱালী বিলাক পঢ়ুৱাবৰ কাৰণে এটি

বেলেগ ঘৰ ৰাইজৰ হুতুৱাই সজাইলে সৰহীয়া দৰ্ম্মহাত শিক্ষয়ত্ৰী নিযুক্ত কৰি দিলে। ৰমেশে এইকথা ভালকৈ বুজিব পাৰিছিল যে তাকৰীয়া দৰ্ম্মহালৈ মানুহে কেতিয়াও মনপুতি কাম নকৰে।

ছোৱালী বিলাকক স্কুলীয়া শিক্ষা দিয়াৰ লগতে কেনেকৈ প্ৰতিজনীকে একোজনী উপযুক্ত মাতৃকৰি তুলিব পাৰি তাৰ বাবেও ৰমেশে যত্ন কৰি কেনেকৈ কোন বয়সৰ লৰাক পালন কৰিব লাগে কেনেকৈ নিজৰ খোৱা আহাৰ, পিন্ধা কাপোৰ কানি, থকাঘৰ আদি পৰিষ্কাৰ কৰি ৰাখিব লাগে তাৰ উপযুক্ত শিক্ষা দিবৰ কাৰণে ভাল শিক্ষয়ত্ৰী নিযুক্ত কৰি দিলে।

ৰমেশে জানিছিল যে তেওঁ সদাই অনুষ্ঠান বা স্কুলটি পৰিদৰ্শন কৰিবলৈ গলে বদনামৰ ভাগি হব লাগিব। কাৰণ সংসাৰত এনে কিছুমান মানুহ আছে যি সদায় লোকৰ দোষ খুচৰি ভাল পায়। সেই বদ নামৰ পৰা হাত সাৰি থাকিবৰ বাবে ৰমেশে নিজৌ কামবোৰ পৰিদৰ্শন কৰিবলৈ নগৈ কেইগৰাকী মান শিক্ষিত তিৰোতাৰ হাতত সেই কামৰ ভাৰ দিলে। তেওঁ বিলাকেই দৈনীক কাম সকলো চলাব। বিশেষ আৱশ্যক নহলে তেওঁ বিলাকে ৰমেশক লগ কৰিব নোৱাৰিব। সপ্তাহত মাত্ৰ এবাৰ স্কুল আৰু প্ৰতিষ্ঠান পৰিদৰ্শন কৰিবৰ বাবে ৰমেশে এটা দিন স্থিৰ কৰি দিলে। সেই নিৰ্দিষ্ট দিনতগৈ ৰমেশে স্কুল আৰু অনুষ্ঠানটি তন্ন তন্নকৈ পৰীক্ষা কৰি আৱশ্যকীয় উপদেশ আদি দি আহে। সেই অনুষ্ঠানত তৈয়াৰ হোৱা কাপোৰ কানী আৰু বস্তু বিলাক বেছিবৰ বাবে অসমৰ প্ৰতি নগৰতে আৰু বিদেশবো বহুত ঠাইত এজেণ্ট নিযুক্ত কৰি দিলে।

প্ৰতি কামকেই অতি সুচাৰুৰূপে কৰিব আৰু চলাব জনাত অনুষ্ঠানটিৰ ভঁৰালত বহুত টকা জমা হ'ল। ৰমেশে নিজে খাব পৰাকৈ মাথো কিছু টকা লৈ বাকী সকলোবোৰ টকা শিল্প অনুষ্ঠানত জমা ৰাখে। অসম শিল্প প্ৰতিষ্ঠানৰ নাম কেই বছৰ মানৰ ভিতৰতে চাৰিওফালে বৈ বৈ গল।

ৰমেশে যিদিনাৰ পৰা এই গাৱঁত আশ্ৰয় লয় সেই দিনাৰে পৰা তেওঁ নিজকে পৰিচয় দিছিল অজিত বৰুৱা বুলিহে। এতিয়াও তেওঁ এই অনুষ্ঠানটিৰ মালিক অজিত বৰুৱা বুলিয়েইহে সকলোৱে জানে। নিজৰ আচল নাম লিখি এইদৰে পলাই থাকি কামকৰা সম্ভৱপৰ নহব ভাবিয়েই ৰমেশে নিজৰ নাম বদলি কৰিছিল। এতিয়াত তেওঁৰ নাম জানিলে কিবা বিপদে মেৰাই ধৰে বুলি ভাবিয়েই তেওঁ গুপ্ত নামেৰেই সকলোৰে লগত পৰিচিত হৈছিল। কেতিয়াবা কাৰবাৰ সন্দেহ ভাৱ জাগি উঠাৰ ভয়ত আনকি ৰমেশে নিজৰ ডিগ্ৰি টোকো কোনো দিন নিলিখিছিল।

শ শ ছোৱালী নানা ঠাইৰ পৰা আহি ৰমেশৰ তাত কাম শিকিবলৈ ধৰিলে। অনেক নিৰক্ষৰ হৈ থকা লৰা বুঢ়া ডেকা, গাভৰু আদি ৰমেশৰ আশা শুধিয়া কামৰ ফলত শিক্ষিত হৈ উঠিল। প্ৰথমে ৰাইজৰ সহায়ত প্ৰতিষ্ঠা কৰি স্কুল খনি ৰমেশে সেই কেই বছৰৰ ভিতৰতে মধ্য ইংৰাজী কৰি তুলিলে আৰু ভবিষ্যত তাক মধ্য ইংৰাজী গুছাই উচ্চ ইংৰাজীত পৰিণত কৰিবৰ কাৰণে যিমান পাৰে যত্ন কৰিবলৈ ধৰিলে।

শিল্প অনুষ্ঠানৰ বাবে কেইবাটিও ডাঙৰ পকী ঘৰ সজা হল, বৰ্ডিং আদি নিৰ্ম্মান কৰা হ'ল। অনুষ্ঠানৰ চাৰিওফালে ভালকৈ গড় মাৰি, ভিতৰত এখনি সুন্দৰ ৰাজ্যৰ প্ৰতিষ্ঠা হল। এই দৰেই ৰমেশৰ দিন বিলাক সমাজ সেৱাতে লিপ্ত থাকি ছুটি এটিকৈ লাহে লাহে পাৰ হৈ যাবলৈ ধৰিলে—বেছ সুখ আৰু আনন্দৰ মাজেদিয়েই।

ৰমেশে দিনবোৰ প্ৰায় আনন্দতেই কটাবৰ যত্ন কৰে যদিও আৰতীৰ প্ৰতি ছবিটো তেওঁ কোনো দিনেই অন্তৰৰ পৰা আতৰাই থব পৰা নাই। তেওঁৰ এতিয়া টকা আছে মান সন্মান আছে অনেক সা-সম্পত্তি আছে তথাপি তেওঁৰ অন্তৰ খনিয়ে কিবা এটা বস্তুৰ সদায় আৱশ্যকতা দেখি থাকে। মুখত হাঁহি আৰু অন্তৰত এটি ক'লা ডাগলৈ ৰমেশে নিজ কামত আগবাঢ়ি যাবৰ যত্ন কৰে মাথোন। কামত ব্যস্ত থকা পৰত ৰমেশক কোনো ভাবে দিগদাৰ দিব নোৱাৰিলেও জিৰনিৰ সময় খিনিত নীৰৱ পজাটিৰ মাজত বহি নিৰ্ব্বাসিত হৈ থকা যক্ষটিৰ দৰেই এটুপী তপত চকুলো পেলাই।

ৰমেশে বিয়াবাৰু কৰোৱা নাই এই কথাই গিৰিহঁত বুঢ়াৰ মনত বেজাৰ দিয়ে। ৰমেশে বুঢ়াৰ ঘৰৰ পৰা আতৰি আহি মাটি বাৰী কিনি নতুন ঘৰ সজাই বেলেগে অকলে অকলে থাকিবলৈ লোৱাৰ পৰা বুঢ়াই আৰু বেছি বেজাৰ পালে। বুঢ়া দিয়ে আহি থাকি ৰমেশক বিয়া পাতিবৰ কাৰণে কয়। বুজনি দিয়ে কেতিয়াবা জোৰ কৰে। ৰমেশে তাৰ উত্তৰত কয় "মোৰ

বিয়াৰ বাবে আপুনি কিয় ইমান চিন্তা কৰিছে ককা। মই বাক কৰা কাম বিলাক আপুনি কেনেকুৱা দেখিছে। মই অহাৰ আগতকৈ এতিয়া গাওঁ খনৰ অৱস্থা বহুত বেয়া হ'ল নহয়নে বাক ককা।" বুঢ়াৰ পৰা এষাৰ ধেমালীৰ উত্তৰ পাবৰ কাৰণে ৰমেশে হাঁহি হাঁহি কয়।

"ওভো গাওঁখন তুমি বৰ বেয়া কৰিলা সংসাৰৰ লৰা-ছোৱালীবোৰ আনি শিক্ষা দিলা আন কি বুঢ়া বুঢ়ীকো তুমি বাদ নিদিলা। গাৱৰ মাজত পকা ঘৰ কৰি নগৰ সাজিলা আৰু ক'ত কি? সেইবোৰ নো কি ভাল কাম কৰিলা। নিজে তুমি তাতোকৈ ভাল কাম কৰিছা বিয়া নকৰালৈ থাকিহে ৰোপা! সংসাৰত সোমাই কোন জলৌ পলৌ হৈ মৰে নহয়নে বাক?"

বুঢ়াৰ কথাৰ উত্তৰত ৰমেশে মাথো এবাৰ ডাঙৰকৈ হাঁহে তাৰ লগতে আৰতীৰ ছবিটো ৰমেশৰ আগেদি কেনিবা আতৰি যায়।

---

[ তেইশ ]

আৰতীৰ মাকে যি দিনা ভৱধৰৰ আগত আৰতীৰ বিয়াৰ কথা উল্লেখ কৰিছিল সেইদিনাৰ পৰা আঢ়ৈটা বছৰ পাৰ হৈ গল তথাপি ভৱধৰে বিশেষ মন কান দিয়া নাছিল। মালতীয়েও ইমান দিন মন কান নিদি ভৱধৰে নো কি কৰে তাৰেই অপেক্ষাত বৈছিল। ইমান দিনেও একো নোহোৱা দেখি তেওঁৰ খং উঠি আকৌ ভৱধৰক কথাটো এদিন সোঁৱৰাই দিলে। অলপ যত্ন কৰাতেই ভৱধৰে এটা দৰাৰ যোগাৰ কৰিলে, দৰা মেট্রিক পাছ ইন্‌সপেক্টৰ অফিছত কেৰাণী কৰে। দৰ্ম্মহা পায় আঢ়ৈ কুৰি। ভবিষ্যতে উন্নতিৰ আশা আছে। মালতীয়ে কথাটো গম পাই বেছ আনন্দিত হল।

কেইটামান দিন পাৰহৈ গল। লাহে লাহে কথাটো আৰ তাৰ মুখে আহি আৰতীৰ কাণত পৰিল। আৰতীয়ে খবৰটো পায় স্বৰগ পৰা মানুহৰ দৰে ঠিয় হৈ বৈ খন্তেক কিবা কিবি ভাবিলে। চকুৰেদি কেইটোপাল মান চকুলো বাগৰী গল। বিয়াখন যাতে ভাঙিব পাৰে তাই তাকেহে দিনে ৰাতিয়ে ভাবি ঈশ্বৰক খাতিবলৈ ধৰিলে। তাই লাজ-কাজ কাটি কৰি থৈ বিয়াখন নাপাতিবৰ কাৰণে মাকক কাকুতি মিনতি কৰি ক'লে, "চকক সুধি চাউল নবহায় আইহে" বুলি মাকে কথাষাৰ পেংলাই কৰি উৰাই দিলে। আৰতীয়ে দৰাৰ বিষয়েও নিজৰ

সমনীয়া বন্ধুৰ পৰা সবিশেষ গম পালে। তথাপি তাই অন্তৰৰ ভাৱ কোনোমতেই সলনি কৰিব নোৱাৰিলে। তাই মাথো ভাবিছে ৰমেশৰ কথা। ৰমেশক পালেই যেন তাই আৰু সংসাৰত একো নিবিচাৰে। তাই একো উপাই বিচাৰি নাপাই মাথো ৰমেশৰ ফটো খনি বুকত বান্ধিলৈ কান্দি কান্দি দিন নিয়াইছে।”

বিয়ালৈ মাথো আৰু চাৰিদিন বাকী। য'ত যি বস্তুৰ আৱশ্যক হয় সেই সকলোবোৰ বস্তু মালতীয়ে যোগাৰ কৰিছে। যাতে এপদ বস্তুৰো আতক নহয়। ভৱধৰে মানুহ লগাই ঘৰৰ চুক কান আদি সকলোবোৰ সুন্দৰ কৈ অতাইছে। পিছ-দিনা টেকেলীৰ বাবে মালতীয়ে সকলো আৱশ্যকীয় বস্তু বাহানি যোগাৰ ৰাখিছে। ছোৱালী নোৱাৰ ধুৱাৰৰ কাৰণে বেই ঘৰ মাৰল ঘৰ আদি সকলোবোৰ সুসজ্জিত কৰি তুলিছে। দুই এক কৈ বংশ পৰিয়ালৰ মতা মাইকী লৰা ছোৱালী আদি আহি ভৱধৰৰ ঘৰ ভৰি পৰিছে। সকলোৱে মনত আনন্দ সকলোৱে স্ফুৰ্ত্তি কৰিছে। মাথো আনন্দ নায় আৰতীৰ। তাই সকলোৰে পৰা আতৰি অকলে অকলে বহি ৰয় নিজান ঠাইত, য'ত বিয়াৰ আনন্দৰ কোলাহলে তাইক স্পৰ্শ কৰিব নোৱাৰে। তাই মানুহ বোৰৰ মনত বিমানেই আনন্দ দেখে সিমানেই তাইৰ অন্তৰত শোকে খুন্দা মাৰি ধৰে।

সেই দিনা ৰাতি—আৰতী শোৱাপাটিত পৰিল। অন্তৰত যেন কিবা এটাই তাইক খুলি খুলি খাব লাগিছে। তাৰেই বেদনাত যেন তাই চাতি ফুটি কৰি বাগৰি ফুৰিছে। লাহে লাহে

বাঁতি গাহীন হৈ আছিল লগে লগে সকলোবোৰ মানুহ শুই পৰিল। পিছদিনা টেকেলী সোনকালে উঠিব লাগে ভাবি সকলো বোৰেই নিচিন্ত মনে টোপনী গল। আৰতীয়ে বিছনাত পৰি ৰমেশক সুঁৱৰি সুঁৱৰি কান্দি চকু পানীৰে মাথো গাৰু টিয়াইছে। আৰতীয়ে ভাবিছে কালিলৈ টেকেলী, পুৰহিলৈ গাঠিয়ন আৰু তাৰ পিছ দিনা বিয়া, তাৰ পিছদিনা অচিন যুৱকৰ হাতত তাইৰ আত্মসমৰ্পন। তাকেই ভাবিলে আৰু সেই ভাবিয়েই কান্দিলে।

হথাৎ যেন তাই কিবা এটা শক্তি পালে। ঈশ্বৰে যেন তাইক কিবা এটা শক্তি দিলে। মনৰ ভাৱবোৰ সলনি হৈ গল। ভয় বোলা বস্তুটো নিমিষতে মনৰ পৰা আঁতৰ হল। তাই প্ৰতিজ্ঞা কৰিলে ৰমেশক স্বামী বুলি মুৰ দোৱাৱলৈ নাপালে আন কাকো তাই আত্মসমৰ্পন নকৰে—লাগিলে তাইক মৃত্যুয়েই হক। তাই ধপকৰে উঠি বিছনাৰ ওপৰতে বহিল। তাইৰ গোটেই গাতো থক্ থক্ কৰে কঁপিবলৈ ধৰিলে। গাৰ নোমবোৰ দাল দাল হল। খুব লাহে লাহে ওচৰৰ খিৰিকেৰেদি বাহিৰলৈ চালে—আন্ধাৰ। তাইৰ মনত পৰিল যৌতুকত দিবলৈ আনি থোৱা সেই ডাঙৰ ছুৰি খন। খোলা ছুৰি খনে তাইৰ চকুৰ আগত ঘনে ঘনে নাচিবলৈ ধৰিলে। বিয়াৰ কথা ভাবি ভাবি তাইৰ মগজটো গৰম উঠি গল। নিশবদে তাই পাটিৰ পৰা লাহে লাহে মাটিলৈ নামিল, কাপোৰ কানিবোৰ খুব টানকৈ পিন্ধিলে। তাৰ পিছত তাই লাহে লাহে যৌতুকৰ

মাল খোৱা কোঠাটোলৈ সোমাই গৈ খেপিয়াই খেপিয়াই ছুৰি খন পাই ওলাই আহিল। মাক আৰু বাপেকৰ টোপনী অৱস্থাতেই সেৱা কৰি তাই ওলাই আহিল বাহিৰলৈ। তাই আকাশখন চালে—সৰু সৰু তৰা বোৰে নাচিছে। দুৰণীৰ গাওঁখন চালে—ঘৰবোৰ ক'লা ক'লা হৈ থিয়দি আছে। ছুৰি-খন উলিয়াই খুলি তাই ধাৰটো চালে মুৰৰ জোঙটো চালে তাৰ পিছত আকৌ ছুৰি খন জপাই তাই লাহে লাহে ৰাজবাটৰ ফালে আগ বাঢ়ি গল। বহল ৰাজবাটটো যেন তাইৰ বাবেই নিশবদে পৰি আছে। ৰাতি অকলে অকলে তাই প্ৰায় আঠ মাইল বাট কোনো বিপদ নোহোৱা কৈয়ে যোৱাৰ পিছত ৰাতি পুৱাল। "হৰিনাৰ মাংসই বৈৰী" তাইৰ আকৌ গাতো কপিবলৈ ধৰিলে এতিয়া যাব ক'লৈ। দিনত যদি তাইক কোনোবাই যোৰ কৰি কেনিবা লৈ যায় তেতিয়া তাই কি কৰিব? আত্মহত্যা—যদি আত্মহত্যা কৰিবলৈ তাই কোনো সুবিধা নাপাই। তাই অনুতাপ কৰিলে ঘৰখন কিয় এৰি আহিল। তাইৰ অভাৱত চাগৈ মাক বাপেকৰ কি অৱস্থা হৈছে। উপাই নাপায় তাই পাগলাৰদৰে চুলিবোৰ আউল বাউল কৰি পেলালে, কাপোৰ কানিবোৰ ঠায়ে ঠায়ে আজুৰি ফালিলে। তাৰ পিছত পগলাৰ দৰে আৰু তাক গালিপাৰি কিবা কিবিবোৰ বকি বকি তাই যাবলৈ ধৰিলে। কোনো দয়ালু মানুহে তাইক কেতিয়াবা কিবা সোধে কেতিয়াবা তাই পগলাৰ দৰে উত্তৰ দিয়ে আৰু কেতিয়াবা হাঁহি বা কান্দি তাৰ পৰা আঁতৰি গুচি যায়। •

লাহে লাহে বেলি দুপৰ হল, আৰতীৰ ভোকত পেটে কলমলাবলৈ ধৰিলে। তাই বলিয়াৰদৰে এঘৰ চহকী মানুহৰ ঘৰত সোমাই খাবৰ কাৰণে দুটামান ভাত খুজিলে। মানুহ ঘৰ অলপ মৰমীয়াল আছিল কোনো মাস্কিল নোহোৱাকৈয়ে তাই দুটামান ভাত খালে, মানুহ ঘৰৰ মাইকী মানুহবোৰে তাইক কিবা কিবি সুধিছিল তাৰ উত্তৰো তাই কিবা কিবি দি লাহে লাহে আহি আকৌ আলিবাটেদি যাবলৈ ধৰিলে।

—+—

## —চৌবিশ—

বিয়াৰ হেন্দোলদোপেৰে পৰিপূৰ্ণ ঘৰখনত সকলোৰে মনতেই আনন্দ। তেকেলীৰ দিনা ৰাতিপুৱা সকলোবোৰ শুই উঠি নিজা নিজা কামত লাগিগল। আৰতীৰ বাবে তেতিয়াও কোনেও খবৰকে কৰা নাই। মালতীয়ে ভাবিলে ছোৱালীয়ে বেজাৰত কান্দি কাতি শুই আছে থক নজগাও। আন বিলাকেও তাকেই অনুমান কৰিলে। ঘৰৰ আন মানুহৰ কিছুমানে দুৱাৰে আমপাত আঁৰিলে কোনোৱে ঘৰ সাৰিছে কোনোৱে ঘৰ মুছিছে—গোটেই ঘৰখনেই কামত ব্যস্ত।

সময় প্ৰায় আঠটা মান বাজিল। ইমান দেৰিকৈ শুই থাকিলে গা বেয়া লাগিব বুলি মালতীয়ে আৰতীক জগাই দিবৰ কাৰণে আৰতীৰ কোঠা সোমাল। তাত কিন্তু আৰতী নাই, ভাবিলে তাই মনে মনে উঠি নৈত গা ধুবলৈ যাব পায়। এতিয়াই ঘূৰি আহিব এই বুলি ভাবি বাটচাই থাকোতেই বেলি প্ৰায় দুপৰ হল। ইমান পৰেও আৰতী ঘূৰি নহা দেখি মালতীৰ মনত চিন্তা লাগিল। নৈত গৈ বেগেতে চাই আহিবৰ কাৰণে মালতীয়ে ল'ৰা এটা পঠাই দিলে। সি ঘূৰি আহি খবৰ দিলে আৰতী তাত নাই। মালতী আচৰিত হ'ল ভদ্ৰধৰক মাতি আনি সকলো কথা ক'লে। ভদ্ৰধৰে ইঘৰ সিঘৰকৈ চাবিওফালে খবৰ কৰিলে, আৰু তাক সুধিলে কিন্তু একো শুংসুত্ৰ বিচাৰি নাপালে। গোটেই গাৱঁতে আৰতীক খবৰ কৰি বিচাৰি নাপাই মাক বাপেক দুয়ো বলিয়াৰ দৰে হৈ হিয়াধাকুৰাই কান্দিবলৈ ধৰিলে। কোনোৱে ক'লে "গাভৰু

ছোৱালী ইমান দিন ঘৰতে ৰাখি থৈছে কাৰবাৰ লগত চাগৈ কথা আছিল ৰাতিয়েই পলাই গুছি গল।" কিছুমানে ক'লে "আমি দেখিছো নহয় বিয়াৰ কথা ওলোৱাৰে পৰাই ছোৱালী জনীৰ মনটো মৰা তাই চেনো মাককো কৈছিল বিয়া নাপাতিবলৈ। এতিয়া জোৰ কৰি বিয়াখন পাতিলে তাই চাগৈ কৰবাত পানীত পৰি মৰিলগৈ নতুবা গছত চিপ ল'লে।" অনেকেই অনেক কথা ক'লে। বিশেষকৈ মাইকী মানুহৰ মাজত এই কথাই বেছিকৈ শিপাই পৰিল।

বেলি আবেলি হ'ল। দৰাঘৰীয়া মানুহে টেকেলী লৈ আহি কন্যা ঘৰত হাজিৰ হ'ল। টেকেলী দিয়া মানুহ আহি পাই দেখে মাক বাপেক প্ৰায় অচেতন, গোটেই কন্যা ঘৰত হুলস্থুল। কাৰণ কন্যা ৰাতিৰ পৰা নাই। তেওঁ বিলাক উপায়হীন হৈ ঘূৰিগৈ দৰাৰ ঘৰত খবৰ দিলে। দৰাৰ ঘৰতো হুলস্থুলৰ সৃষ্টি হৈ পৰিল। আনন্দৰ কোলাহলপূৰ্ণ ঘৰখন কাঁহপৰি জিন গল। তেওঁ বিলাকেও যিমান পাৰিলে খবৰ খাবাৰ কৰালে কিন্তু আৰতীৰ একো খবৰ নাপালে।

ভৱধৰ পাগলৰ দৰে হৈ চাইকেলত উঠি ত্ৰদিন ঘূৰি ফুৰি একো খা-খবৰ নাপায় কান্দিকাতি ঘূৰি আহিল। মাকৰ মুখলৈ কণ এটিও নোযোৱা হল। মাত্ৰ কান্দিকাতি পাটিত পৰি থাকে। ছোৱালী বিচাৰি নাপায় ভৱধৰে বিয়াৰ আশা পৰিত্যাগ কৰি দৰাঘৰৰ পৰা দিয়া সকলোবোৰ বস্তুবাহানী ঘূৰাই দিয়ালে।

## —পচিশ—

আৰতীয়ে সেই মানুহ ঘৰতে ভাত কেইটা খোৱাৰ পিছত আকৌ আগবদৰে পগলাহে আলিবাটে আলিবাটে যাবলৈ ধৰিলে। কতই তাইক কত ধৰণেৰে জোকাইছে, কতই গালি পাৰিছে কিমান লৰাই কুকুৰ লগাই দিছে, দলিয়াইছে তথাপি তাই সেইবোৰলৈ কানষাৰ দিয়া নাই। মাথো তাই হো হো কৰে যাব লাগিছে। ক'লৈ গৈছে তাই নাযানে ক'ত ওলাবগৈ তাকো নাজানে।

আৰতীয়ে গৈ গৈ এটা ৰেলষ্টেচনৰ ওচৰ পালে। এখন ৰেল খুব জোৰেৰে কোনোবা ফালৰ পৰা আহিছে কেনিবা যাবলৈ। তাই সেইফালে আগবাঢ়ি গল। ৰেল আহি কোনোবা ষ্টেচনত ৰলহি। কোনে সোধ পোছ নোহোৱাকৈয়ে তাই এখন গাড়ীত উঠি বহি পৰিল। ৰেল আকৌ চলি গল। এটা দুটা কেইবাটাও ষ্টেচন পাৰহৈ গল।

এজন টিকেট চেকাৰ আহি সেই আৰতী থকা গাড়ীখনত সোমাল, ৰেল চলিগৈ থাকোঁতেই তেওঁ একালৰ পৰা টিকেট-বোৰলৈ চহী কৰি গল, সৰ্ব্বশেষত তেওঁ আহি আৰতীৰ ওচৰত হাত পাতেলেহি। আৰতীৰ বুকুখন চিৰিং কৰি গল, টিকেট নাই বুলি ক'লে হয়তো পয়ছা বিছাৰিব। তাইৰ হাততো পয়ছা নাই। তেন্তে কি উপাই কৰা যায়।

তাই মুখেৰে একো নামাতিলে মাত্ৰ দীঘলকৈ এটা ডাঙৰ

হাঁহি মাৰিলে। টিকেট চেকাৰে পগলা বুলি অনুমান কৰি এৰিথৈ গুচি গল, সন্ধ্যাৰ আগে আগে ৰেলগৈ আকৌ এটা ষ্টেচনত ৰল। সেই টিকট চেকাৰজন আহি আৰতীক তাতে নমুৱাই দিলে। আৰতী নামিলে, হাহিলে কান্দিলে আৰু এনেয়ে কিবা কিবি বোৰবকি বাট এটাত উঠি আকৌ যাবলৈ ধৰিলে। তেতিয়া প্ৰায় সন্ধ্যা লাগিল, এনেতেগৈ তাই এখন হাবিৰ মাজেদি যাব লগা হল। ভাগ্যত লালকাল দি অহা অবশ দেহাটোৰেও আৰু আগুৱাবৰ ইচ্ছা নকৰা হল। ৰাতি গহীন নিজান হাবিখন পাৰহৈ যাবলৈ তাইৰ অন্তৰত সাহ নহল। তাই লাহে লাহে ঘূৰি আহিল। অলপ আহিয়েই এঘৰ মানুহ দেখি তাতে ৰাতিটো কটাবৰ মনকৰি তাই লাহে লাহে মানুহ ঘৰলৈ সোমাই গল। সেই মানুহ ঘৰত আছিল মাথো এটি সৰু লৰা আৰু এজনী বুঢ়ী। তাই বুদ্ধিকৰি সেই কথাষাৰ বুঢ়ীৰ মুখৰ পৰা উলিয়াই ৰাতিটো তাতে কটাব পৰা হবনে সুধিলে। আৰতীৰ কথাবাৰ্ত্তা আৰু লগে লগে আৰতীৰ ভৰ যৌৱনত পূৰ্ণহৈ উঠা মুখৰ সুন্দৰ গঠন আৰু সৌন্দৰ্য্য দেখি বুঢ়ীৰ অন্তৰত দয়া উপজিল। বুঢ়ীয়ে আৰতীক অতি সাদৰে বহিবলৈ দি খাবলৈ কিবা কিবি অলপ উলিয়াই দিলে। ভোকত লাল কালহৈ থকা অৱশ প্ৰাণটিয়ে খুব আনন্দৰেই জলপান কেইটি খালে। ৰাতি ভাতপানী খাই বৈ উঠি বুঢ়ীৰ এখন বিছনাতেই তিনিও শুবলগা হল। ইতিমধ্যে খাই বৈ উঠি সৰু লৰাটি শুলেগৈ। বুঢ়ীয়ে মানা কৰাৰ স্বত্তেও আৰতীয়ে যিমান পাৰিলে বুঢ়ীক কামত সহায়

কৰি দি তুয়ো আহি পাটিত পৰিল। পাটিত পৰিবলৈ পাই আৰতীয়ে যেন স্বৰ্গখনহে ঢুকি পালে, বিছনাত পৰি বুঢ়ীয়ে আৰতীক সুধিলি।

"আই, তইনো ক'ৰ ছোৱালী তোৰনো কোন কোন আছে? ঘৰনো ইয়াৰ পৰা কিমান দূৰত? যাবলাগে কলৈ? আদি সকলোবোৰ প্ৰশ্ন কৰিলে। বুঢ়ীৰ কোমল অন্তৰ আৰু আলহীৰ শুশ্ৰূষা আদি দেখি আৰতীৰ অন্তৰত বুঢ়ীলৈ বৰ মৰম সোমাইছিল। গতিকে অতি আৱশ্যকীয় কথা কেইটা লুকুৱাই বাতি কেনেকৈ এঘৰ গিৰিহঁতৰ ঘৰত চাকৰি কৰি থাকে কষ্ট দিয়াৰ বাবে তাৰ পৰা পলাই আহিছে সেই সকলোবোৰ কথা ক'লে। আৰু ৰাতি সেই হাবিখন পাৰহৈ যাবলৈ সাহ নকৰি যে বুঢ়ীৰ ঘৰত থাকিব লগীয়া হল তাকো ক'লে।

"এৰা আই! এই ৰাতি হাবিখন পাৰ নহৈ বৰ ভাল কাম কৰিলি। তাত বনৰীয়া হাতীকে আৰম্ভ কৰি বাঘ আদি সকলো ওলায়। ৰাতি পাৰ হবলৈ কোনো মানুহেই সাহ নকৰে। দিনত অনেক মানুহ অহা যোৱা কৰি থাকে বিশেষ ভয় নাথাকে। কালিলৈ দিনে পোহৰে পাৰহৈ যাবিগৈ আইহে।" বুলি কোৱাৰ লগে লগে আৰতীৰ বৰ্ণনাটো শুনি বুঢ়ীয়ে কেইটোপাল মান চকুলো পেলালে। কিছুদেৰি নানা কথাবাৰ্ত্তা পতাৰ পিছত আৰতীয়ে বুঢ়ীক টানি অনুৰোধ কৰিলে সেই ৰাতি তাত তাই থকাৰ কথা কাৰো আগত ভুলটো প্ৰকাশ নকৰিবলৈ। "কেতিয়াও নকওঁ" বুলি বুঢ়ীয়ে আৰতীক আশ্বাস দিলে। ইয়াৰ পিছত কিছু সময় বৈ আৰতীয়ে আকৌ সুধিলে।

"আই—আপুনি মোৰ বুঢ়ী আইৰ লগৰ। বাৰু কওক চোন, মোৰ এই সৌন্দৰ্য্য লৈও কোনো বিপদ-বিঘিনী নোহোৱাকৈ কৰবাত সুখত থাকিব পৰিমনে ?"

"মোৰ ঘৰতে থাক আই! আনতনো কত থাকিবি, মোৰ জী নাই তয়ে জানিবা জী। এখন কৰিবি মেলিবি তয়ো খাবি মোকো দিবি" বুলি বুঢ়ীয়ে ৰসহীন শুকান হাত এখন আৰতীৰ ৰঙ্গা কোমল গাল এখনিত হাত ফুৰালে।

"নহয় আই! আপোনাৰ ইয়াত থাকিলে মোৰ কোনো কষ্ট নহয়, মই আইৰ ঘৰত থকা দিয়েই থাকিব পাৰিম ই সঁচা কথা কিন্তু আই ইয়াত নিৰাপদ নহয়। মোৰ এই যৌৱনপূৰ্ণ দেহাটোৱেই মোৰ ঘোৰ শত্ৰু আই—আপুনি জানেই আৰু। এনে অৱস্থাত মই ইয়াত থাকিলে নিৰাপদ হম বুলি নাভাবো।"

"নিজে ভালে থাকিলেনো কোনে কি কৰিব পাৰে হো।"

"সেইটো হয়—তাকেই যে কৰিব পাৰিম তাৰেই সন্দেহ। কেতিয়াবা হয়টো তেনে অৱস্থাত পৰিব লাগিব য'ত ধৈৰ্য্যধৰি থকা কোনোমতেই সম্ভৱ নহব। আই! এনে ঠাই কৰবাত আছেনে বাৰু য'ত মই নিসন্দেহে নিৰ্ভয়ে মোৰ দিন কেইটা কটাব পাৰো।"

আৰতীৰ কথাবাৰ শুনি বুঢ়ীয়ে খন্তেক পৰ বৈ ভাবি ক'লে "ওঁ পাৰিবি পাৰিবি।"

"ক'ত আই ক'ত কওকছোন।" আৰতীয়ে উগ্ৰকণ্ঠে শুধিলে।

"ইয়াৰ পৰা পাঁচ মাইল মান দূৰত এজন মানুহে এটা কাপোৰবোৱা সূতা কটা কাৰখানা খুলিছে। তাতে লৰা ছোৱালীয়ো পঢ়াই। তাত থকা সকলোবোৰ মাইকী মানুহেই। শুনিছো বোলে মাষ্টৰ বোৰো মাইকীয়েহে হেনো। গিৰিহঁত জন হেনো বৰ ভাল মানুহ। তেওঁ বোলে তালৈ নাযায়েই সপ্তাহৰ মূৰত হেনো এদিনগৈ চৰ চাইচিতি আহেগৈ। আমাৰ গাঁৱৰ পৰাই বহুত মানুহগৈ তাত কাম শিকিছেগৈও পঢ়িছে-গৈও, তই যদি বেয়া নাপাৱ বোৱাকটা শিকি তাতেই থাকিব পাৰিবি। আমাৰ ছোৱালীবোৰে বৰ ভাল বুলি কৈছে হলে।" বুঢ়ীয়ে ক'লে।

কেতিয়াবাই এদিন আৰতীয়ে শুনিছিল কোনোবা এজন মানুহে তেনে কিবা এটা প্ৰতিষ্ঠান খোলাৰ কথা। এতিয়া ঈশ্বৰে যে বঙ্গাই ঘটাই তাৰ ওচৰলৈকে লই আহিল সেইবাবে তাই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে। আৰু সেইখনেই তাইৰ বাবে যে উপযুক্ত স্থান হব সেই কথা ভাবি আৰতীয় বুঢ়ীক মাতিলে।

"আই! মোৰ কাৰণে আপুনি অলপ কষ্টকৰি আপুনি মোক নি সেই কাৰখানাত থৈ আহিবগৈ পাৰিবনে। আপুনি মোক আৰু তাত থৈ আহিলে এটা নিৰিহ জীৱৰ আশীৰ্ব্বাদ পোৱা হব।" বৰ ব্যস্ত হৈ আৰতীয়ে বুঢ়ীক ক'লে।

"সেইটোনো কি কথা। অহা যোৱাই মাত্ৰ বাট দহ মাইল। মইনো আৰু তোক তাত থৈ আহিব নোৱাৰিমনে?

তই এতিয়া শুই থাক বৰ ভাগৰত আহিছ কালিলৈ ভাত পানী খাই বৈ উঠি তুয়ো যাম বাৰু। আমাৰ গাৱৰ মাইক লগ লগাই দিলেই হব নহয়। তাই মোৰ জীৱে নিচিনা।"

"হব আই হব। আপুনি মোক ঠাইখন দেখুৱাই দিলেই হব।" আৰতীয়ে আৰু কিবা কব খুজিছিল বুঢ়ীৰ টোপনী অহা যেন অনুমান কৰি আৰতীয়ে আৰু একো নকলে, ছুৰীখন বুকত আছেনে নাই চাই ভগৱানৰ নামলৈ বিছনাত শুই পৰিল।

# চাৰিশ

নানা ভাৱ চিন্তাৰ মাজেদি আধা টোপনী আৰু আধা উজাগৰে আৰতীয়ে কোনোমতে ৰাতিটো কটালে, আন নহলেও ইমান ভাগৰত আহি বিছনা খনত সুখেৰে ৰাতি কটাই আৰতীৰ বেছ ভাল লাগিল। ৰাতি পুৱাই আহোতেই আৰতীয়ে বিছনা এৰিলে. অলপ পিছতে বুঢ়ীও উঠি আহিল। আৰতীৰ মনত মাত্ৰ চিন্তা কেনেকৈ তেওঁ সেই কাৰখানাটো পাই তাত নামটো ভৰ্ত্তি কৰাই লব পাৰে। এইদৰে কিবা কিবি বোৰ ভাবিচিন্তি ইটো সিটো কৰি থাকোতেই বুঢ়ী গাধুই আহিল। আৰতীয়েও ধুলে তাৰ পিছত ৰাতিপুৱাৰ চাহ জলপান শেষ কৰি বুঢ়ী ভাত ৰন্ধাত লাগিল। যি পাৰিল আৰতীয়ে যোগাৰ কৰি দিলে। দহটা মান বজাত ভাত পানী খাই বৈ উঠি বুঢ়ীয়ে পিতেকক ঘূৰি নাহে মানে ঘৰতে থাকিবলৈ কৈ ছুয়ো যাবলৈ ওলাল, বুঢ়ীয়ে ছুটামান তামোল কেইখিৰামান পান চূন ধপাতেৰে সৈতে হাঁহুটি খনো লগতে লৈ থলে। তাৰ পিছত লাখুটি দাল লৈ যাবলৈ ধৰিলে, আৰতীয়েও মাকৰ পিছত জীয়েক যোৱাৰ দৰে নানা কথাবাৰ্ত্তা পাতি বুঢ়ীৰ পিছে পিছে গল। কোন বিপদ আপদ নোহোৱা-কৈয়ে সেই ভাঠ হাবি খন পাৰ হৈ ছুয়ো গৈ সিপাৰৰ গাৱঁত ওলাল গৈ। সেই ভাঙৰ হাবিখন এতিয়া দিনত আহিয়েই আৰতীৰ গাৰ নোম বোৰ শিয়ৰি উঠিল। ৰাতি অহা হলে কি হল হেতেন তাই মনতে এবাৰ ভাবিলে।

এটা মান বজাত হুয়ো গৈ "অসম শিল্প প্ৰতিষ্ঠান'ৰ দুৱাৰ মুখত উপস্থিত হল। বুঢ়ী অলপ সোমাই গৈ চকীদাৰ'নীৰ হতুৱাই মাইক মতাই পঠিয়ালে। আৰতীয়ে অনুষ্ঠানটিৰ প্ৰকাণ্ড গড়ৰ সৈতে ভিতৰ খন দেখি আৰু ভিতৰত কামত লিপ্ত থকা মানুহ বোৰ দেখি হিয়াখনি আনন্দত নাছি উঠিল। এনেতে মাই আহি বুঢ়ীক দেখি আচৰিত হৈ সুধিলে। "আই! আপুনি আহিল কেলেই? মই আকৌ আন কোনোবা আহিছে বুলিহে ভাবিছলো।"

"এৰা আই মই হে" তাৰ পিছত আৰতীক দেখুৱাই ক'লে "হেৰ আই চাছোন! এই ছোৱালী জনী বহুত দূৰৰ পৰা বৰ দুখে কষ্টে আহিছে। কালি আহি মোৰ ঘৰতে থাকিল। চিনি জানি নাপাই কাৰণে মোক লগ ধৰাত মই লৈ আহিলো। এতিয়া এইকো তইঁতৰ লগতে কামত সুমুৱাই লব লাগে। কত কি কৰিব লাগে মই সেইবোৰ একো নাজানো আইহে। তই আৰু এইক ভনীয়েৰৰ দৰে ভাবি যি য'ত কৰিব লাগে কৰি মেলি তাইকো সুমুৱাই ল, মোৰ মনত তই যেনেকুৱা এয়ো তেনেকুৱা।"

"বাৰু আই মই থকাত কিহৰ ভয়। তেওঁক নি মই এতিয়াই আমাৰ বৰ বাই দেউৰ গুৰিত দিম গৈ। তেখেতে সুধি পুচি সকলোবোৰ ঠিক ঠাক কৰি দিব। আপুনি অকনো চিন্তাকে কৰিব নালাগে আই।"

"অ আই যি কৰ কৰ। ৰাতি হলে মোৰ আকৌ হাবি-

দেখিব পাৰ হোৱাই টান হব। লৰাটোও অকলেহে আছে। মই এতিয়া যাওঁহে” বুলি আৰতীৰ গালে মুখে হাত ফুৰাই বুঢ়ী গুছিগল।

“তোমাৰ নাম কি?” মায়ে মাষ্টৰনীৰ ওচৰলৈ লৈ যাওঁতে বাটতে আৰতীক সুধিলে। আৰতীয়ে আচল নামেৰে পৰিচয় দিবলৈ ভয় কৰি ক’লে “মোৰ নাম মনোৰমা বড়া।”

“বৰ ধুনিয়া নাম” মায়ে সলাগিল।

আৰতীয়ে একো নামাতিলে, মাত্ৰ পিছে পিছে গল।

মাই আছিল সেই বুঢ়ী জনীৰ গাৱঁৰে, এজনী বিধবা বামুণী ছোৱালী। সৰুতে তাইক বিয়া দিছিল, এজন আদবয়সীয়া মানুহলৈ, ভাগ্যৰফেৰত তাই মানুহ হবলৈ নৌ পাওঁতেই সেই আদবয়সীয়া স্বামীৰ মৃত্যু হল। তেতিয়া পৰা তাই বিধবা। দহবছৰ সেই বিধবা জীৱন নিৰ্ব্বাহ কৰাৰ পিছত এই অনুষ্ঠানত সুবিধা পাই সোমাই গৈ বাকী কেটা দিন সুখেৰে কটাবৰ ব্যৱস্থা কৰিছে।

মায়ে আৰতীক নি প্ৰধান শিক্ষয়ত্ৰীৰ ওচৰত গতাই দি নিজ কামলৈ গুছি গল। প্ৰধান শিক্ষয়ত্ৰীৰ সঙ্কেট অনুসাৰি আৰতী ওচৰত থকা বেঞ্চ এখনতে বহিল। প্ৰধান শিক্ষয়ত্ৰীয়ে ব্যস্ত হৈ থকা কামটো শেষ কৰি আৰতীৰ লগত কথা পাতিলে তাত সুত বোৱাকটাৰ বিষয়ে, কিমান পঢ়াশুনা জানে, হাতৰ কাম কি কি জানে আদি সকলো সুধিলে। আৰতীয়ে নিজৰ পৰিচয়ৰ বাহিৰে বাকী সকলোবোৰ সচাঁকে ক’লে। প্ৰধান শিক্ষয়ত্ৰীয়ে

সকলোবোৰ কথা বুজি বাজি লৈ খাই বৈ পিঙ্কি মাহে কুবিটকা কৰ্ম্মগাত কামত নিযুক্ত কৰিলে। সেই দিনা আৰতীক কোনো কাম কৰিবলৈ নিদি চকিদাৰনীৰে লগত ছাত্ৰী নিবাসলৈ পঠিয়াই দিলে আৰু ছাত্ৰী নিবাসৰ অধ্যক্ষ গৰাকীক মতাই আনি আৰতীক সকলো সুবিধা দিবলৈ ক'লে। সেইদিনাৰ পৰা আৰতী সেই অনুষ্ঠানৰ কৰ্ম্মীহে মনোৰমা মামে জনাজাত হ'ল।

পিছ দিনা ৰাতিপুৱা শুই উঠি আন আন ছোৱালীৰ লগত চাহ-তাহ খাই তেওঁ বিলাকৰ লগতেই অনুষ্ঠানৰ ঘৰলৈকে গৈ আহিল। অনুষ্ঠানৰ কাৰুকাৰ্য্য বিলাক দেখি আৰতী আচৰিত হ'ল। তাত প্ৰত্যেকেই নিজৰ কাম কৰি যাব লাগিছে। কোনোৱে ফুল বাছিছে, কোনোৱে তাঁত বৈছে, কোনোবাই আকৌ সুতাকে কাটিছে, কোনোৱে পলু বিলাককে প্ৰতিপাল কৰিছে ইত্যাদি। বৰ্ডিঙত থকা আন ছোৱালী বিলাক আহি পায়েই চুপে চাপে নিজৰ কামত লাগি গল। এনেতে এগৰাকী শিক্ষয়িত্ৰী আহি আৰতীক এখন আশীসুতাৰ কাপোৰ বৰলৈ লগাই দিলে। আন আন লগৰীয়া বিলাকৰ দৰেই আৰতীও হাতে কামে লাগি গল।

অতি অলপ দিনত ভিতৰতে আৰতীয়ে অনুষ্ঠানৰ সকলো বিলাক কাম আয়ত্ত কৰি পেলালে। নতুন নতুন সকলোবোৰ কামতে আৰতী পাকৈত হৈ পৰিল। আৰতীৰ কাম, আচাৰ ব্যৱহাৰ আদি সকলোতে সকলো শিক্ষয়িত্ৰীয়ে বৰ সন্তোষ পালে।

সকলোৰে মৰম পাই আৰতীয়ে অতি সুখ আৰু আনন্দতেই দিন নিয়াবলৈ ধৰিলে লগে লগে তাইৰ ঘৰলৈ পাহৰি গল। কেতিয়াবা মাথো অতীতৰ পাৰ নাইকিয়া কথাবোৰলৈমনত পৰি আৰতীয়ে একোটি দীঘল নিশ্বাস পেলায়।

লাহে লাহে বহুত দিন পাৰ হৈ যায়

—সাতাইশ—

"অসম শিল্প প্ৰতিষ্ঠানটি লাহে লাহে এটি আদৰ্শ অনুষ্ঠান হৈ উঠাৰ লগে লগে গোটেই অসম জুৰি তাৰ গুণ গৰিমা বিয়পি পৰিল। যেয়ে সেয়ে ভাৰ পৰা কাপোৰ কানিবোৰ নিবলৈ ধৰিলে। নানা ঠাইৰ ডাঙৰ মানুহবোৰ আহি "অসম শিল্প প্ৰতিষ্ঠান"ত একোবাৰ ভূমুকি মাৰি যোৱাৰ লগে লগে অজিত বৰুৱাক একোটি ধন্যবাদ দি থৈ যায়। বমেশে মানুহক নিজে দেখা কৰা অভ্যাসটো উঠাই দিছিল। তেওঁ নহলেও যাতে দৰ্শক সকলে সকলোবোৰ সুকলমে চাই যাব পাৰিছিল তাৰ ব্যৱস্থাও বমেশে কৰাই দিছিল। সেইবাবে মানুহবোৰ আহি বাহিৰে বাহিৰে অনুষ্ঠানটি পৰিদৰ্শন কৰি গুচি গৈছিল হি। কোনবাই কেতিয়াবা এষাৰ কথা পাতিবৰ ইচ্ছা কৰিলেও তেওঁক কাচিত হে কোনবাই পায় নহলে তেওঁ নানা সভাই সমিতিয়ে ঘূৰি ফুৰিয়েই দিন কটাইছিল। কাৰোবাৰ বিশেষ কাম থাকিলে

আগতে তেওঁলৈ খবৰ পঠিয়াইছে দেখা কৰিবৰ সুবিধা পায়। ৰমেশে খুব কাৰা ভাবে সকলো বিলাক কাৰ্য্য চলাইছিল বাবেই কোনোৱে এষাৰ কথাও তেওঁৰ বিপক্ষে কৰলৈ বা উলিয়াবলৈ সাহ বা সুবিধা নাপাইছিল।

সেইদিনা ছুপৰীয়া ৰমেশে দূৰৰ গাওঁ এখনত থকা পুস্তকালয় এটি পৰিদৰ্শন কৰি আহি ভাত কেইটা খাই উঠি অলপ জিৰণি লৈছে। এনেতে মটৰৰ শব্দ শুনি মূৰডাঙি চাই ৰমেশে দেখে এখন খুব ধুনিয়া নতুন গাড়ী আহি অনুষ্ঠানটিৰ দুৱাৰ মুখত ৰৈছে আৰু সেই গাৰীৰ পৰা নামি এজন সুন্দৰ যুৱক আৰু এগৰাকী সুন্দৰী যুৱতীক অনুষ্ঠানটিৰ ভিতৰলৈ সোমাই যোৱা দেখিলে। সাজ পোষাকৰ চেহেৰাৰ পৰা ৰমেশে তেওঁ লোকক পতি পত্নী বুলিয়েই অনুমান কৰিলে। কোনোবা দৰ্শক ভাবি ৰমেশে তালৈ কোনো কাণ নকৰি কিতাপ এখন আনি কিবা এটা পঢ়িবলৈ আৰম্ভ কৰিলে।

তেওঁ বিলাক দুয়ো ভিতৰ সোমাই গৈ প্ৰধান শিক্ষয়ত্ৰীৰ লগত কথা বাৰ্ত্তা পাতিলে আৰু অনুষ্ঠানটিৰ বিষয় জানিব লগা সকলো আৱশ্যকীয় কথা শিক্ষয়ত্ৰী গৰাকীয়েই তেওঁ বিলাকক জনালে, আৰু এগৰাকী সহকাৰী শিক্ষয়ত্ৰীক লগত দি গোটেই অনুষ্ঠানটি দেখুৱাৰ কাৰণে তেওঁ লোকে অনুৰোধ কৰাত প্ৰধান শিক্ষয়ত্ৰীয়ে তাকেই কৰিলে, তেওঁলোক দুয়ো ভালকৈ ফুৰিচাকি কামবোৰ চাইচিতি আচৰিত মানিলে। তেওঁলোকে বিশেষ কৈ আৰতীৰ কাম বিলাকত বৰ মুগ্ধ হ'ল। আৰতীয়ে বোৱা এখনি

সুন্দৰ পাটৰ কাপোৰ তেতিয়াই তিনি কুৰি টকা দি যুৱতী গৰাকীয়ে কিনি ল'লে। তেওঁ লোক তাৰ পিছত আকৌ প্ৰধান শিক্ষয়িত্ৰীৰ ওচৰলৈ ঘূৰি আহি অনুষ্ঠানৰ কথাবোৰ সলাগি অজিত বৰুৱাক দেখা কৰিবৰ কাৰনে ইচ্ছা প্ৰকাশ কৰিলত প্ৰধান শিক্ষয়িত্ৰীয়ে এতিয়া তেওঁক দেখা নাপায় বুলি কলে। তেওঁ লোকে প্ৰধান শিক্ষয়িত্ৰীৰ কথা নুশুনি তেখেতক যেনে তেনে দেখা পাবই লাগিব বুলি কৈ গাড়ী আনি অজিত বৰুৱাৰ ঘৰৰ আগত ঠিয় কৰালেহি। তেওঁ লোক দুয়ো লাহেকৈ গাড়ীৰ পৰা নামি গৈ ঘৰত কোন আছে বুলি মাত দিয়াত বামুণ লৰাটো ওলাই আহি তেওঁলোকক বহিবলৈ কোৱাৰ লগতে কলে যে এই মাত্ৰ শুইছে ৰমেশৰ চিলমিলকৈ টোপনি আহিছিল, যদিও মানুহৰ মাত শুনি ঘপকৈ সাৰ পাই সুধিলে "কোন আহিছে অ' পৰি।"

পৰি লৰালৰিকৈ সোমাই গৈ এগৰাকী যুৱতী আৰু এজন যুৱক আহিছে বুলি ৰমেশৰ ওচৰত লাহেকৈ ক'লে। ৰমেশ তত্তালিকে উঠি চেন্দেলজোৰ পিন্ধি বাহিৰলৈ ওলাই আহি নমস্কাৰ জনালে। যুৱক যুৱতীয়ে চকীৰ পৰা উঠি ৰমেশৰ প্ৰতি প্ৰতি-নমস্কাৰ জনাই আকৌ বহি পৰিল। ৰমেশ আগবাঢ়ি গৈ তেওঁ-লোকৰ ওচৰত থকা আন এখন চকিত বহি পৰিক মাতি ক'লে—

"পৰি ভামোল লৈ আগচোন।"

ৰমেশৰ চকু হথাৎ এব ৰ যুৱতীৰ চকুত পৰাত ৰমেশৰ গাটো কঁপি উঠিল। ৰমেশে দেখিলে যুৱতী গৰাকীয়ে একথৰে ৰমেশৰ ফাললৈ কিবা এটা ভাবে চাই আছে। ৰমেশে আকৌ এবাৰ

যুৱতী গৰাকীৰ ফালে চাই চিনিব পাৰিলে যে তেৱেঁই মীৰা —যাক তেওঁ বিয়া কৰাব লগা হোৱাৰ বাবে ঘৰৰ পৰা গুচি আহিব লগা হল। ৰমেশে অলপ আস্বস্তি বোধ কৰিলে কিন্তু তেওঁ ততালিকে নিজকে সংযত কৰিলে।

যুৱতী গৰাকীও আচৰিত হল। তেওঁৰ মনত সন্দেহ হল তেওঁ অজিত নে ৰমেশ? ৰমেশ বুলি ফাকি দি তেওঁ বিলাকৰ ঘৰলৈ গৈছিল নে নাই এতিয়া অজিত বুলি ছদ্মবেশ ধৰি ঘৰৰ পৰা পলাই আছি এই দৰে কাল কটাইছে। তেওঁ যে নিশ্চয় ৰমেশ হবই লাগিব এই কথা মীৰাই থিক কৈ বুজিব পাৰিলে। ৰমেশে অপৰিচিত জনক সোধাৰ দৰেই সেই যুৱক জনক লক্ষ্য কৰি ক'লে।

"আপোনাসকলে মোক লগ কৰিবলৈকে আহিছে যদিও আপোনালোকৰ পৰিচয় মই পোৱা নাই, দয়া কৰি জনালে সুখী হম।"

এই কথাৰ উত্তৰ যুৱক জনে দিব খোজোতেই মীৰাই তপ্ কৰি মাতিলগাই ক'লে। "তাৰ আগতে আপোনাৰ পৰিচয়টো পোৱা হলে আমি আৰু বেছি সুখী হব পাৰিলো হেতেন।"

"মোৰ পৰিচয়?" অলপ আচৰিত ভাৱে ৰমেশে সুধিলে।

"হয় আপোনাৰেই" মীৰাই ক'লে।

"মোৰ পৰিচয় বোধহয় আপোনালোকে সকলো পাইছেই আৰু মোৰ নাম অজিত কুমাৰ বৰুৱা। বাকীবোৰ জানেই" ৰমেশে হাঁহি এটি মাৰি ক'ল।

"আপুনি অজিত কুমাৰ বৰুৱা নে ৰমেশ চন্দ্ৰ বৰুৱা।" মীৰাই সুধিলে। ইমান দেৰি মীৰ'ৰ সঙ্গী যুৱকে কথাৰ একো মোখেই পোৱা নাছিল· ৰমেশৰ নাম মীৰাৰ মুখত ওলোৱা শুনি কথাটোৰ বাবে তেওঁ বৰ আগ্ৰহিত হল

"অজিত কুমাৰ বৰুৱাহে ৰমেশ বৰুৱা নহয়" ৰমেশে ক'লে।

"আপুনি কিয় ফাকি দিছে সঁচাকৈয়ে কওকছোন আপুনি ৰমেশ বৰুৱা নহয় নে? আপুনিয়েই কৰা দেউতাৰ শ্ৰাদ্ধত আমাৰ তা'ল গৈ এৰাতি থাকি অহাগৈ নাইনে? মোক বিয়া কৰাবলৈ কোৱাত বিয়া নকৰাও বুলি ঘৰৰ পৰা গুচি আহি অজিত নাম লৈ নিজকে লুকুৱাবৰ যত্ন কৰিছে নহয়নে বাৰু? যদিও মীৰাই আপোনাক এদিনহে দেখি'ছলে তথাপি আপোনাৰ চিন ভাল দৰেই ৰাখি থৈছে। মীৰাৰ চকুৰ আগত আপুনি হেজাৰ ফাকি দিও লুকাব নোৱাৰে। আপোনাৰ মাই লৈ যোৱা ফটো মীৰ ৰ হাতত আজিও আছে। আপুনি কিয় ফাকি দিছে? আপোনাৰ কাৰণে মাক দেউতাক আজিও পগলাৰ দ'ৰ কাৰো মনত অকনো শান্তি নাই।" মীৰাই আৰু কিছুমান কথা ৰমেশক কৈ যায়। ৰমেশে কাণ দি শুনে আৰু তাৰ লগে লগে ভাবে বাপেক মাকৰ কথা। কিবা বোৰ ভাবি ভাবি তাৰ মনটো উটাই দিব খোজে। কিন্তু খন্তেকৰ পিছতেই সংযত হৈ পাৰে।

"আপুনি শোধকৰো মোক চিনাত ভুল কৰিছে। একে ধৰণৰ মানুহ সংসাৰত কেতিয়াবা দুই চাৰিজন পোৱা হয়।

এতিয়াও বোধকৰো আপোনাৰ পৰিচিত সেই ৰমেশ বৰুৱাৰ সাদৃশ্যতা মোৰ গাত অলপ দেখা পাইছে। আপুনি কোৱা কথা বোৰৰ মই একো মোৰকে ধৰিব পৰা নাই।” নানা কথাৰে ফাকি দি ৰমেশে নিজক লুকুৱাবৰ যত্ন ক'ৰিলে। ৰমেশে সহজেই ৰমেশৰ সকলো ফাকি ধৰা পেলালে যদিও বিশেষ আৰু একো নকলে। মীৰাৰ গিৰিয়েক নবেন ভূঞাই নিজৰ পৰিচয় দি ৰমেশে কৰা সৎকাৰ্য্যৰ বাবে অশেষ ধন্যবাদ জনালে—তামোল চাহ খাই আৰু কিছুপৰ নানা কথাৰ পিছত তেওঁ বিলাক দুয়ো বিদাই লৈ গুছি আহিল।”

‘ৰমেশ মীৰাৰ হাতত ধৰা পৰিল।’ সেই কথাই তেওঁৰ মনত নানা ভাব চিন্তাৰ সৃষ্টি ক'ৰিলে। এতিয়া বা ভাগ্যৰ চাল কোনফালে বৈ যায় কোনে জানে? মীৰাই বাটত যাওঁতে আদিৰ পৰা অন্তলৈকে সকলো কথা বিৰৰি ক'লে আৰু এই কথা তত্তালিকে গৈ জীৱেশ্বৰ বৰুৱাক জনালেগৈ।

## —আঠাইশ—

আৰতী ঘৰৰ পৰা হথাতেই নাইকিয়া হোৱা আজি কেইবা মাহো হৈ গল ইমান দিনেও একো খা-খাবৰ নাপায় তেওঁ বিলাকে আৰতীৰ আশা একৰকম ত্যাগেই কৰিলে। তাই বিয়া নকৰাও বোলা স্বত্তেও বিয়া দিবলৈ যত্ন কৰাটোৱেই আচল কাৰণ বুলি জানিব পাৰি তেওঁলোক বৰ দুখিত হল।

এদিন আবেলী হথাৎ মালতীৰ মন গল আৰতীয়েনো বস্তু বাহানি কিবা নিছেনে নায় চাবলৈ। তেওঁ ভিতৰ সোমাই গৈ আৰতীৰ চুটকেচটো আৰু ট্ৰাঙ্কটো অলপ পোহৰলৈ উলিয়াই আনি কাপোৰ বোৰ এখন এখনকৈ জোকাৰি চাই গল। একেবাৰে শেষৰ কাপোৰ খনৰ তলত তখন চিঠি আৰু এখন ফটো পাই মালতী আচৰত হ'ল। ফটোখন ভালকৈ চাই মৌজাদাৰৰ পিতেকৰ ফটো বুলি চিনি পালে আৰু পিছত চিঠি খন খুলি পঢ়িলে। চিঠিখন পঢ়ি যোৱাৰ লগে লগে মালতীয়ে কান্দি পেলালে আৰু তভালিকি নি বাহিৰত বহিথকা ভৱধৰৰ হাতত দিলেগৈ। চিঠিখন পঢ়ি আৰু ফটো খন চাই আচল কথাটো অনুমান কৰিব পাৰি ভৱধৰেও চকুলো টুকিলে।

এতিয়া মৌজাদাৰৰ পিতেকৰ খবৰ ওলাইছে বুলি গোটেই গাওঁ খনৰ মানুহে গম পালে। আজি ইমান দিনৰ মূৰত মীৰাৰ মুখে

তেওঁৰ পুতেকৰ সংবাদ পাই মৌজাদাৰে মীৰাৰ গিৰিয়েক আৰু মীৰা দুয়োকেঅশেষ ধন্যবাদ জনালে। পুতেকৰ গুণ গৰিমা আৰু কাৰ্য্যৰ কথা শুনি তেওঁলোকৰ হিয়া আনন্দে নধৰা হ'ল। কিন্তু খন্তেকৰ পিছতেই বৰুৱাৰ মনত সন্দেহ জাগি উঠি অ'কৌ বেজাৰ লাগিল। কথাটো স'চামিছা প্ৰমাণকে চাবৰ কাৰণে মৌজদাৰ মৌজদাৰণী দুয়ো যোৱাটোকে ঠিক কৰিলে· এই কথাষাৰ ভৰধৰৰ কাণত পৰাত কৰবাত কিজানি আৰতীৰো খা-খবৰ পোৱা হয়েই এই ভাবি মৌজাদাৰ লগতে তেৰো যাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। মৌজাদাৰ সম্মত হল। পিছ দিনা ৰা'তি পুৱাতে তি'নিও অসম শিল্প প্ৰতিষ্ঠানৰ অভিমুখে গাড়ী চলাই দিলে। সেইদিনা তেওঁ লোক গৈ নগৰ ত থাকি পিছদিনা আকৌ যাত্ৰা কৰিলে।

মালতীয়ে ঘৰত বহি প্ৰাৰ্থনা কৰিলে, হে প্ৰভু আৰতীৰো খবৰ এটি তাতেই যেন মিলোৱা। সেই উদ্দেশ্যৰে এসাৰী নাম গোৱাবলৈ মালতীয়ে এটি তোপোলাও বান্ধিলে।

---

## —ঊনত্ৰিশ—

অজিত বৰুৱা সেইদিনা ঘৰত নাছিল। তাৰ পৰা সাত মাইল মান দূৰত এখন ডাঙৰ সভাপাতি তাৰ্লৈকে তেওঁক সভাপতি পাতি লৈ গৈছিল আগদিনাই। সভাৰ কাৰ্য্য শেষ কৰোতে ৰাতি হোৱাত সেইদিনা তেওঁ তাতেই থাকিব লগা হ'ল। পিছদিনা বাৰটা মান বজাত খোৱা-বোৱা শেষ কৰি উঠি তিনিটা মান বজাত আহি ঘৰ পালেহি। সেইদিনা তেওঁৰ অনুষ্ঠান পৰিদৰ্শণ কৰা সপ্তাহিক দিন। গতিকে আহি পায়েই তেওঁ তভালিকে পৰিক এটোপা চাহ কৰি দিবলৈ ক'লে।

জীৱেশ্বৰ বৰুৱা, বৰুৱানী ভৱধৰ তিনিও আহি প্ৰায় দুটামান বজাতেই পালেহি। তেওঁ বিলাকে প্ৰধান শিক্ষয়ত্ৰীক লগত লৈ ভালকৈ সেই অনুষ্ঠানটি পৰিদৰ্শণ কৰিলে। আৰতীয়ে দূৰতে বাপেকক দেখি তাইৰ বুকুখন ধপ ধপাবলৈ ধৰিলে কিবা এটা লেঠা উলিয়াই বাপেকে নেদেখা কৈ তাই লাহেকৈ ওলাই গৈ ছাত্ৰীবাসা পালাগৈ। আৰতীৰ কাম বিলাকত বিশেষ ভিছাবে তেওঁলোকে ভাল পালে। তেওঁ বিলাকে তেনে বস্তু তৈয়াৰ কৰা ছোৱালী জনীক চাবলৈ ইচ্ছা কৰিছিল যদিও কথাটো প্ৰকাশ নকৰাত নেদেখাকৈ ৰ'ল। ভৱধৰে আৰতীক কৰবাত দেখাপোৱাৰ আশাত সতৃষ্ণ নয়নে চাৰিও ফালে চালে। চাৰিও ফালে ঘূৰি পকি চাইও ক'তো আৰতীক দেখা নাপাই ভৱধৰে এটি দীঘল হুমুনীয়া পেলালে। বৰুৱা বৰুৱাণী দুয়োয়ে প্ৰধান

শিক্ষয়ত্ৰীৰ লগতে বহুত কথা বাৰ্ত্তা পাতিলে। তাৰ লগতে বৰুৱাই জানিব পাৰিলে যে অজিত বৰুৱা ঘৰত নাই আগদিনাই কোনোবা এখন সভালৈ তেওঁ গৈছে আৰু সেইদিনাই যে ঘূৰি আহিব সেই কথাও তেওঁ সঠিক কৈ জানিব পাৰিলে। বহুত পৰ নানা কথা হোৱাৰ পিছত তিনিও ৰমেশৰ ঘৰলৈকে খোজ দিলে।

ৰমেশে চাহটোপা লৰালৰিকৈ খাই উঠিয়েই পিছ ফালৰ বাটেদি অনুষ্ঠানলৈ গল। বৰুৱা বৰুৱানী আহি আগফালেদি ৰমেশৰ ঘৰত সোমাল আৰু ৰমেশ আহি অনুষ্ঠান পৰিদৰ্শণ কৰিবৰ কাৰণে গৈছে বুলি জানি তেওঁ লোক সুখী হল। ৰমেশে তেওঁলোকে অহাৰ বিষয়ে কোনো কথাকেই গম পোৱা নাছিল।

তেওঁ গৈ অনুষ্ঠানৰ ঘৰ সোমোৱা মাত্ৰকে সকলো বোৰ ঠিয় হল। তেওঁ সকলোকে বাহিৰলৈ কৈ প্ৰধান শিক্ষয়ত্ৰীক লগতলৈ কামবোৰ এফালৰ পৰা তন্ন তন্ন কৰি চাই যাবলৈ ধৰিলে। ঠিক এনেসময়তে আৰতী হঠাৎ ছাত্ৰী বাসাৰ পৰা আহি ৰমেশৰ আগত ওলাল। হঠাৎ ৰমেশে আৰতীক চকুৰ আগত দেখি "আৰতী" বুলি অলপ জোৰেৰে চিঞৰ মাৰি দিলে। হঠাৎ তেনেকৈ জোৰ কৰি মতাত ওচৰৰ সকলো আচৰিত হল। আৰতীয়ে মুখেৰে একো নামাতি তললৈ মূৰ কৰি লাহে লাহে গৈ নিজৰ কাম কৰা ঠাইত বহিল গৈ।

আৰতীয়ে আগতে বহুত দিন ৰমেশক দেখিছে আৰু সেইটো যে তেওঁৰেই অনুষ্ঠান সেই কথাটোও তাই জানে। সেই কাৰণে

যেতিয়া ৰমেশে পৰিদৰ্শণ কাৰবৰ কৰিণে আছে তেতিয়া আৰতীয়ে যি কোনো উপায়েৰে ৰমেশৰ চকুৰ পৰা আঁতৰি থাকে, আজি কিন্তু হুথাতে আহি ওলোৱাত উপায়হীন হৈ তাই ধৰা পৰিল।

ৰমেশে বহুত দেখি আৰতীৰ ফালে একেথৰে চালে। তেওঁৰ দুচকুৰেদি পানী বৈ গল। এই ছোৱালীজনিয়ে ইয়াত কিমান দিন কাম কৰিছে বুলি সোধাত প্ৰধান শিক্ষত্ৰীয়ে 'ছমাহ' বুলি ক'লে। ৰমেশে কাম পৰিদৰ্শণ কৰিবলৈ এৰি দি প্ৰধান শিক্ষয়ত্ৰীৰ কোঠালৈ গৈ আৰতীক মতাই পঠালে। আৰতীয়ে তলমূৰ কৰি কিবা ভাবি ভাবি কোঠাটোৰ ভিতৰলৈ সোমাই গল। ৰমেশে নাম ভৰ্ত্তি বহিখন মেলিলে। প্ৰধান শিক্ষয়ত্ৰীয়ে নামটো দেখুৱাই দিলে ৰমেশ মাতিলে "মনোৰমা বৰা" কুৰিটকা দৰ্মহাত প্ৰায় ছমাহ কাম কৰিছে। ৰমেশৰ শোকে খুন্দা মাৰি ধৰিলে। তেওঁ আৰতীক কিবা কিৰি শুধিব খুজিছিল কিন্তু নেৱাৰিলে। "আৰতী মই বাৰু উপায় চিন্তা কৰিম। বৰ্ত্তমান যি অৱস্থাত আছা সেই দৰেই থাকাগৈ" বুলি আৰতীক পঠিয়াই দিলে। মনত এটা গধূৰ ভাবৰ বোজাৰলৈ ৰমেশে লাহে লাহে ঘৰলৈ খোজ দিলে। ৰমেশ ঘৰ সোমাইছেগৈ মাথো এনেতে পৰিয়ে আহি খবৰ দিলে :—

"দেউতা! আপুনি যোৱাৰে পৰা তিনিজন মানুহ আহি আপোনাকে লগ পাবলৈ বহি আছে। এগৰাকী মাইকী মানুহো আহিছে। মই আপুনি আহোতে বহুত দেৰি হব

বোলাতো বহিয়েই আছে।" বুলি সি ৰমেশলৈ চাহ কৰিবলৈ গল ৰমেশে "বাক মই গৈছো" বুলি তেওঁৰ কোঠাত সোমাই বিশৃঙ্খল হৈ থকা কিতাপ কেইটা সামৰি থৈ বাহিৰলৈ ওলাই গল।

পৰ্দাখন ঠেলি ঘপ কৰে ওলায়েই বাহিৰলৈ চকু দি মাক বাপেক আৰু ভন্নধৰ তিনিওকো বহিথকা দেখি আচৰিত হৈ লৰমাৰি গৈ পোনেই মা-দেউতা বুলি ভৰিত ধৰি দীঘল দি পৰিল। মাকে গৰা মাৰি ধৰি কান্দিবলৈ ধৰিলে। জীৱেশ্বৰ বৰুৱাৰ চকুৰ পৰাও কেই টোপাল মান চকুলো ওলাই পৰিল। লগে লগে গোটেই ঘৰ খনতে এটা হুলস্থূল লাগি পৰিল। ৰমেশে তিনিওকে বাহিৰৰ পৰা ভিতৰলৈ মাতি নি তেওঁৰ কোঠাতে বহিবলৈ দিলে। ৰমেশৰ চাকৰ কেইটাই ভিতৰৰ পৰা চাই কথাটো কি বুলি অবাক হ'ল। ৰমেশে পৰি বুলি মাত দি ততালিকে চাহ জলপানৰ যোগাৰ কৰিবলৈ আদেশ দিলে ৰমেশে ইমান আনন্দ পাইছিল যে সেই সময়ত তেওঁ প্ৰায় ভন্নধৰৰ কথা পাহৰিয়েই গৈছিল। অলপ পৰৰ পিছত ৰমেশে তেখেতৰ কুশল মঙ্গল বাতৰি সুধিলে। ভন্নধৰে কৰলৈ নৌ পাওঁতেই ৰমেশৰ মাকেই ছোৱালীজনী হেৰোৱাকে আদিকৰি সকলো কথা বিবৰি ক'লে আৰু তাইৰ কিবা খবৰ পাওঁ বুলিয়েই যে ইয়ালৈ আহিছে তাকো ক'লে। কথাবোৰ শুনি ৰমেশ অলপ চিন্তান্বিত হল, তাৰ পিছত অলপ সময় ৰৈ কলে।

"আপুনি শুনি আচৰিত হোৱাৰ লগে লগে মোক বেয়াও

পাৰ পাৰে মোৰ দোষ বুলি ভাবি—আপোনাৰ আৰতী আজি মোৰ অনুষ্ঠানৰ এক প্ৰধান কৰ্ম্মী। তাই যে ইয়াত আছে সেই কথা মই কবকে নোৱাৰো, মই আজি মাথো অলপ আগতে লগ পাই আহিছো” বুলি কোৱাৰ লগে লগে ভৱধৰ ব্যাকুল হৈ “ক’ত আছে বোপা, ক’ত আৰতী? মাত্ৰা বোপা তাইক বেগেতে মাতা মই ভবিত ধৰি খাটিছো” বুলি উৎকণ্ঠিত হৈ ক’লে।

“বৰ আপুনি উত্ৰাৱল নহব। মই এতিয়াই আৰতীক মাতি আনিম” বুলি ৰমেশ অনুষ্ঠানৰ ঘৰলৈ বেগা বেগীকৈ গল। ভৱধৰ উৎকণ্ঠিত হৈ বোৱাৰ লগে লগে মৌজাদাৰক ক’লে

“বুইছে ডাঙৰীয়া! আপোনাৰ লৰাটিৰ কাৰণেই তাই বলীয়া হৈ ৰাতিয়েই পত্তা বিয়াখনো ভাঙ্গি পলাই আহিছে। আগতে মই এই কথা নাজানো। কিন্তু সিদিনা মাকে তাইৰ পেৰাটো মেলাত তাইৰ কাপোৰৰ মাজত ৰমেশ বোপাই ঘৰৰ পৰা আহিবৰ দিনা দিয়া এখন চিঠি আৰু ফ’টো দেখি আচৰিত হ’লো।

“সচাকৈয়ে নেকি? সেই কাৰণেইনেকি তেনেহলে সি মীৰাক বিয়া নকৰাও বুলি ঘৰকে এৰিলে” বুলি মৌজাদাৰণীয়ে মৌজাদাৰৰ কালে চালে।

বৰুৱাই ক’লে “আমিটো সেইবোৰ কথা একো নাজানো। আমাকতো কোৱাও নাছিল।”

এনেতে ৰমেশে আৰতীক লৈ আহি তাত উপস্থিত হল।

আৰতী আহিয়েই "দেউতা মই দোষী ! নিজৰ জীয়েক বুলি মোক ক্ষমা কৰক" বুলি ভৰিত ধৰি দীঘল দি পৰিল।

"দোষ তোৰ নহয় আৰতী ! দোষ মোৰহে" বুলি ভৱধৰে আৰতীক তুলি ধৰিলে। সকলোৰে মনত আনন্দই নধৰা হল। এনেতে পৰিয়ে চাহ জলপান আনি দিয়াত সকলোৱে অতি আনন্দৰে খালে। চাহ-তাহ খাই উঠি শেষ কৰি জীৱেশ্বৰ বৰুৱাই ভৱধৰলৈ চাই ক'লে।

"আজি আমাৰ বৰ আনন্দৰ দিন। কিয়নো উভয়ে দুটি হেৰোৱা বস্তু লাভ কৰিছো। গতিকে এই বস্তু দুটি পৰস্পৰে পৰস্পৰক দান কৰাটোহে মোৰ একান্ত ইচ্ছা।" 'মোৰো সেয়ে" বুলি ভৱধৰে কোৱাত বৰুৱাই ৰমেশৰ ফালে চাই ক'লে।

"ৰমেশ ! তই তাগতে মোক তহঁতৰ এই গুপ্ত প্ৰণয়ৰ কথা নকলি। তই তোৰ অন্তৰ খুলি কথাবাৰ মোক কোৱা হলে কেতিয়াও ইমানবোৰ ঘটনা হুবলৈ নাপায়। যাই হওক, ঈশ্বৰে যি কৰে ভালকেই কৰে" বুলি ৰমেশক ওচৰলৈ মাতিলে। ৰমেশে লাজত তলমূৰ কৰি লাহে লাহে ওচৰ চাপিল। আৰতী লাজতে ৰঙা চঙা পৰি উঠিল। জীৱেশ্বৰ বৰুৱাই ৰমেশৰ হাত খনত আৰু ভৱধৰে আৰতীৰ হাতখনত ধৰি দুয়োৰে হাত মিলাই দি আশীৰ্ব্বাদ দিওঁতেই ৰমেশ প্ৰথমে আহি আশ্ৰয় লোৱা বুঢ়া জনে হাতত লাখুটিলৈ দৌৰী আহি হাঁহি মাৰি কলে।